উৰুলি যোৱা নথিৰ পৰা

যোগেন্দ্ৰনাৰায়ণ ভূঞা

প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী, ১৯৯১

প্ৰকাশক আৰু গ্ৰন্থস্বত্বাধিকাৰী
গ্ৰন্থকাৰ

মুদ্ৰক
পুথিঘৰ প্ৰেছ
নগাঁও

বেটুপাত
নৱজীৱন প্ৰেছ
কলিকতা

পৰিৱেশক
পুথিঘৰ
চাকাপট্টি
নগাঁও— ৭৮২০০১

মূল্য
২৫ (পঁচিছ) টকা

নগাঁও গৱৰ্ণমেণ্ট হাই স্কুলত পঢ়োঁতে
যি দুজন শিক্ষা-গুৰুৰ পৰা
সাহিত্যৰ আদি পাঠ শিকিছিলোঁ,
সেই দুজন শিক্ষা-গুৰু
নাৰায়ণ চন্দ্ৰ মহন্তদেৱ
আৰু
দেৱেশ্বৰ বৰুৱাদেৱৰ
পবিত্ৰ স্মৃতিত

লেখকৰ দ্বাৰা ৰচিত আৰু সম্পাদিত অন্যান্য গ্ৰন্থ

o মহাফেজখানাৰ খিড়িকীয়েদি
(কমী-ৰূপক এণ্টাৰপ্ৰাইজ)
o কিশোৰৰ শংকৰদেৱ
(কমী-ৰূপক এণ্টাৰপ্ৰাইজ)
o ৰত্নকান্ত বৰকাকতীৰ গদ্য-সম্ভাৰ
(লয়াৰ্ছ বুক ষ্টল)
o ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী
(অসম প্ৰকাশন পৰিষদ)
o বাগ্মীবৰ নীলমণি ফুকন
(অসম সাহিত্য সভা)
o জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী
(অসম সাহিত্য সভা)
o হীৰক-স্মৃতি
(নগাঁও সাহিত্য সভা)
o যজ্ঞেশ্বৰ শৰ্মা : জীৱন আৰু প্ৰতিভা
(নগাঁও সাহিত্য সভা)
o ভীমকৰ্মা ডাক্তৰ ললিত কুমাৰ বৰুৱা
(ড০ নিৰোদ কুমাৰ বৰুৱা)
o মহিম বৰা : স্ৰষ্টা আৰু সৃষ্টি
(কমী ৰূপক এণ্টাৰপ্ৰাইজ)
o মজিন্দাৰ বৰুৱা ৰচনাৱলী
(অসম সাহিত্য সভা)
o দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা
(বিজয় মজিন্দাৰ বৰুৱা)
o ৰূপালী জয়ন্তী
(নগাঁও ছোৱালী কলেজ)
o ঊনবিংশ শতিকাৰ অসম-সংবাদ
(অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়)

নিজৰ কথা আৰু কৃতজ্ঞতা

দৰাচলতে এই খুদীয়া কিতাপখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰকাশ কৰা মোৰ 'ঊনবিংশ শতিকাৰ অসম-সংবাদ'ৰ (১৯৯০) পৰিশিষ্ট স্বৰূপ। বিষয়-বস্তুৰ চৰিত্ৰ একে। ইয়াৰ কিছুমান প্ৰসংগ সম্পূৰ্ণ নতুন, আন কিছুমান আগৰখনৰ বিষয়-বস্তুৰ পৰিপূৰক।

এতিয়াৰচৌতকৈ ভাল নাম এটা কিতাপখনক দিব নোৱাৰি। পতিকে কিতাপখনৰ নামটো মনত ৰাখিহে যেন পাঠকসকলে ইয়াত সন্নিবিষ্ট লেখাকেইটা পঢ়ে। নগাঁও মহাফেজখানাত থকা উঁইয়ে খোৱা নথিৰ মাজৰ পাত একোখিলাৰ পৰা সংবাদ এটা উদ্ধাৰ কৰিবলৈ উৰলা কাগজখিলা প্ৰায়েই নতুন কাগজ এখিলাৰ ওপৰত সজাই লৰলগীয়া হৈছিল। একেদৰেই, এই কিতাপৰ দুই-এটা লেখাত প্ৰসংগ একোটা অধিক পৰিস্ফুট কৰিবৰ বাবে প্ৰাসংগিক অন্যান্য উৎসৰ ওপৰত সংশ্লিষ্ট প্ৰসংগটো স্থাপন কৰি লৈছোঁ। ইয়াত সন্নিবিষ্ট একাধিক প্ৰসংগৰ সহায়ত স্থানান্তৰত মোৰ কেইবাটাও লেখা প্ৰকাশ পাইছে। কিন্তু সেই লেখাকেইটাক থূৰামূৰাকৈ এৰি থৈ এই কিতাপৰ নামৰ লগত সম্পৃক্ত কথাখিনিহে ইয়াত আঁঠাই দিছোঁ। 'নগাঁও ইংৰাজী স্কুল,' 'জ্ঞানোদয় আৰু পদ্মহাস গোস্বামী' আদি তেনে কাৰ্য্যৰ উদাহৰণ।

কিতাপখনৰ সৰহ ভাগ লেখা 'নতুন দৈনিক' কাকতৰ বাবে কাকতখনৰ সুযোগ্য সম্পাদক আৰু অসমৰ প্ৰথিতযশা সাহিত্যিক শ্ৰদ্ধেয় শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া ডাঙৰীয়াৰ অনুপ্ৰেৰণাত যুগুতোৱা। কিছুদিন কাকতখনলৈ লেখা নপঠিওৱা বাবে এখন চিঠিত শ্ৰীশইকীয়া ডাঙৰীয়াই লিখিলে : "...আমাৰ কাকতৰ বাবে পুনৰ প্ৰবন্ধ লিখিবলৈ আপোনাক অনুৰোধ জনালোঁ। আপোনাৰ ধাৰাবাহিক প্ৰবন্ধকেইটাই পাঠকক মুগ্ধ কৰিছিল।..." কিমান পাঠকক মুগ্ধ কৰিছিল নাজানো। কাৰণ, প্ৰবন্ধ এটা লিখাৰ পাছত মই প্ৰায়েই ভাবোঁ : মোৰ প্ৰবন্ধটোৰ পাঠক অন্ততঃ চাৰিগৰাকী ওলাব। প্ৰথমগৰাকী কাকতখনৰ সম্পাদক (বিভাগীয় ?), দ্বিতীয়গৰাকী কম্প'জিটৰ,

তৃতীয়গৰাকী শুক্ল-বীভাৰ আৰু চতুৰ্থগৰাকী স্বয়ং মই। পিছে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক আৰু বিশিষ্ট ভাষাতত্ত্ববিদ্ শ্ৰদ্ধেয় ড° গোলোক চন্দ্ৰ গোস্বামী ডাঙৰীয়াই ১৯৯০ চনৰ ২২ অক্টোবৰ সংখ্যা 'নতুন দৈনিক'ত যেতিয়া লিখিলে, "...মহাপেচখানাৰ আওপুৰণি নথি-পত্ৰ খুচৰি খুচৰি অধ্যাপক যোগেন্দ্ৰনাৰায়ণ ভূঞাই অসমীয়া সাহিত্য-সংস্কৃতিৰ আঁত উলিয়াবলৈ একাণপতীয়া চেষ্টা চলাইছে, আৰু পাহৰণিৰ গৰ্ভত জীণ যাবলগীয়া আপুৰুগীয়া তথ্য আৰু তত্ত্ব উদ্ঘাটন কৰি আমাক উপকৃত কৰিছে..." বুলি, তেতিয়া মোৰ নৈৰাশ্য বহু পৰিমাণে আঁতৰিল। শ্ৰীশইকীয়া আৰু শ্ৰীগোস্বামী ডাঙৰীয়াৰ ওচৰত মই কিমান ঋণী, সেই কথা জনাবৰ বাবেহে দুয়োগৰাকীৰে কথা দুআষাৰ উদ্ধৃত কৰিলোঁ। শ্ৰীমনোজকুমাৰ গোস্বামী, শ্ৰীমিহিৰ দেউৰী, শ্ৰীবলেন বৰা আৰু শ্ৰীউপেন্দ্ৰ বৰকটকীৰ পৰাও বিভিন্ন প্ৰকাৰে প্ৰেৰণা পাইছোঁ। প্ৰেৰণা পাইছিলোঁ উপাধ্যক্ষ শ্ৰীপদ্মলোচন ভূঞা ডাঙৰীয়াৰ পৰাও।

কিন্তু উৰুলি যোৱা নথিৰ পৰা গোটোৱা এই সংবাদখিনি একেটা থুপতে পোৱাটো সম্ভৱ কৰিলে যিজন ব্যক্তিয়ে, সেইজন হ'ল মোৰ হাই স্কুলীয়া জীৱনৰ সহপাঠী আৰু বন্ধু, বৰ্তমান নগাঁৱৰ এজন বিশিষ্ট সমাজকৰ্মী ডাঃ শ্ৰীধীৰেন বৰকাকতী। কিতাপখন প্ৰকাশ কৰিবৰ বাবে অসম গণ পৰিষদ চৰকাৰৰ দিনত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত মহোদয়ৰ পৰা এটি আৰ্থিক সাহায্য লাভ কৰোঁ। সেই সাহায্য পোৱাৰ যাৱতীয় সকলো ব্যৱস্থা কৰি দিছে ডাঃ শ্ৰীবৰকাকতীয়ে নিজে। এই ক্ষেত্ৰত শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু শ্ৰীধীৰেন বৰকাকতীৰ নাম মোৰ সদায় মনত থাকিব। উল্লিখিত সদৌটিলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কিতাপখনৰ বেটুপাতৰ পৰিকল্পনা আৰু মুদ্ৰণৰ লগতহে মোৰ পৰম সুহৃদ ড° নগেন শইকীয়া ওতপ্ৰোতভাৱে জড়িত, সেই কথা মোৰ বাহিৰে কোনেও নাজানে। গতিকে তেখেতক ধন্যবাদ নজনালেও তেখেতৰ ক্ষেত্ৰত মোৰ অকৃতজ্ঞতাৰ কথা কোনেও নাজানিব।

ৰঙাপুৰ : নগাঁও
৩১ জানুৱাৰী ১৯৯১

যোগেন্দ্ৰনাৰায়ণ ভূঞা

উৰুলি যোৱা নথিৰ পৰা

অসমত শিক্ষাৰ পত্তন ।। ১ ।। নগাঁৱত শিক্ষাৰ আদিপৰ্ব ।। ৫ ।। চৰকাৰী বন্ধৰ তালিকা ।। ১৪ ।। নগাঁৱৰ খানপানী আৰু গভৰ্ণৰ চাহাবৰ প্ৰতিবেদন ।। ১৬ ।। সাঁচিপাতৰ উদ্যোগ ।। ২১ ।। যান-বাহনৰ পৰা নমা ঘোষণা ।। ২৩ ।। ব্ৰনছন আৰু কট্টৰৰ চিঠিত মিছনৰ মাটি ।। ২৪ ।। স্কুলত নতুন নিয়ম ।। ২৮ ।। গুৱাহাটী নৰ্মাল স্কুল ।। ৩০ ।। স্কুলীয়া মাচুল প্ৰবৰ্তন আৰু ব্যয় কৰ্তন ।।৩৩।। গুৱাহাটী ইংৰাজী স্কুলৰ বৃত্তি ।। ৩৬ ।। ঢাকালৈ কাণিৰ চোৰাং চালান ।। ৩৮ ।। অসমৰ আন্তঃপৰিবহন সম্পৰ্কত হপ্‌কিনছন ।।৪০।। নগাঁৱৰ আমদানি-ৰপ্তানি আৰু উৎপাদন ।। ৪৪ ।। কাগজৰ অপচয় প্ৰতিৰোধ ।। ৪৬ ।। নগাঁও ইংৰাজী স্কুল ।। ৪৭ ।। ঢাকা বজাৰৰ কম্বল ।। ৫২ ।। হলধৰ দাৰোগাৰ চাকৰি ।। ৫৩ ।। গণিকা আৰু দেৱদাসী ।। ৫৫ ।। আদালতৰ ভাষা সম্পৰ্কত এজন ব্ৰিটিছ প্ৰশাসক ।। ৫৭ ।। নগাঁও নগৰ ।। ৬১ ।। ফটিকচন্দ্ৰ বৰুৱাৰ বিষয়ে চাৰ্টিফিকেট ।। ৬৫ ।। আদালতী ভাষা-প্ৰসংগত স্পষ্টীকৰণ ।।৬৮।। গুৱাহাটী-ডিব্ৰুগড় টেলিগ্ৰাফ-সংযোগ ।। ৭২ ।। বৰপেটাৰ কুমাৰ আৰু নগাঁৱৰ পাট্টনাদ ।। ৭৪ ।। বৰ্ণ-বৈজ্ঞানিক ৰূপ ।। ৭৬ ।। মেলা চিকাৰ আৰু দিহিঙীয়া গোসাঁইৰ হাতী চিকাৰ ।। ৭৭ ।। কুঁৱলিৰ বিৱৰণ আৰু ভাপ-জাহাজৰ বতৰ ।। ৮০ ।। 'জ্ঞানোদয়' আৰু পদ্মহাস গোস্বামী ।। ৮৩ ।। মহাৰাণী ভিক্টোৰিয়া দৰবাৰ ।।৮৭।। গুণাভিৰাম বৰুৱা-প্ৰসংগ ।। ৯৪ ।।

অসমত শিক্ষাৰ পত্তন

ফোর্ট উইলিয়ামৰ পৰা সদৰ বোর্ডৰ অতিৰিক্ত সচিব চি. ই. ট্ৰেভেলিয়ানে ১৮৩৭ চনৰ ২৭ জুনত বংগ চৰকাৰৰ ৰাজহ বিভাগৰ সচিব আৰ. ডি. মেংগলছলৈ পঠোৱা এখন বিজ্ঞপ্তিৰ পৰা জনা যায় যে চৰকাৰী চাকৰিয়ালৰ সন্তান-সন্ততিবোৰক কলিকতাত শিক্ষা দিয়াটো কিমান বাস্তৱসম্মত হ'ব, সেই বিষয়ে ১৮৩০ চনৰ ১২ আগষ্টত চৰকাৰে ৰাজহ পৰিষদৰ মতামত বিচাৰিছিল। চৰকাৰৰ মতে, হিন্দু কলেজৰ ওচৰতে বোৰ্ডিংঘৰ সাজি হিন্দু ল'ৰাবোৰক শিক্ষা দিব পাৰি, আৰু মুছলমান ল'ৰাবোৰক শিক্ষা দিব পাৰি মুছলমানী (Mohamedan) কলেজত। চৰকাৰৰ বিবেচনাত আন শ্ৰেণীৰ লোকৰ সতি-সন্তানতকৈ জমিদাৰ শ্ৰেণীৰ মানুহৰ সতি-সন্তানক শিক্ষা দিয়াৰ প্ৰয়োজন অধিক। শিক্ষাৰ অভাৱত ভিতৰুৱা অঞ্চলৰ জমিদাৰসকলৰ অজ্ঞতা আৰু কুসংস্কাৰে উন্নতিৰ সকলো ক্ষেত্ৰতে প্ৰতিবন্ধক সৃষ্টি কৰে। কলিকতাত শিক্ষা দিলে তেওঁলোকে যাবতীয় জ্ঞান পোৱাৰ উপৰি তেওঁলোকৰ চিন্তা-ভাৱনাও উদাৰ হ'ব, মনবোৰ মুকলি হ'ব, আৰু কৃষি আৰু সমাজৰ উন্নয়নৰ বেলিকা তেওঁলোক সহায়ক হৈ পৰিব (An education in Calcutta, it is to be hoped, not only be the means of supplying them with useful knowledge, but would liberalize their feelings, enlarge their minds and qualify them to become the instruments of much agricultural and social improvement)।

পিছে, চৰকাৰৰ প্ৰস্তাৱটো কমিছনাৰসকলে পঠোৱাত চৰকাৰে জানিলে যে আঁচনিখন বাস্তৱায়িত কৰাত বাইজৰ আপত্তি। নিজৰ সতি-সন্তানবোৰক কলিকতালৈ পঠোৱাত আত্মীয়-স্বজনৰ আপত্তিৰ কাৰণ হ'ল মাকবোৰৰ পৰা সিহঁতৰ বিচ্ছিন্নতা, কলিকতাৰ দূৰত্ব আৰু অস্বাস্থ্যকৰ পৰিবেশ, নীহকুলীয়া ল'ৰা-ছোৱালীৰ লগত হ'ব পৰা সংসৰ্গ, আৰু হিন্দু কলেজত সোমোৱা মাজিক নীতি-নিয়ম (The reasons usually urged by the rela-

tives of the wards against sending them to Calcutta were the separation from their mothers, the distance and unhealthiness of Calcutta, the association with youth of low caste and the infidel principles imbibed at the Hindu College.)। কলিকতীয়া শিক্ষাই ভেকা জমিদাৰসকলৰ মনত গ্ৰাম্য জীৱনৰ প্ৰতি বিৰাগ উপজাব বুলিও দুজন কমিছনাৰে (W. Money আৰু Stockwell) মত প্ৰকাশ কৰিছিল।

তেনে পৰিস্থিতিত কলিকতালৈ নপঠোৱাকৈয়ে ল'ৰাবোৰক প্ৰকৃত শিক্ষা দিয়াৰৰ বাবে হয় উপযুক্ত শিক্ষক নিয়োগ কৰিবলৈ নতুবা প্ৰত্যেক জিলাৰ প্ৰধান সদৰ ঠাইত পঢ়াশালি (Seminary) পাতিবলৈ চৰকাৰে সিদ্ধান্ত কৰিলে। ল'ৰাবোৰক ভাল শিক্ষা দিয়াব পাৰিলে এসময়ত নিজৰ মানুহখিনিৰ মাজতে সিহঁতৰ শ্ৰেষ্ঠতা ওলাই পৰিব, আৰু সমাজৰ এই শ্ৰেণীটোৰ চিন্তা-চৰ্চাৰ মান সৰ্বত্ৰ উন্নত হ'ব। বিজ্ঞপ্তিখনত কোৱা মতে, তেতিয়াৰ শিক্ষা সমিতিয়ে বংগ আৰু বিহাৰৰ ডাঙৰ ডাঙৰ নগৰবোৰত পঢ়াশালি পাতি সিবোৰত ল'ৰাবোৰক ভৰ্তি কৰোৱাটো চৰকাৰে বিচাৰিছিল। তেনে কৰিবলৈ খিবোৰ স্থলত আপত্তি উঠে, তেনেবোৰ স্থলত সেই পঢ়াশালিবোৰৰ পৰা নিয়মীয়া বেতনত অৰ্হতাসম্পন্ন শিক্ষকক নিযুক্তি দিবলৈ অভিভাৱকসকলক অনুৰোধ জনাব লাগে বুলিও চৰকাৰে কৈছিল। শিক্ষাৰ ক্ষেত্ৰত বোৰ্ডে কমিছনাৰ আৰু কালেক্টৰসকলৰ কৰ্তব্যৰ অংশ হিচাপে তেওঁলোকক এই কামকেইটাত চকু দিবলৈ কলে :—

(১) উপযুক্ত কাৰণ নাথাকিলে, শিক্ষা লাভৰ বাবে প্ৰত্যেকটো ল'ৰাকে চৰকাৰী পঢ়াশালিলৈ অভিভাৱকে যাতে পঠিয়ায়। নিকটাত্মীয় নাইবা যথাৰীতি নিযুক্ত ব্যক্তিৰ তত্বাৱধানত যাতে ল'ৰাটো থাকে, আৰু পঢ়াশালিত যাতে তাৰ দৈনিক উপস্থিতি নিশ্চিত হয়। শিক্ষানুষ্ঠানটোৰ অধ্যক্ষ বা প্ৰধান শিক্ষকজনে (The Principal or Head Master) অনুষ্ঠানটোৰ প্ৰগতিৰ হুমহীয়া খতিয়ান এটা যাতে কালেক্টৰজনলৈ পঠিয়ায়।

(২) কোনোবাটো ল'ৰা চৰকাৰী পঢ়াশালিলৈ যোৱাৰ বিৰুদ্ধে উপযুক্ত কাৰণ থাকিলে ল'ৰাটোৰ নিকটাত্মীয়ৰ দ্বাৰা মনোনীত

আৰু কালেক্টৰৰ দ্বাৰা অনুমোদিত এজন অৰ্হতাসম্পন্ন শিক্ষক নিয়োগ কৰিব । শিক্ষক নিযুক্তিৰ বেলিকা মতানৈক্যই দেখা দিলে কিমিছনাৰৰ সিদ্ধান্তৰ বাবে কমিছনাৰলৈ, আৰু প্ৰয়োজন হলে সদৰ বোৰ্ডলৈ চুপাৰিছ কৰিব । শিক্ষকজনে ল'ৰাটোৰ প্ৰগতিৰ সমহীয়া খতিয়ান দিব লাগিব, আৰু প্ৰত্যেক বছৰৰ শেহত কালেক্টৰে ল'ৰা-টোৰ পৰীক্ষা ল'ব ।

(৩) জিলাখনৰ ল'ৰাবোৰে পঢ়া-শুনাত কিমান উন্নতি লাভ কৰিছে, সেই বিষয়ে কালেক্টৰজনে সদৰ বোৰ্ডলৈ বছৰৰ শেহত একোটা প্ৰতিবেদন পঠিয়াব লাগিব ।

(৪) বাৰ্ষিক ভ্ৰমণত কমিছনাৰজন যেতিয়া জিলা একোখনৰ সদৰ ঠাইত উপস্থিত হ'ব, তেতিয়া তেওঁ জিলাখনৰ আটাইবোৰ ল'ৰাক সদৰ ঠাইত সমবেত কৰোৱাব । ল'ৰাবোৰৰ স্বভাৱ-চৰিত্ৰ সম্পৰ্কে অনুসন্ধান কৰি তেওঁ সিহঁতৰ পঢ়াৰ পৰীক্ষা ল'ব । যিবোৰ ল'ৰাৰ স্বভাৱ-চৰিত্ৰ ভাল, আৰু পঢ়া-শুনাতো যিবোৰে উন্নতি লাভ কৰিছে, সেইবোৰ ল'ৰালৈ কমিছনাৰে কিতাপ বা বিজ্ঞানৰ সা-সঁজুলি বঁটা স্বৰূপে আগবঢ়াব ।

ল'ৰাবোৰে যাতে বয়স হলে স্বতন্ত্ৰীয়াভাৱে নিজৰ মাটি-বাৰী চলাবিব পাৰে, তাৰ বাবে সিহঁতক অংকৰ জ্ঞান দিব লাগিব, আৰু ইংৰাজী আৰু দেশীয় ভাষা সৰসৰীয়াকৈ লিখিব-পঢ়িব পৰা কৰিব লাগিব । ইয়াৰ লগতে সুবিধা হলে বুৰঞ্জী, ভূগোল আৰু বিজ্ঞানৰ প্ৰাথমিক শিক্ষাও (বিশেষকৈ কৃষিৰ উন্নতিৰ লগত জড়িত বিজ্ঞান শিক্ষা) দিব লাগিব (With regard to the kind of education to be given, the first object is to teach the wards those branches of knowledge which will instruct them in the independent management of their Estates when they come to age. A familiar acquintance with arithmetic and a power of reading and writing the English and Vernacular languages with facility are necessary for this purpose, and to this may be added as far as opportunity offert, history, geography and elements of science, particularly of those parts of

science which have a reference to agricultural improvement,) ।

১৮৩৭ চনৰ ৩১ আগষ্টত অসমৰ ৰেভিনিউ কমিছনাৰ ফ্ৰেন্‌চিছ জেন্‌কিন্‌ছে জিলাবোৰৰ কালেক্টৰসকলক সদৰ ৰেভিনিউ বোৰ্ডে সেই চনৰ ১ আগষ্টত পঠোৱা এখন বিজ্ঞপ্তি যোগে জনালে যে দেশীয় লোকৰ সন্তান-সন্ততিবোৰে যথোচিত শিক্ষা লাভ কৰাৰ আঁচনি লব লাগে (a plan for securing a proper education to the public wards) । লগতে, জিলাখনৰ মুখিয়াল বাসিন্দাসকলৰ অৰ্থাৎ ৰজা, পাটগিৰি আৰু অন্যান্য প্ৰধান প্ৰধান দেশীয় সম্ভ্ৰান্ত লোকসকলৰ সন্তান-সন্ততিক ভাল শিক্ষা দিবৰ বাবে জিলাৰ সদৰত একোখন স্কুল স্থাপন কৰিব লাগে (to provide a superior education for the children of the Principal inhabitants into consideration with a view to erect a school at your station for the education of the children of the Rajas, Patgiries and the other Principal native gentry.) । কাৰণ, ল'ৰা-ছোৱালীক কলিকতালৈ নপঠিওৱাকৈয়ে ব্যক্তিগত শিক্ষক নিয়োগ কৰি বা প্ৰত্যেক জিলাৰ সদৰ ঠাইবোৰত পঢ়াশালি স্থাপন কৰি ল'ৰা-বোৰক প্ৰকৃত শিক্ষা দিয়াৰ বিষয়ে বংগ চৰকাৰৰ সচিব আৰ. ডি. মেংগল্‌ছে জনাইছে ।

নগাঁৱত শিক্ষাৰ আদিপৰ্ব

ঊনবিংশ শতিকাৰ চতুৰ্থ দশকৰ শেহৰ ফালে নগাঁও জিলাৰ স্থানাপন্ন অধিপতি আছিল ব্ৰোডি চাহাব (Ensign T. Brodie, Officiating Collector । জিলাখনৰ মানুহক সাধাৰণ শিক্ষা দিবলৈ ১৮৩৭ চনত ব্ৰোডিয়ে জিলাৰ সদৰত আৰু অন্যান্য ঠাইত কেইখনমান স্কুল স্থাপন কৰাৰ আঁচনি তৰিলে (Plan for the establishment of schools for the instruction of the people in "the simple rules of arithmetic, reading and writing") । সদৰ ৰেভিনিউ বোৰ্ডে ব্ৰোডিৰ আঁচনিত অনুমোদন জনালে । সেই অনুমোদন বংগ গৱৰ্ণৰে কাৰ্যকৰী কৰিব পাৰিব বুলি (···this Lordship is happy to be able to comply with the recommendation of the Board) সচিব মেংগল্‌ছে (Ross D. Mangles, Secretary to the Governor of Bengal) সদৰ ৰেভিনিউ বোৰ্ডৰ স্থানাপন্ন অতি-ৰিক্ত সচিব ট্ৰেভেলিয়ানলৈ (C. E. Trevelian, Officiating Additional Secretary to the Sudder Board of Revenue) ১৮৩৭ চনৰ ১ আগষ্ট তাৰিখে লিখিলে, আৰু স্কুল পতা আঁচনি ৰূপায়িত কৰিবলৈ ব্ৰোডিক কৰ্তৃত্ব দিলে । আঁচনি মতে ব্ৰোডিয়ে নগাঁও জিলাৰ সদৰত ১৫০ টকাৰে এখন স্কুল স্থাপন কৰিব পাৰিব, আৰু তাত নিযুক্ত দুজন শিক্ষকৰ বেতন বাবদ মাহিলি গাইপতি ১৫ টকাকৈ মুঠ ৩০ টকা খৰচ কৰিব পাৰিব । সদৰৰ স্কুলখনৰ অধীনত স্থাপিত হ'ব ১২ খন স্কুল । সেই কেইখন স্কুলৰ বাবে শিক্ষক যোগান ধৰিব সদৰ স্কুলেই । সেই শিক্ষকসকলৰ প্ৰত্যেকেই মাহিলি দৰমহা পাব ৫ টকাকৈ । এসময়ত ওচৰৰ মানুহখিনিয়ে স্কুলবোৰ বৰ্তি থকাটো বিচাৰিব, আৰু তেতিয়া তেওঁলোকে নিজে নিজে স্কুলখন সাজিব । গোটেই আঁচনিখন বাস্তৱায়িত হ'লে মাহিলি খৰচ হ'ব ৯০ টকা (The aggregate expenses, when the whole scheme is in operation, is stated to be Rs. 90 per mensem.) ।

মোফিট চাহাবৰ উপৰোক্ত আঁচনিৰ বাস্তৱায়ন ৰাজহ বিভাগৰ ১৮৪০ চনৰ বাৰ্ষিক প্ৰতিবেদনত প্ৰতিফলিত হৈছে। ভেটিয়াৰ নগাঁৱৰ স্থানাপন্ন কালেক্টৰ আই. জে. গৰ্ডনে লিখি থৈ গৈছে এনেকৈ : জিলাখনত শিক্ষাৰ সম্প্ৰসাৰণ ঘটাটো সুখৰ কথা। শিক্ষাৰ সুফলবোৰৰ কথা ৰাইজে উপলব্ধি কৰিছে, আৰু স্কুলঘৰ নিৰ্মাণ কৰাৰ মোলটো বুজি পাইছে। জিলাখনৰ উপযুক্ত ঠাইত কেইবাখনো স্কুল স্থাপিত হৈছে; তাত শিক্ষাৰ্থীৰ মুঠ সংখ্যা ৩৬৬। চৰকাৰে বাৰ্ষিক মঞ্জুৰি হিচাপে দিয়া এশটা টকাৰে প্ৰাথমিক কিতাপ কিনি যোগান ধৰা হৈছে। এই মঞ্জুৰিয়ে বিদ্যাশিক্ষাৰ বেলিকা প্ৰচুৰ উৎসাহ যোগোৱাৰ উপৰি শিক্ষাৰ সম্প্ৰসাৰণ ঘটাত বৰ সহায় কৰিছে। স্কুলঘৰৰ সংখ্যা বঢ়োৱাত আৰু পূৰ্বে প্ৰতিষ্ঠা কৰা স্কুলবোৰ পৰিচালনা কৰাত একমাত্ৰ বাধা হ'ল অৰ্হতাসম্পন্ন শিক্ষকৰ অভাৱটো। মফচলৰ স্কুল-শিক্ষকক বৰ্তমান দি থকা মাহিলি ৫ টকীয়া দৰমহাৰে এই অসুবিধাটো আঁতৰাব পৰা নাযায়। এতিয়া-লৈকে যিখিনি শিক্ষিত বঙালী মানুহ আছে, তেওঁলোকৰ নিচেই কম সংখ্যককহে কামটোত লগাব পাৰি। কিন্তু গৰ্ডনৰ বিশ্বাস যে কালক্ৰমত অসমীয়া শিকাৰুসকলৰ মাজৰ পৰাই বঙালীসকলৰ সমান অৰ্হতাসম্পন্ন লোক ওলাব, আৰু গাঁৱৰ স্কুল-মাষ্টৰৰ যাবতীয় কৰ্তব্যখিনি তেওঁলোকৰ ওপৰতে অৰ্পিত হ'ব ("...but I trust that in the course of time, a class will be raised up from among the Assamese scholars equally qualified. and far more popular to undertake the important duties which are devolved upon the village school masters.")।

১৮৪১ চনৰ ১৩ মাৰ্চ তাৰিখে গৰ্ডনে দিয়া প্ৰতিবেদন মতে ১৮৪০ চন বছৰটোৰ দ্বিতীয়টো ভাগত নগাঁৱৰ বিভিন্ন মৌজা বা মহলত স্কুল আছিল মুঠতে ১১ খন। সেই মৌজা বা মহলকেইটা হ'ল—১। নগাঁও সদৰ (স্কুল ২ খন) ২। পানীগাঁও ৩। ৰহা চকী ৪। বামুণী মিকিৰ মহল ৫। ৰহা চমুৱা গাঁও ৬। কলীয়াবৰ ৭। ডবকা-যমুনা ৮। জাগী চকী ৯। মৰঙী ১০। দাঁতপাৰ ১১। বটাজিৰীবী (কঠালিমাৰী?)। নগাঁও সদৰ স্কুলত ১৮৪০ চনত শিক্ষকতা কৰা লোককেইজন আছিল লক্ষ্মীকান্ত সেন (Lukeekant Sen),

গুণেশ্বৰ শৰ্মা (Gooneswar) আৰু দুৰ্গাপ্ৰসাদ শৰ্মা (Doorga Pursad Sarma)। পানীগাঁৱত শিক্ষক আছিল বিশ্বম্ভৰ ঘোষ (Bisumbhur Ghose). ৰহাত বিনোদ কাকতী (Benut Kaguttee), ৰামুণীত দেৱী প্ৰসাদ (Davee Persaud), চমুৰাগাঁৱত মণি বৰা (Moonee Bura), কলীয়াবৰত (শাকমুঠি) পৰশুৰাম ডেকাবৰা (Pursooram Dekabura), ডবকাত নাৰায়ণ (Narain), জাগী চকীত ৰামকানাই বেনাৰ্জী। মৰঙী, দাঁতিপাৰ আৰু বটালিমাৰী স্কুলৰ বিপৰীতে কোনো শিক্ষকৰ নাম নাই, ছাত্ৰ-সংখ্যাৰো উল্লেখ নাই। প্ৰতিবেদনত দেখুওৱা মতে, ১৮৪১ চনত নগাঁও সদৰ স্কুলৰ মুঠ ৭৩ জন শিক্ষাৰ্থীৰ ভিতৰত ব্ৰাহ্মণ ৮, অন্যান্য হিন্দু ৫৫ (এইসকলৰে ৩১ জন আছিল আহোম সম্প্ৰদায়ৰ), মুছলমান ৮, কছাৰী ২। সদৰৰ আনখন স্কুলৰ মুঠ শিক্ষাৰ্থী আছিল ৪০ জন (ব্ৰাহ্মণ ১০, অন্যান্য হিন্দু ২৭, মুছলমান ১, কছাৰী ২)। পানীগাঁও স্কুলৰ ১১১ জন শিক্ষাৰ্থীৰ যথাক্ৰমে ১৫, ৮৩, ১১ আৰু ২ জন উল্লিখিত সম্প্ৰদায়সমূহৰ। ৰহা চকী স্কুলৰ ৫০ জন শিক্ষাৰ্থীৰ (ব্ৰাহ্মণ ৫, অন্যান্য হিন্দু ৪৩, কছাৰী ২) ৭ জন আছিল কৈৱৰ্ত সম্প্ৰদায়ৰ, ৪ জন আহোম আৰু লালুং (তিৱা) সম্প্ৰদায়ৰ। আনকেইখন স্কুলত ব্ৰাহ্মণ সম্প্ৰদায়ৰ ছাত্ৰ নাছিলেই। প্ৰতিখন স্কুলৰ ছাত্ৰ সংখ্যা হ'ল যথাক্ৰমে মিকিৰ মহলত ১০, চমুৰা গাঁৱত ৩৪, কলীয়াবৰত ৩০ (কলীয়াবৰ স্কুল স্থাপিত হৈছিল ১৮৪০ চনৰ ৩১ জুলাইত), ডবকা-যমুনাত ১৩ (স্থাপিত হৈছিল ১৮৪০ চনৰ ২০ অক্টোবৰত)। জাগী চকী স্কুলৰ প্ৰতিষ্ঠাকাল ১৮৪১ চনৰ ১৮ ফেব্ৰুৱাৰী। মৰঙী, দাঁতিপাৰ আৰু বটালিমাৰী মৌজাত ১৮৪১ চনৰ ১৩ মাৰ্চলৈকে স্কুল স্থাপিত হোৱাই নাছিল। প্ৰতিবেদনখনৰ মন্তব্যৰ স্তম্ভত দেখুওৱা মতে শিক্ষক যোগাৰ কৰিব পাৰিলেই সেইকেইটা মৌজাত স্কুল স্থাপন কৰাৰ কথা (To be established as soon as teachers can be procured.)। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৮৪১ চনত ৰচিত উইলিয়াম ৰবিন্‌ছনৰ 'এ ডেস্ক্ৰিপ্‌টিভ একাউণ্ট অফ আছাম'[১] গ্ৰন্থত দৰং আৰু নগাঁৱৰ স্কুলবোৰত

১. A Descriptive Accounts of Assam; Sanskaran Prakashak, 1975, P. 278

ছাত্ৰৰ উপস্থিতি অতি কম, আৰু শিক্ষাৰ মান অতি নিম্ন বুলি কোৱা হৈছে (…but the number of pupils that usually attend them is very small, and the general standard of proficiency very low.)।

১৮৪২ চনৰ ১ জানুৱাৰীত ৰেভিনিউ কমিছনাৰ জেন্‌কিন্‌ছলৈ পঠোৱা বাৰ্ষিক প্ৰতিবেদনত গৰ্ডনে নিজে স্থাপন কৰা আৰু পৰিদৰ্শন কৰা এখন স্কুলৰ অসমীয়া ল'ৰাবোৰৰ বুদ্ধি-বৃত্তিৰ প্ৰশংসা কৰিছে (I have had many opportunities of observing the intelligence and aptitude to learn in the Assamese youth.)। স্কুলখনত ছাত্ৰৰ দৈনিক উপস্থিতিৰ গড় সংখ্যা ৩০-ৰ পৰা ৪০-লৈ। শিক্ষা-দানৰ বিভিন্ন অসুবিধা সত্ত্বেও কিছুমান ল'ৰাৰ নিপুণতা ৰব গণ্য কৰিবলগীয়া (…the proficiency of several, with very imperfect means of instruction, is very considerable)। তেওঁলোকে দুটা ভাষাৰ জ্ঞান লাভ কৰিছে, সৰ্‌সৰীয়াকৈ পঢ়িব পাৰিছে, আৰু শিকা কথাখিনিৰ অৰ্থ নিজা মাতৃভাষাত বুজাই দিব পৰা হৈছে। উপযুক্ত অৰ্হতাসম্পন্ন শিক্ষক পালে প্ৰচুৰ উন্নতি হ'ব। গৰ্ডনে কোৱা মতে, অসমত শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ (ব্ৰিটিছৰ) কৰণীয় বহুত। কাৰণ, তেওঁৰ বিশ্বাস, ইমান অজ্ঞতা নাইবা এনে নৈতিক অৱনতি অসমৰ বাহিৰে ব্ৰিটিছ সাম্ৰাজ্যৰ কতোৱেই নাই (…daily experience proves that there is much to be done, for I believe that there are few portions of our empire where so much ignorance exists or where such moral degradation abounds.)।

গৰ্ডনে কোৱা মতে, ১৮৪১ চনৰ ১৬ আগষ্টৰ পৰা স্কুললৈ যোৱা ল'ৰাৰ সংখ্যা বাঢ়িছে। কিন্তু সেই বৃদ্ধি বোলে অসমীয়াৰ উন্নতিৰ প্ৰমাণ নহয়, নাইবা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে লোৱা যত্নৰ কথা বাইজে বাককৈয়ে উপলব্ধি কৰিছে বুলিও বোলে সেই কথাই প্ৰমাণ নকৰে। তেতিয়া থকাতকৈ ভাল শিক্ষকৰ যোগান ধৰিব পৰা হ'লে, আৰু শিক্ষকতাত নিযুক্ত মানুহখিনিয়ে মনোযোগেৰে নিজৰ কৰ্তব্য পালন কৰা হ'লে শিক্ষা-ক্ষেত্ৰত কৰা প্ৰচেষ্টা অধিক ফলপ্ৰসূ হ'লহেঁতেন। সেয়ে নোহোৱা বাবে গৰ্ডনে দুখ প্ৰকাশ

কৰিছো । ৰহা আৰু বামুণী স্কুলত নিযুক্ত শিক্ষক দুজনৰ সম্পূৰ্ণ অৱহেলাৰ বাবে সেই দুজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ মই বাধ্য হৈছো (In two incidences of gross negligence. I have been obliged to remove those who were attached to the Raha and Bamunee) । ৰহা স্কুলৰ শিক্ষক আছিল ৰাপন কাকতী, বামুণী স্কুলৰজন আছিল প্ৰাণকৃষ্ণ দত্ত (Pran Kristo Datta) । আপাততঃ এজন অসমীয়া, আনজন বঙালী । সংশ্লিষ্ট বছৰটোত দুয়োখন স্কুলতে ছাত্ৰ আছিল মুঠেই ৫ জনকৈ । ডবকা-যমুনা স্কুল আৰু জাগী চকী স্কুলতো ছাত্ৰ আছিল ৬ জনকৈ । অন্যান্য কোনোখন স্কুলৰে ছাত্ৰসংখ্যা ইমান কম নাছিল । সৰ্বাধিক ছাত্ৰসংখ্যা (৬১ জন) আছিল সদৰ স্কুলত । শিক্ষক আছিল তাত গুণেশ্বৰ শৰ্মা । ৰহা, বামুণী আৰু ডবকা স্কুলৰ বাহিৰে সৰ্বনিম্ন ছাত্ৰসংখ্যাৰ (২৩) স্কুল আছিল চমুৱা গাঁও । সেই স্কুলৰ শিক্ষক আছিল মণি বৰা । মন কৰিবলগীয়া কথা যে ৰহা চকী স্কুলৰ বাহিৰে কম ছাত্ৰ থকা আন তিনিখন স্কুলৰ শিক্ষক আছিল বঙালী লোক । (বামুণীত প্ৰাণকৃষ্ণ দত্ত, ডবকা-যমুনাত কালীশংকৰ, জাগী চকীত ৰামকানাই বেনাৰ্জী) ।

অসমৰ স্কুলবোৰৰ সকলোতে শিক্ষাদানৰ পদ্ধতিটো একে-আগী কৰিবৰ কাৰণে, আৰু আটাইবোৰ স্কুলকে একে সজাগ প্ৰক্ৰিয়াৰৈলৈ আনিবৰ কাৰণে ১৮৪১ চনত গুৱাহাটী স্কুলৰ প্ৰধান শিক্ষক উইলিয়াম ৰবিন্‌ছনক চৰকাৰে স্কুল-পৰিদৰ্শক (Inspector of Government Schools) নিযুক্ত কৰিলে ।[২] তেতিয়াৰ পৰাই অসমৰ শিক্ষা-ক্ষেত্ৰত ৰবিন্‌ছন যুগ আৰম্ভ হ'ল বুলিব পাৰি ।

ৰবিন্‌ছনে স্কুল-পৰিদৰ্শক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ চতুৰ্থটো বছৰতে (১৮৪৪) বংগৰ গৱৰ্ণৰৰ সিদ্ধান্তক্ৰমে অন্ততঃ দুটা নতুন কাম কৰিবলগীয়া হ'ল । এটা, দেশীয় স্কুলত নিয়োগ কৰিবলগীয়া শিক্ষক যাতে চৰকাৰী স্কুলৰ পৰা উত্তীৰ্ণ হোৱা প্ৰখ্যাত ছাত্ৰ হয় (…the employment of distinguished scholars from the Government schools in the public schools in preference to others). তালৈ চকু দিব লাগিব, আৰু আনটো,

২। মুইৰা ঃ *Political History of Assam*, Vol. I, P. 109.

তিনি মাহৰ মূৰে মূৰে নিৰ্ধাৰিত তাৰিখত একো একোটা প্ৰতিবেদন দাখিল কৰিব লাগিব (and make the periodical Returns therein directed to me at the dates specified) । এই নিৰ্দেশ জেন্‌কিন্‌ছৰ পৰা ৰবিন্‌ছনে পাইছিল ১।১১।১৮৪৪ তাৰিখে। জেন্‌কিন্‌ছৰ নিৰ্দেশানুযায়ী ৰবিন্‌ছনে কাম কৰি গ'ল।

১৮৫১ চনৰ ২৩ জুলাইত নগাঁও স্কুলৰ ল'ৰাবোৰৰ পৰীক্ষা লৈ ৰবিন্‌ছনৰ যি অভিজ্ঞতা হ'ল, সেই কথা দুখেৰে সৈতে নগাঁৱৰ কালেক্টৰ জন বাট্‌লাৰলৈ তেওঁ ২৪ জুলাইত লিখিলে। আগৰ বছৰতকৈ সেই বছৰ ল'ৰাবোৰ আগবঢ়াৰ সলনি পিছুৱাইছে (...retrograded rather than improved during the past year)। দৈনিক উপস্থিতিও কমি আহিল। ৰবিন্‌ছনৰ মতে তাৰ প্ৰধান কাৰণ স্কুলখনৰ শিক্ষক ৰুদ্ৰৰাম কাকতীৰ অৱহেলা আৰু অযোগ্যতা (the negligence and inefficiency of the teacher Rudraram Kagoti)। সেইবাবে শিক্ষকজনক ৰবিন্‌ছনে তাৰ পৰা আঁতৰাই তেওঁৰ ঠাইত সেইদিনা (২৪ জুলাই ১৮৫১) বিশ্বনাথ দত্ত নামৰ এজনক নিয়োগ কৰিলে। নগাঁৱত স্কুলঘৰ এটাৰ অভাৱৰ কথাও কালেক্টৰ বাট্‌লাৰৰ দৃষ্টিগোচৰ কৰালে ৰবিন্‌ছনে। তেতিয়ালৈকে চালি এখনৰ তলত বহা স্কুলখনৰ ওপৰৰ চাকনিখনো তেতিয়া নাছিল। গতিকে ৰবিন্‌ছনে বাট্‌লাৰক পৰামৰ্শ দিলে স্কুলখন সদায় দাৰোগাজনৰ তদাৰকত থকাকৈ থানাৰ ওচৰতে নতুন ঘৰ এটা সাজিবলৈ (I beg to suggest that a new building be erected near the Thanah. so that the school may always be under the supervision of the Darogah)। লগতে তেওঁ জনালে যে স্কুলখনৰ বেলিকা মৌজাদাৰ বিষয়া (মৌজাদাৰ) জনে অলপো মনোযোগ দিয়া নাই। আনহাতে, ল'ৰাবোৰ স্কুললৈ অহাত তেওঁ বাধাহে দিছে। মৌজাদাৰজন যদি সঁচাকৈয়ে মাজে-সময়ে স্কুলখনলৈ আহিলহেঁতেন, তেন্তে স্কুলখনৰ মান ইমান নিম্নগামী নহ'লহেঁতেন।

১৮৫১ চনৰ ৫ আগষ্টত নগাঁৱৰ কালেক্টৰ বাট্‌লাৰৰ লগত হোৱা, ব্যক্তিগত কথা-বতৰাত নগাঁৱত দুখন নতুন স্কুল স্থাপিত হোৱাৰ কথা বাট্‌লাৰে ৰবিন্‌ছনক কৈছিল। ক্ৰমে এখন হ'ল চোপাকুছি স্কুল, আনখন ঘাঁহী বেবেজীয়া (Gai Bebejia)।

স্কুল দুখন স্থাপিত হোৱাৰ কথা ৫ আগষ্টত জানিলেই ৬ আগষ্টত স্কুল দুখনৰ বাবে দুজন শিক্ষকক নিযুক্তি দিলে । টোপাকুছি স্কুলৰ সেই প্ৰথম শিক্ষকজন হ'ল জাতিৰাম, আৰু যাঁহী বেবেজীয়া স্কুলৰ প্ৰথম শিক্ষকজন হ'ল বিকাৰাম ডেকা । দুয়োজনে তত্তালিকে কামত যোগ দিয়াটো ৰবিনচনে বিচাৰিলে (I have this day appointed Jatiram to Topakuchi and Bikaram Deka to Gai Bebejia, and desired them to enter on their duties immediately.) ।

১৮৫৪ চনৰ ৩১ অক্টোবৰত ৰবিনচনে জেনকিনচলৈ পঠোৱা বাৰ্ষিক প্ৰতিবেদনত নগাঁৱৰ নাৰিকলি স্কুলৰ বিষয়ে লিখিছিল যে তেওঁ ১ আগষ্টত তালৈ যাওঁতে স্কুলৰ শিক্ষকজন (ঘিনাইৰাম) উপস্থিত নাছিল । পিছদিনাও তাতে থাকি ৰবিনচনে ল'ৰাবোৰক গোট খুৱাবলৈ যত্ন কৰিলে । কিন্তু তেওঁ বিফল হ'ল । তেওঁ এই কথাও জানিলে যে কেইবাসপ্তাহো ধৰি ঘিনাইৰাম কামলৈ অহা নাই (I was at this place on the 1st of August, and found the teacher absent. I stayed over the following day also, and made an attempt to collect the boys together, but without success, and was informed that the teacher, Ghinairam, had really not done any duty for weeks past.) ।

ৰবিনচনৰ প্ৰতিবেদনৰ এই ছেদটো উদ্ধৃত কৰি জেনকিনচে নগাঁৱৰ কালেক্টৰলৈ ১৮৫৪ চনৰ ১০ নৱেম্বৰত লিখিলে যে নাৰিকলি স্কুলৰ শিক্ষক ঘিনাইৰামক মতাই আনি কৰ্তব্যত অমনোযোগিতাৰ কৈফিয়ৎ তলব কৰিব লাগে । যদিহে সন্তোষজনক কৈফিয়ৎ দিব নোৱাৰে, তেনেহ'লে তেওঁক তত্তালিকে কামৰ পৰা বৰ্খাস্ত কৰিব লাগে (...that you will be good enough to discharge him at once.) ।

১৮৫৫ চনৰ ৮ এপ্ৰিলত ৰবিনচনে গংগা খালৰ বিবৰণ থকা ('Naration of the Ganges Canal') কিতাপ এখনৰ ৬২ টা কপি নগাঁৱৰ কালেক্টৰ মাৰ্ফতে পঠিয়াইছিল জিলাৰ চৰকাৰী স্কুলকেইখনত থকা পুথিভঁৰালকেইটাত বিতৰণ কৰিবৰ বাবে (...distributing them among the libraries in

connection with the Government schools) । কিতাপখনৰ ভাষা আছিল বঙলা । ১৬ এপ্ৰিলত কালেক্টৰ বাট্লাৰে ৰবিন্‌ছনক জনালে যে জিলাখনত পুথিভঁৰাল এটাও নাই, আৰু স্কুলকেইখনবো কোনোবা এখনতহে কেইখনমান কিতাপ আছে (there is not a single library in the district and only a few books in any of the schools) । পতিকে কিতাপকেইখন কি কামত লগাব, সেই কথা ৰবিন্‌ছনে জনাব লাগে । ১৯ এপ্ৰিলত ৰবিন্‌ছনে জনালে যে শিক্ষকসকলে অন্যান্য কিতাপৰ লগতে ৰাখিবৰ বাবে অনুৰোধ জনাই সেই কিতাপখনৰ একো একোটা কপি জিলাৰ প্ৰত্যেকখন চৰকাৰী স্কুললৈ পঠিয়াব লাগে । সেই কিতাপখন পাঠ্যপুথিৰূপে ব্যৱহাৰ কৰিবলৈ পঠোৱা নাই, শিক্ষক আৰু ওপৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে আজৰি সময়ত পঢ়িবৰ বাবেহে পঠোৱা হৈছে (They are not intended to be used as class books, but are sent for the perusal of masters and senior scholars out of school hours) ।

প্ৰসংগক্ৰমে আন এটা কথা ক'ব পাৰি । জেন্‌কিন্‌ছেও ১৮৫৫ চনৰ ১৩ এপ্ৰিলত বঙলা ভাষাৰ কিতাপ কেইখনমান বিক্ৰী কৰিবৰ বাবে বাট্লাৰলৈ পঠিয়াইছিল । বাট্লাৰে কিতাপকেইখন বিক্ৰী কৰি পোৱা ৫ টকা ৬ অনা ২৫ এপ্ৰিলত জেন্‌কিন্‌ছলৈ পঠিয়ালে । কিন্তু জেন্‌কিন্‌ছলৈ লিখা চিঠিত বাট্লাৰে এই বুলিহে জনালে যে স্কুলৰ কোনো ল'ৰাই কিতাপকেইখনৰ একপিও কিনা নাই । যি কেইটা কপি বিক্ৰী হ'ল, সেইকেইটা এজন সদৰ আমীন আৰু এজন মুন্‌চেফেহে কিনিছে । তেওঁলোক দুজনৰ এজন বঙালী, আনজন অসমীয়া । বাট্লাৰে লিখিলে যে মানুহখিনিক যদিহে শিক্ষিত কৰিব খোজা হৈছে, তেন্তে স্কুলবোৰত বিনামূলীয়াকৈ অসমীয়া কিতাপৰহে যোগান ধৰিব লাগে (The schools require to be furnished Assamese books free of cost if one wish to be successful in educating the people) । জেন্‌কিন্‌ছৰ চিঠিখনৰ আন এটা ছেদৰ সম্পৰ্কত বাট্লাৰে জনালে যে কিতাপ কিনিবৰ বাবে মঞ্জুৰ কৰা টকা তেওঁৰ কাৰ্যালয়ত জমা হৈ থকা নাই । জিলাখনৰ স্কুলবোৰৰ ব্যৱহাৰোপযোগী কিতাপ কিনিবৰ নিমিত্তে বংগ চৰকাৰৰ সচিবে এপ্ৰিল মাহত এখন চিঠি

(নং ৩০০) যোগে এশটা টকা মঞ্জুৰ কৰিছে । টকাকেইটা যদিহে তেওঁৰ জিম্মাত থাকিলহেঁতেন, তেনেহ'লে তেওঁ অতি দৰকাৰী অসমীয়া কিতাপখিনি বিচাৰি আনি যোগান ধৰিলেহেঁতেন (…if it was placed at my disposal, I could procure and supply Assamese books which are much required) ।

জিলাখনৰ শিক্ষাৰ এই আদি পৰ্বটোৰ শেহৰ অধ্যায়টো নগাঁৱৰ প্ৰধান বিষয়া (Principal Assistant Commissioner) মেজৰ জন বাট্‌লাৰৰ দিনতে ৰচিত হৈছিল । পিছে অধ্যায়টোৰ প্ৰকৃত ৰচক বাট্‌লাৰ নহয়, আনন্দৰাম ঢেকিয়াল ফুকনহে । জিলাখনত ব্ৰোডিয়ে স্কুল স্থাপন কৰিলে, গৱৰ্ণৰে তদাৰক-সম্প্ৰসাৰকৰ ভূমিকা ললে, আৰু বাট্‌লাৰ হ'ল এই নতুন অধ্যায়টোৰ পৃষ্ঠপোষক-অনুপ্ৰেৰক । স্থানীয় মানুহখিনিৰ মাজত শিক্ষা বিস্তাৰত আৰু বঙলা ভাষাৰ পৰিবৰ্তে শিক্ষানুষ্ঠানসমূহত অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাপন সম্পৰ্কত জন বাট্‌লাৰৰ মনোভংগী ১৮৫৫ চনৰ এপ্ৰিল মাহৰ ২৪ তাৰিখে তেওঁ ক্লেন্‌চিছ জেন্‌কিন্‌ছলৈ লিখা উপৰোক্ত চিঠিখনৰ অংশবিশেষতে প্ৰকাশ পাইছে । বাট্‌লাৰে তেওঁৰ উপ-সহকাৰী বিষয়া (Sub-Assistant Commissioner) আনন্দৰাম ঢেকিয়াল ফুকনক ১৮৫৫ চনৰ ৪ মে' তাৰিখে নগাঁও জিলাৰ স্কুল-সমূহ পৰিদৰ্শন কৰি প্ৰতিবেদন এটা দিবলৈ দায়িত্ব দিলে । সেই চনৰ ৩০ জুনত আনন্দৰামে পৰিদৰ্শন-প্ৰতিবেদনটো দাখিল কৰিলে । ৫ জুলাই তাৰিখে বাট্‌লাৰে আনন্দৰামৰ প্ৰতিবেদনটো ক্লেন্‌চিছ জেন্‌কিন্‌ছলৈ পঠিয়াই সংপ্ৰেৰক পত্ৰখনত আনন্দৰামৰ লগত নিজৰ ঐকমত্য প্ৰকাশ কৰি লিখিলে এইবুলি : "ছাব এছিষ্টেণ্টজনৰ মতৰ লগত মই সম্পূৰ্ণ একমত যে ল'ৰাবোৰক প্ৰথমতে মাতৃভাষা অসমীয়াত শিকোৱাটো একান্ত প্ৰয়োজন (that the boys should be first taught in their mother tongue Assamese)…, আৰু যদিহে আমি সৰহখিনি মানুহক শিক্ষা দিয়াত সফল হ'ব খোজোঁ, তেনেহ'লে আমি শিৱসাগৰৰ মাৰ্কিন বেপ্তিষ্ট মিছনেৰী প্ৰেছৰ পৰা অসমীয়া পাঠ্যপুথি আনিব লাগিব (and if we wish to be more successful in educating the people, we ought to procure Assamese books of instruction from the American Baptist Missionary press at Seebsaghur.)" ।

চৰকাৰী বন্ধৰ তালিকা

১৮৩৭ চনৰ ২০ জুনত সদৰ ৰেভিনিউ বোৰ্ডৰ অতিৰিক্ত সচিবৰ পৰা অসমৰ ৰেভিনিউ কমিছনাৰলৈ এখন বিজ্ঞপ্তি (নং ৫৫) আহিল। বিজ্ঞপ্তিখনৰ লগতে বংগৰ সদৰ দেৱানী আদালত, মফচল আদালত, মালখানা আৰু বেংকৰ চৰকাৰী বন্ধৰ তালিকা এখনো পঠোৱা হৈছিল। তালিকাখনত থকা বন্ধৰ উপলক্ষ্য আৰু দিনবোৰ আছিল এনেকুৱা—

খ্ৰীষ্টিয়ান, মুছলমান আৰু হিন্দু শিতানত মুঠ ৫৫ দিন (নিউ ইয়াৰ্ছ ডে ১, গুড ফ্ৰাইডে ১, খ্ৰীষ্ট্‌মাছ ডে ১, ছান ডে ৫২)। হিন্দু আৰু মুছলমান শিতানত ৫৩ দিন (মকৰ সংক্ৰান্তি ১, শ্ৰীপঞ্চমী ১, শিৱৰাত্ৰি ১, দৌলযাত্ৰা ২, বাৰুণী ১, শ্ৰীৰামনৱমী ১, চড়ক পূজা ১, দশহৰা ১, স্নানযাত্ৰা ১, ৰথযাত্ৰা ১, ৰাখী পূৰ্ণিমা ১, জন্মাষ্টমী ২, অনন্ত ব্ৰত ১, মহালয়া ১, দুৰ্গা পূজা ৩১, কালী পূজা ২, ভ্ৰাতৃ দ্বিতীয়া ১, ৰাসযাত্ৰা ১, কাতিক পূজা ১); মুছলমান আৰু হিন্দু শিতানত ২২ দিন (সবেবৰাত ১, ঈদ ২, বকৰ ঈদ ২, মহৰম ১৫, আখেৰি চাহাৰা চুম্বা ১, বাউৰে বাফা ১)। বছৰটোত মুঠতে বন্ধ ১৩০ দিন। ইয়াৰ ভিতৰত বেংক বন্ধ আছিল দেওবাৰ ধৰি মুঠ ৭১ দিন, মালখানা (Treasury) বন্ধ আছিল ৮৯ দিন, মফচল আদালত বন্ধ আছিল ৯৭ দিন। সদৰ দেৱানী আদালতৰ বাবেহে মুঠ নিৰ্ধাৰিত বন্ধ ১৩০ দিন।

উল্লিখিত বন্ধবোৰৰ ভিতৰত এটা ধৰ্মীয় সম্প্ৰদায়ৰ বাবে দিয়া বন্ধ অন্যান্য ধৰ্মীয় সম্প্ৰদায়ক কি ধৰণেৰে উপভোগ কৰিবলৈ দিয়া হয় (how far the holidays of one religion are allowed to be enjoyed by the followers of the other religions) আৰু বাইজৰ ইচ্ছা-আকাংক্ষালৈ চাই কিমান কম সংখ্যক বন্ধ দিব পাৰি, সেই কথা সদৰ ৰেভিনিউ বোৰ্ডক জনাবৰ বাবে অসমৰ ৰেভিনিউ কমিছনাৰ জেন্‌কিন্‌ছে নগাঁৱৰ জেভিয়াল ছ্যানাপতি কালেক্টৰ ব্ৰোডিৰ (Ensign T. Brodie) পৰা তালিকা এখন বিচাৰিলে (... a list of holidays which ought in

your opinion to be allowed, limiting them to as small a number as a just consideration for the wishes of the Public will permit.) । ৰোজিয়ে দেখুওৱা বন্ধৰ তালিকাখন আছিল এনেকুৱা—খ্ৰীষ্টান ধৰ্মীসকলৰ ৫৫ দিন (নিউ ইয়াৰ্ছ ডে ১, গুড ফ্ৰাইডে ১, খ্ৰীষ্টমাছ ডে ১, ছান ডে ৫২), হিন্দু ধৰ্মীসকলৰ ৩৪ দিন (শ্ৰীপঞ্চমী ২, শিৱৰাত্ৰি ২, দোলযাত্ৰা ৩, বাৰুণী ১, চড়ক পূজা ২, শ্ৰীৰাম নৱমী ১, দশহৰা ১, স্নানযাত্ৰা ১, ৰথযাত্ৰা ১, উল্টোৰথ ১, ৰাখী পূর্ণিমা ১, জন্মাষ্টমী ২, মহালয়া ১, দুৰ্গা পূজা ৮, কালী পূজা ২, ভ্ৰাতৃ দ্বিতীয়া ১, জগদ্ধাত্ৰী পূজা ২, কাৰ্তিক পূজা ২); অসমীয়া পৰ্বৰ (Assamese holidays) বাবে ১০ দিন (বহাগ বিহু–Bysakh Beehoo ৭, মাঘ বিহু ৩)। ৰোজিৰ তালিকাত মুঠ বন্ধৰ দিন ৯৯ টা । তেওঁ লিখা মতে এই বন্ধকেইটা প্ৰতিটো ধৰ্মৰ মানুহকে উপভোগ কৰিবলৈ দিয়া হৈছিল (· in general, these holidays are allowed to be enjoyed by the followers of every religion) । পিছে, ৰোজিৰ অধীনস্থ এলাকাত বোলে মুছলমান কৰ্মচাৰী নাছিল, আৰু সেইবাবে ইছলাম ধৰ্মীসকলৰ পৰ্বদিনত অফিচ-আদালত খোলা আছিল (There are no Mohammedans on this Establishment, and their holidays are not observed.) ।

নগাঁৱৰ বানপানী আৰু গৰ্ডন চাহাবৰ প্ৰতিবেদন

নগাঁও জিলাৰ বিভিন্ন ঠাইত অভূতপূৰ্ব প্ৰলয়ংকৰী বানপানী। সেই বানপানীয়ে জিলাখনৰ খেতি-পথাৰৰ বিস্তৰ ক্ষতি সাধন কৰিলে; ক'ৰবাতযে খেতি সম্পূৰ্ণ ধ্বংস হ'ল (…disastrous and unprecedented inundations which have done such serious and extensive injury to the crops in various parts of this District causing in some places their total destruction)। বানপানীয়ে সাধন কৰা ক্ষতিৰ প্ৰকৃত স্বৰূপটো উপলব্ধি কৰিবৰ কাৰণে জিলাৰ কালেক্টৰ গৰ্ডন চাহাবে নিজে সকলোবোৰ সংবাদ সংগ্ৰহ কৰি ৰাইজৰ বিলাই-বিপত্তিৰ বিষয়ে অৱগত হৈ অসমৰ কমিছনাৰলৈ প্ৰতিবেদন পঠিয়ালে কমিছনাৰৰ উৰ্দ্ধতন কৰ্তৃপক্ষক জনাবৰ বাবে।

গৰ্ডনে কোৱা মতে, জিলাখনৰ বিভিন্ন ঠাইৰ মানুহ জিলাৰ সদৰলৈ আহি সাহায্যৰ বাবে আবেদন কৰিছিলহি। পৰিয়ালবোৰ বিপৰ্যস্ত হোৱা বাবে তেওঁলোকেযে খাজানা দিব নোৱাৰে, সেই কথাও জনাইছিলহি। অৱশ্যে ক্ষেত্ৰবিশেষত আবেদনকাৰীসকলৰ কথাত হেনো অতিৰঞ্জনো আছিল। তথাপি ৰায়তৰ বিলাই-বিপত্তিলৈ চাই তাৎকালিক সাহায্য দিয়াৰ প্ৰয়োজন। কাৰণ, নগাপাহাৰলৈ প্ৰতিনিযুক্তিত (deputation) যোৱাৰ পূৰ্বে নগাঁৱৰ জিলাধিপতি বিগী চাহাবে আৰু জিলাখনৰ উপ-সহকাৰী বিষয়া প্ৰেজ চাহাবে যমুনামুখ আৰু ৰহাৰ অংশবিশেষত, দাঁতিপাৰ মহলত চলোৱা চৰ্ জমিন তদন্তই সেই কথাৰ সাক্ষ্য দিছিল।

তদন্তকাৰীসকলৰ প্ৰত্যেকেই এটা কথাত ঐকমত্য পোষণ কৰিছিল যে আগষ্ট আৰু ছেপ্টেম্বৰ মাহত ব্ৰহ্মপুত্ৰত পানী বঢ়াটোৱেই এই প্ৰলয়ংকৰী বানৰ প্ৰথম কাৰণ। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ এইবাৰ সাধাৰণ উচ্চতাতকৈ ৩ ফুট ওপৰলৈ উঠিল (about 3 feet above its usual level.)। বাৰিষাৰ শেষত একেবাৰে

[illegible] (The whole country [illegible] under water [illegible] the crop on the [illegible] peet Land, but recently planted [illegible] completely destroyed [illegible] in many places [illegible] rice which in ordinary floods [illegible] seldom injured [illegible] perfectly useless.) [illegible]

[illegible] দাতিপাৰ, যমুনা আৰু [illegible] এটা [illegible] অনুমান কৰাটো অসম্ভৱ । তেনে [illegible]

[illegible] rice crop [illegible]

যমুনা মহলত কলঙৰ পাৰৰ বাজিলাৱৰ দুই-তৃতীয়াংশ খেতি বোপি পালে; ডবিবাবীবো (?) দুই-তৃতীয়াংশ খেতি মৰিল; বাকী থকাখিনিও বৰ নিকৃষ্ট মানৰ। দেওনাবিবকনি মৌজাৰ দুই-তৃতীয়াংশ শইচ বানে উটাই নিলে। চৰাইহাপী, চাংচকী আৰু ঘৰুভাট (Ghooroobhat) মৌজাৰ খেতিৰ তিনি-চতুৰ্থাংশ সমুদায় নাশ হ'ল, এটা-কিচামত সমুদায় শস্যৰ পৰা বঞ্চিত হ'ল। লাওপানীত ক্ষতিৰ পৰিমাণ কম, প্ৰায় এক-চতুৰ্থাংশহে। তেঁতেলীসৰা, কামপুৰ আৰু নিজ মাৰিকলিৰ ক্ষতি ব্যাপক।

হাৰ-এছিস্টেণ্ট প্ৰেছে দিয়া সংবাদ মতে দাঁতিপাৰ মহলৰ উত্তৰ চহৰীত সৰহ ভাগ মাটিৰে খেতি বানে মাৰিলে; বাকী ৰ'ল মাথোন হেলাওটা শইচ থিয়-দঙা দি থকা কেইডৰামান মাটি (··· leaving but a few fields of indifferent grains standing)। দক্ষিণ চহৰী মৌজাৰ ক্ষতিও উত্তৰ চহৰীৰ লেখীয়া; কেৱল পাহাৰৰ ফালে ক্ষতিৰ পৰিমাণ কম। ৰৰগোগ মৌজাৰ অৰ্ধেক শইচ বানপানীয়ে নিলে। অৱশিষ্টখিনি ভাল জাতৰ নহয়। খলা মৌজাৰ ক্ষতি আনতকৈ কম; প্ৰায় এক-চতুৰ্থাংশ শইচহে নষ্ট হৈছে। নেলী মৌজাৰ বেলিকাও একেখিনি কথাই প্ৰযোজ্য। গোভা মৌজাৰ এক-তৃতীয়াংশ বান-বিধ্বস্ত।

বহা মহলৰ ওপৰত কৈ অহা মৌজাকেইটাৰ উপৰি বহুতো মৌজা, বিশেষকৈ জাগী, নিজ তেঁতেলীয়া, পাৱবড়ী, দন্দুৱা আৰু বহৰৰ ক্ষতি বিস্তৰ।

এই প্ৰতিবেদনত গড্‌নে নিজে দিয়া বৰ্ণনাৰ উপৰি বিগীয়ে প্ৰত্যক্ষ প্ৰমাণ পাই দাঁতিপাৰৰ ৰাইজৰ দুখ-কষ্টৰ বিষয়ে দিয়া বিবৰণো উদ্ধৃত কৰি দিছে। বিগীয়ে লিখিছিল—"উত্তৰ চহৰী মৌজাৰ দক্ষিণ-পশ্চিমত আৰু কপিলীৰ দুয়ো পাৰত ধান-চাউলৰ কণিকা এটাও ৰক্ষা পৰা নাই (···not a grain of rice has escaped)। নৈৰ পাৰতকৈ ৩ ফুট ওপৰলৈ উঠা পানীয়ে ৰায়তৰ ভঁৰালৰ ধান, ঘৰৰ অন্যান্য সম্পত্তি নষ্ট কৰাৰ উপৰি পথাৰৰ সমুদায় শইচ উটাই নিলে। গৰু-ম'হৰ অৱস্থা অবৰ্ণনীয়। খাবলৈ নাপাই মৰা বহুতো গৰু-ম'হৰ শৱ নৈত উটি যোৱা মই নিজে দেখিছো। ৰায়ত কেনেকুৱা দুৰৱস্থাত পৰিছিল, এইবোৰ কথাই তাৰি প্ৰমাণ। কপিলী আৰু কলঙৰ মাজত অৱস্থিত পশ্চিম চাপৰ-

মুঠৰ আটাইখিনি মাটি মই চাই আহিছো। মই জাতি কব পাৰো যে মই চাই অহা ৯০ পুৰা মাটিৰ ভিতৰত ৫০ পুৰা মাটিতো ধান নোজায়। এইসকলৰ আদলষ্ট আৰু হেপ্পেতৰ মাহুত পানী বাগৰিব নোৱাৰামান ওখ মাটিত খোৱা ধানৰ বাহিৰে আটাইখিনি মাটিৰ ধান বানে উটাই নিলে"। গৰ্ডনে প্ৰতিবেদনত লিখিছে, "ওপৰৰ কথাখিনি মিষ্টাৰ ৱিলীৰ লেখীয়া এজন যোগ্য ব্যক্তিৰ কোৱা কথা। মোৰ বিশ্বাস, দুৰ্ভগীয়া ৰায়তৰ কষ্ট-ক্ষতিৰ স্বৰূপ বা পৰিমাণ সম্পৰ্কে মইয়ে অকণো বেছিকৈ কোৱা নাই, সেইটো তেওঁলোকৰ কথাখিনিয়েই প্ৰমাণ কৰিব"।

প্ৰতিবেদনখন যুক্তাওঁতেও চৰকাৰৰ স্বাৰ্থ ৰক্ষা কৰাৰ কথা বিবেচনা কৰিছে আৰু মানুহখিনিৰ সোযোগালিৰ কথা থাকি-কৈয়ে জানি-শুনিহে অতি সতৰ্কভাৱে গৰ্ডনে কথাখিনি উপস্থাপন কৰিছিল, সেই কথাও তেওঁ কৈছে ("I am well aware that the subject I am dealing with requires much caution in order to protect the interest of Government, and at the same time check the slothful propensities of the people.")। মানুহখিনি পৰিশ্ৰমী হোৱাত উৎসাহ দিবলৈ আৰু নিজৰ প্ৰচেষ্টাৰেই নিজৰ ক্ষতিখিনি পূৰণ কৰাত প্ৰেৰণা যোগাবলৈ দাঁতিপাৰ, যমুনা আৰু বহা মহলৰ ৰায়তক খাজনাৰ কিছু অংশ ৰেহাই দিয়াটো অত্যাৱশ্যক বুলি গৰ্ডনে কমিছনাৰক অনুৰোধ জনালে। গৰ্ডনৰ সম্পূৰ্ণ বিশ্বাস যে তেনেদৰে খাজনা ৰেহাই দিলে মানুহখিনি কৃতজ্ঞ হ'ব, সাময়িক অভাৱবোৰৰ পৰাও মানুহখিনিয়ে সকাহ পাব, তদুপৰি চৰকাৰৰ ওচৰত কৰা দাবীবো দুৰ্বল কৰিব।

বানবিধ্বস্ত মৌজাবোৰৰ ৰিষয়া (মৌজাদাৰ) সকলক মতাই আনি প্ৰতিটো মৌজাত হোৱা ৰায়তৰ কষ্ট-ক্ষতিৰ প্ৰকৃত বিবৰণ দিবলৈ গৰ্ডনে হুকুম দিলে। কিন্তু তেনে কৰোঁতে যথেষ্ট সময় লাগিব, গতিকে তেওঁ যথোচিত সম্মানসহকাৰে কমিছনাৰলৈ প্ৰস্তাৱ আগবঢ়ালে যে যি যি মৌজাত শস্যৰ ক্ষতি গড়ে দুই-তৃতীয়াংশৰ পৰা তিনি-চতুৰ্থাংশ নিৰূপিত হৈছে, সেই সেই মৌজাত খাজনাৰ দুটা কিস্তি ৰেহাই দিব লাগে, আৰু য'ত উৎপাদনৰ এক-চতুৰ্থাংশৰ পৰা অৰ্ধাংশ ক্ষতি হৈছে, তাত এটা কিস্তি ৰেহাই দিব লাগে।

[illegible]

... the results of this application ... which would enable the Ryots to ... their ... in order to protect the interest of ...

[illegible]

... proposal above made meet with your approbation, that you will submit it with ... recommendation for the consideration of Government ...

নগাঁও জিলাত হোৱা এই অভূতপূৰ্ব ... (... Officiating Collector, Nowgong) ...

[illegible] ... Principal Assistant Commissioner ... Nowgong ...

[illegible] ... Officiating Collector ...

[illegible]

... I have tried on a small scale the experiment of manufacturing country paper for the use of the Courts and for the Public in general, and I have much pleasure in adding that the results have been most satisfactory ... কাগজ প্রস্তুত করিবার নিমিত্তে তেওড় ব্যবহার করা ... [illegible] ... কিছুমাত্র ... [illegible] ... পরিমাণে পাওয়া যায়। ইহার দ্বারা প্রস্তুত হোক্ষা কাগজাদির ... [illegible] ... মতে বঙ্গদেশের দ্বারা অন্য সাধারণ দেশী কাগজকে বহু পরিমাণে ভাল (...the article made from it is, in my opinion, far superior to the ordinary country paper received from Bengal)। কাগজের বুনটটি (texture) ... [illegible] অতি আঁটিল। কোনো ধবধব পোকে কাগজের নমুনে বুঝিও তেওড় জানিছে। সেই দিশর দ্বারা চক্রাকারে ... [illegible]

কাগজের ... [illegible] ... বিবেচনা করিবেন ... [illegible]

কাগজের উৎপাদনও ... [illegible] ... আকৃতি কটক আর সদর ঠাইর (নগাঁও) দ্বারা ধনাশিরা নৈব গানার উপবেদি ৬৩।৭৫ মাইল দূর বাণিজ্যের কড়িয়াই আনিবে বনুরা জাগোরা

হয়।[1] কাগজখিনি খমখমীয়া কৰিবৰ বাবে মণ্ড (Starch) প্ৰস্তুত কৰিবলৈ সামান্য পৰিমাণৰ চাউল লাগে। উৎপাদনৰ কামটোত চকু দিবৰ বাবে বৰকান্দাজ এটাক মাহিলি দুটা টকা দিবলৈ দিয়া হয়। এনেদৰে খৰচ কৰা সত্বেও কাগজবিধৰ উৎপাদন ব্যয় নিচেই সামান্য (The expense of the manufactuie is but trifling)। ইয়াত হোৱা খৰচখিনিৰ উপৰি ১০০ টকাৰ সামান্য ব্যয় এটা চৰকাৰৰ পৰা মঞ্জুৰ কৰাবলৈ কমিছনাৰক গৰ্ডনে অনুৰোধ জনালে। মণ্ডখিনি তপতাবৰ বাবে শিলৰ তিনিটা খুন্দনা, সেইখিনি ধুবৰ বাবে দুটা পকী জলাধাৰ, কাগজখিনি কাটিবৰ বাবে কেঁচী-কটাৰীৰ জোখীয়া আৱশ্যকীয় সঁজুলি আৰু কাগজৰ খিলাবোৰ শুকুৱাবৰ বাবে কাপোৰৰ ঢাকনি আদি যোগাৰ কৰাত সেই ধনখিনি খৰচ কৰা হ'ব। গৰ্ডনে নিজে কথাখিনি লিখিছিল এনেকৈ : "I beg leave also to request that you will obtain the sanction of govt. to the small outlay of 100 Rupees for the purpose of procuring 3 stone mortars to heat up the pulp, making two pukka reservoirs for washing the same, and a few necessary instruments such as scissors and knives for cutting the paper, and cloth to cover the formers used in making and drying the sheets."। উদ্যোগটোৰ বাবে প্ৰয়োজনীয় কাৰখানা বা অস্থায়ী ছালিকেইখন চৰকাৰী কাৰ্য্যবাহী বিষয়াৰ (Executive officer) হতুৱাই সামান্য খৰচতে সজাব পাৰি। এই উদ্যোগৰ যোগেদি কাৰাগাৰৰ কয়দীবোৰক কেনেকৈ সজ পথলৈ আনিব পৰা যায়, গৰ্ডনে চিঠিখনত তাৰ উপায় দেখুওৱাৰ উপৰি কমিছনাৰে পৰীক্ষা কৰি চাবৰ বাবে উৎপাদিত কাগজৰ নমুনা এটাও প্ৰেৰণ কৰিলে (I beg leave to forward a sample of the paper last manufactured for your inspection,)।

১. গৰ্ডনৰ পৰবৰ্তী কালৰ নগাঁৱৰ এজন জিলাধিপতি মেজৰ জন বাটলাৰে গৰ্ডনৰ চিঠিখনৰ প্ৰতিলিপিৰ এই অংশত এটা তৰা (*) চিন দি চিঠিখনৰ কাষত লিখি চহী কৰি থৈছে "103 miles" বুলি।

যান-বাহনৰ পৰা নমা ঘোষণা

দেশীয় লোকসকলে ঘোঁৰা, পাল্কী আৰু অন্যান্য যান-বাহনত উঠি যাওঁতে যদিহে য়ুৰোপীয় বিষয়াৰ লগত ভেটা-ভেটি হয়, তেনেহলে ঘোঁৰা, পাল্কী আদি যান-বাহনৰ পৰা নামি শাসিত-সকলে শাসকসকলক সন্মান প্ৰদৰ্শন কৰা এটা নীতি অসমত ব্ৰিটিছ প্ৰশাসনৰ প্ৰাৰম্ভতে ইস্তাহাৰ যোগে প্ৰচলন কৰা হৈছিল। পিছত সেই ইস্তাহাৰ বদ কৰাও হ'ল। কিন্তু ১৮৪৩ চনতো অসমৰ কোনো কোনো ঠাইত পূৰ্বঘোষিত ইস্তাহাৰ মতে সেই নীতিটো বল মোহোৰাটৈক আছিল বুলি অসমৰ কমিছনাৰ ফ্ৰেন্‌চিছ জেন্‌কিন্‌ছে জানিব পাৰিলে। জেন্‌কিন্‌ছৰ মতে সেই ইস্তাহাৰ বাতিল কৰি নীতিটো বন্ধ কৰিব লাগে। কাৰণ, অনুনিয়ন্ত্ৰণ-প্ৰদেশবোৰত যিবোৰ দস্তুৰ প্ৰচলিত, সেই একেবোৰ দস্তুৰকে তেওঁলোকে অসমতো অনুসৰণ কৰা বাঞ্ছনীয় বুলি জেন্‌কিন্‌ছৰ ধাৰণা। সেই সংক্ৰান্তত তেওঁ ১৮৪৩ চনৰ ৪ অক্টোবৰত অসমৰ জিলাধিপতিসকললৈ লিখা চিঠিখন এনেকুৱা: "Having been led to understand that there is an old proolamation unrescinded directing natives to dismount from ponnies, palankins and other vehicles on meeting with European officers, I have to request you will cause an enquiry to be made if there be any such order in existence, and should there be, I have to beg you will be good enough to squash it, as it seems very desirable that in all such matters we should be guided by the practice which prevails in the Regulation Provinces."

নগাঁৱৰ জিলাধিপতিয়ে অৱশ্যে তেনে ধৰণৰ ইস্তাহাৰ মতে জিলাখনত তেনে নীতি প্ৰচলিত হৈ থকা কথা নাজানে বুলি চিঠিখনৰ উত্তৰত জনালে।

[illegible]

[illegible] (Capt. Mr Scot, Collector of the District of Nowgong) [illegible]

[illegible]

[illegible] in accordance with the Regulations of Govt. for bestowing grants of waste Lands

of [illegible] rent free, I have now in behalf of The Am. Baptist Board of Foreign Missions to lay before you a petition for that parcel of ground bounded on the North by the Khiyapari Road, on the South-East by the [illegible] Road, on the East by the Brickfield Road, and on the West by the Road in rear of the Resident's Bungalow, and comprising about 69½ acres. Excepting however such portions of said land as are occupied by the Public Brickyard, and such as any person or persons may hold pottas for at the present time.

The object for which this ground of land is requested, is to enable the Mission to introduce Agricultural and Horticultural employment among the Boys of the Orphan School, and a few of Assamese which, it is hoped, will ultimately be in the good to the Mission and to the natives of the country.

Trusting that this object will meet with your favorable consideration.

I remain sir,

Yours most obedtly

M. Bronson.

Nowgong 13th March 1844."

এই দৰ্খাস্ত লিখাৰ তিনিমাহৰ ভিতৰত ব্ৰন্‌ছন্‌ [illegible] কাৰৰ মাজত হোৱা যোগাযোগৰ বিষয়ে এক্ষেত্ৰ [illegible] নাজানো॥ কিন্তু ১৮৪৪ চনৰ ১২ জুনত ব্ৰন্‌ছনে নগাঁৱৰ জিলাধিপতিলৈ লিখা [illegible] সংবাদ [illegible] পাইছে। [illegible] (Capt. P. Ell, Magistrate) [illegible] [illegible] [illegible]

সংক্ৰান্ত বুলি অনুমান কৰাৰ বল অধিক । ব্ৰংছনে মাটিডোখৰ চৰকাৰৰ পৰা দানসূত্ৰে নাপাই মিছনৰ হৈয়েই ব্ৰন্‌ছনে কিনি লৈছিল বুলি কব পাৰি । পিছে, মৰিকলঙৰ পাৰৰ বাৰি (পতিত) মাটিখিনি আছিল কানু সুত আৰু বলাই কলিতা নামৰ দুজন মানুহৰ দখলত । উক্ত মানুহ দুজনক চৰকাৰে তাৰ পৰা উচ্ছেদ কৰিবলৈ যোৱা ব্যৱস্থাটো ব্ৰন্‌ছনৰ মনঃপুত হৈছিল বুলি এইখন চিঠিত ব্ৰন্‌ছনে কৈছে । মানুহ দুজনৰ দখল উচ্ছেদৰ বেলিকা চৰকাৰৰ লগত হোৱা বন্দবস্ত মতে ব্ৰন্‌ছনে দিবলগীয়া টকাখিনি পঠোৱাৰ কথাও ১২ জুন তাৰিখৰ চিঠিখনত আছে । ব্ৰন্‌ছনে এনেভাৱে লিখিছিল এনেকৈ ঃ—

"To

Capt. P. Eld, Magistrate.

Sir,

With reference to the arrangement you have made for the removal of the people now living on the Baris on the Moreekullung held by Kanu Sut and Bolai Kolita, and which I have purchased, I beg to state that it is perfectly satisfactory to me, and I herewith forward the sum requisite for fulfilling my part of the arrangement.

I have the honor to be
Sir,
Your most obedt. servt,
M. Bronson.

Nowgong
12th June 1844."

মিছনৰ নিৰ্ধাৰিত লক্ষ্যৰ বাবে মাটিডোখৰ ব্ৰন্‌ছনে মিছনৰ হৈ কিনি লৈছিল বুলি আমি ওপৰত কৰি অহা অনুমানটোক সবল কৰিছে অলিভাৰ টি. কাটাৰে (O. T. Cutter) ১৮৪৪ চনৰ ১০ জুনত নগাঁৱৰ জিলাধিপতিলৈ লিখা এখন চিঠিয়ে । নগাঁৱৰ এই মাটিখিনি কিনিবৰ বাবে শিৱসাগৰ জিলাৰ পৰাও ধন সংগ্ৰহ কৰা

হৈছিল বুলি এই চিঠিয়ে ক'ব পাৰে । কটাৰ তেতিয়া মিছনৰ কামত শিৱসাগৰত । ১৮৪৪ চনৰ ৩০ মে' তাৰিখে কটাৰে নগাঁৱৰ জিলাধি-পতিৰ পৰা পোৱা এখন চিঠিৰ (নং ২৫) বিষয়-বস্তু এনে ধৰণৰ ঃ— শিৱসাগৰৰ জিলাধিপতিয়ে নগাঁৱৰ জিলাধিপতিলৈ ২৫০ টকাৰ এখন দেয়ক (হুণ্ডি ?) পঠিয়াইছিল । দেয়কখনত উল্লেখ কৰা ধনখিনি ৰেভাৰেণ্ড মাইলচ্‌ ব্ৰন্‌ছনক নগাঁৱৰ জিলাধিপতিয়ে যথাৰীতি আদায় দিলে । পিছে, সংশ্লিষ্ট দেয়কখনত কটাৰে দস্তখত কৰি দিব লাগিছিল । ঘটনাক্ৰমে কটাৰৰ দস্তখত নোহোৱাকৈয়ে দেয়কখন পঠিয়াই দিয়া হ'ল । সেইটো কটাৰৰ ত্ৰুটী । ফলস্বৰূপে, দেয়কখন পুনৰ কটাৰলৈ নগাঁৱৰ জিলাধিপতিয়ে ঘূৰাই পঠিয়ালে ৩০ মে' তাৰিখৰ চিঠিৰ লগতে । নিজৰ ভুলটো সংশোধন কৰি ১০ জুনত কটাৰে পুনৰ দেয়কখন পঠিয়াই দিলে । তেওঁৰ ভুলটোৱে নগাঁৱৰ জিলাধিপতিক ইমান আহুকালত পেলোৱা বাবে কটাৰে দুখ প্ৰকাশ কৰিলে এনেকৈ ঃ—

To

Capt. P. Eld,
Collector of Nowgong.

Sir,

I have the honor to acknowledge the receipt of your letter of 30th May, No. 25, enclosing a Bill for 250 Rs. from the Collector of Sibsagor on the Collector of Nowgong, which was duly paid to the Rev. M, Bronson, but was accidentally sent off without being endorsed by myself. I have now supplied that omission & herewith enclose the Bill again, as requested, beg to express my regret that my mistake shd have been the occasion of so much trouble.

I have the honor to be Sir,
Your most obt. Servant
O. T. Cutter,

Sibsagor,
June 10th, 1844."

ঊনবিংশ শতিকাৰ চল্লিছৰ দশকটোৰ অসমৰ স্কুলবোৰ
স্কুলত্যা ধৰণৰ সংখ্যা নাছিল বুলিয়েই ক'ব পাৰি । প্ৰত্যেক দশকৰ
প্ৰথমতে স্কুলবোৰ নীতি-নিয়ামিত পৰে ।
১৮৪৩ চনৰ জুন মাহৰ ১৩ তাৰিখে অসমৰ কেইজনমান
কমিছনাৰে জিলাৰ কালেক্টৰসকলক জনালে যে প্ৰতিখন জিলাৰ স্কুলৰ
শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ নাম, উপস্থিতি-অনুপস্থিতি, বাসস্থান
বৰ্ণনা এই সকলো কথা লিখি ৰখিবলৈ উচিতমতে পত্ৰিকাৰ আগে ।
শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ বাবে প্ৰথম, দ্বিতীয়, তৃতীয় আৰু
চতুৰ্থ শ্ৰেণীৰ যিবোৰ কিতাপৰ দৰকাৰ, সেইবোৰৰ এখন তালিকা
কৰি ৰখিনহনলৈ পঠিয়ালে তেওঁ সেইবোৰ যোগান ধৰিব । ল'ৰা-
বোৰক লগা কিতাপবোৰৰ মূল্য অতি কম । সেইবাবে ল'ৰাহঁতে
কিতাপ নিজে কিনিব । এতিয়াৰ পৰা শিক্ষকসকলৰ নিযুক্তি আৰু
বাহাল-বৰ্খাস্ত জিলাৰ কালেক্টৰৰ হুকুম মতেহে হ'ব । স্কুলৰ শিক্ষক-
সকলে ল'ৰাহঁতক শিক্ষা দিয়াত যদিহে অৱহেলা প্ৰকাশ পায়,
তেনেহ'লে কথা বেয়া হ'ব । ল'ৰাহঁতে কিতাপ নিজে কিনিবলৈ
বাধ্যক বুজাই দিব লাগিব । যিবোৰ মৌজাত স্কুল স্থাপিত হৈছে,
সেইবোৰৰ মৌজাৰ মৌজাদাৰসকলে যাতে স্কুলবোৰৰ তদাৰক ভালকৈ
কৰে আৰু ল'ৰাবোৰক যাতে স্কুলত সদায় উপস্থিত কৰাই দিয়ে ।
জিলাধিপতিৰ এলাকাধীন স্কুলবোৰত যদি গাফিলি কৰি মৌজাদাৰে
স্কুলক তদাৰক নকৰা কথা প্ৰকাশ হয়, তেনেহ'লে কমিছনাৰ
চাহাবৰ অভিপ্ৰায় অনুযায়ী সংশ্লিষ্ট মৌজাদাৰক মৌজাদাৰিৰ পৰা
বৰ্খাস্ত কৰা হ'ব । শিক্ষকসকলে যাতে বহী এখনত ল'ৰাবোৰৰ
উপস্থিতি-অনুপস্থিতি, সংখ্যা আদিৰ বিৱৰণ লিখি ৰাখে,
তাৰ বাবে বহী একোখন তৈয়াৰ কৰি দিবলৈ মহাফেজক নিৰ্দেশ
দিয়া হ'ল । প্ৰতি ছমাহৰ মূৰে মূৰে কমিছনাৰক জিলাৰ কালেক্টৰ-
জনে একোটা প্ৰতিবেদন দাখিল কৰিব লাগিব ।

এই বাতবি ১৮৫৩ সনব [illegible]
Amul Book in which the rules prescribed by the Commissioner and the Sudder Board are to be [illegible] [illegible]

[illegible]

[illegible] (for the organization at Gowhatty of a Normal School for the training of teachers) [illegible]

[illegible] (I have to solicit the favour of your kind assistance in selecting and sending to Gowhatty any six young men from your District whom you may think likely to make profitable use of the opportunities the training school will afford.) ।

[illegible] (The candidate for the Normal School should be able to read Bengali fluently and be capable of passing

১. পৃ ৫১৪, [illegible]

গুৱাহাটী নৰ্মাল স্কুল

'সংবাদ-পত্ৰৰ ৰ'দ-কাচলিত অসমীয়া সাহিত্য' নামৰ গ্ৰন্থত নন্দ তালুকদাৰে কৈছে যে ছাৰ চাৰ্লছ ইলিয়ট অসমৰ চীফ কমিছনাৰ হৈ থকা সময়তে (আশীৰ দশকৰ প্ৰথম ভাগতে) গুৱাহাটীত নৰ্মাল স্কুল এখন স্থাপন কৰা হৈছিল। সেই প্ৰসংগতে তেখেতে "পূৰ্বতে নগাঁৱত এখন নৰ্মাল স্কুল আছিল" বুলিও কৈছে[1]। পিছে তথ্যটো শুদ্ধ নহয়।

অসমৰ স্কুল পৰিদৰ্শক উইলিয়াম ৰবিন্‌ছনে ১৮৫৫ চনৰ ১২ ডিচেম্বৰত বৰিশালৰ পৰা অসমৰ জিলা কেইখনৰ কালেক্টৰসকললৈ প্ৰেৰণ কৰা এখন চিঠিৰ (নং ২০৭) পৰা শিক্ষাধিকাৰে গুৱাহাটীত শিক্ষক প্ৰশিক্ষণৰ বাবে নৰ্মাল স্কুল এখন স্থাপন কৰিবলৈ নিৰ্দেশ দিয়াৰ কথা (…for the organization at Gowhatty of a Normal School for the training of teachers) জনা যায়। চিঠিখনত অসমৰ প্ৰতিখন জিলাৰ পৰা ৬ জনকৈ ছাত্ৰ বিচাৰিবলৈ শিক্ষাধিকাৰে ৰবিন্‌ছনক অনুমতি দিয়াৰ কথা প্ৰকাশ পাইছে। প্ৰশিক্ষণ স্কুলখনৰ পৰা পোৱা সুবিধাখিনিৰ সদ্ব্যৱহাৰ কৰিব পৰা যি-কোনো ছজন ডেকাক জিলাখনৰ পৰা বাছি পঠিয়াই সহায় কৰিবলৈ ৰবিন্‌ছনে কালেক্টৰসকলক অনুৰোধ জনালে (I have to solicit the favour of your kind assistance in selecting and sending to Gowhatty any six young men from your District whom you may think likely to make profitable use of the opportunities the training school will afford.)।

নৰ্মাল স্কুলৰ প্ৰশিক্ষাৰ্থীসকল বঙলা ভাষা সৰ্‌সৰীয়াকৈ পঢ়িব পৰা হোৱা বাঞ্ছনীয়। ত্ৰৈৰাশিক অংক আৰু প্ৰাথমিক মাটিকালি সম্পৰ্কীয় গণিতৰ পৰীক্ষা এটাত তেওঁলোক উত্তীৰ্ণ হ'ব লাগিব। ব্যাকৰণৰ জ্ঞান প্ৰাৰ্থীজনৰ বাবে এটা অতিৰিক্ত সুবিধা (…The candidate for the Normal School should be able to read Bengali fluently and be capable of passing

১. পৃ ২১৪; প্ৰথম প্ৰকাশ।

a fair examination in Arithmetic as far as the rule of proportion, and in the Elements of Mensuration. A knowledge of Grammar would be an additional advantage.) ।

ৰবিন্‌ছনৰ মতে ডেকা কেইজনৰ প্ৰশিক্ষণৰ সময় তেওঁ-লোকৰ স্বভাৱজ মানসিক দক্ষতা আৰু তেওঁলোকে পূৰ্বে আহৰণ কৰা জ্ঞানৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল । কিন্তু মফচলৰ দেশীয় স্কুলৰ দায়িত্ব ল'বৰ বাবে সাধাৰণতে ১২ মাহ সময়েই যথেষ্ট বুলি ৰবিন্‌চনৰ ধাৰণা । প্ৰশিক্ষণৰ কালছোৱাত প্ৰত্যেকজন ছাত্ৰক মাহিলি ৩ টকীয়া জলপানি একোটা দিয়া হ'ব, আৰু নিৰূপিত পৰীক্ষাত উত্তীৰ্ণ হ'লে যিখন জিলাৰ পৰা তেওঁক পঠোৱা হয়, সেইখন জিলাত স্কুল মাষ্টৰ হিচাপে নিযুক্তি পাব পৰাকৈ এখন প্ৰমাণ-পত্ৰ দিয়া হ'ব । এনেকৈ এটা সময়ত দেশীয় ভাষাৰ নিপুণ শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি ভুল শিক্ষাপ্ৰাপ্ত যিবোৰ মানুহক লৈ স্কুল চলাবলৈ চৰকাৰ বাধ্য হৈছে, সেই মানুহখিনিৰ ঠাইত তেওঁলোকক নিয়োগ কৰিব পৰা হ'ব । থলুৱা স্কুলবোৰে বিচাৰিলে সেইবোৰৰ বাবেও শিক্ষক পঠিয়াব পৰা হ'ব (also to provide teachers for indigenous schools should there be any demand for them.) ।

ৰবিন্‌ছনে চিঠিখনত আকৌ কৈছে : স্কুলত সম্প্ৰতি কাম কৰি থকা শিক্ষকসকলৰ কোনোবাজন যদি ভাল শিক্ষা ল'বলৈ ইচ্ছুক, তেন্তে গুৱাহাটীৰ নৰ্মাল স্কুলত ভৰ্তি হোৱাত আপত্তি নাই । পিছে, তেনে শিক্ষক যাতে ডেকা মানুহ হয় আৰু অনধিক ২৫ বছৰ বয়সীয়া হয় । গুৱাহাটীত প্ৰশিক্ষণ লোৱা সময়ছোৱাৰ বাবে তেওঁলোকক সংশ্লিষ্ট স্কুলবোৰে ছুটী মঞ্জুৰ কৰিব লাগিব, আৰু অৰ্হতাৰ প্ৰমাণ-পত্ৰ লৈ উভতি যোৱাৰ পাছত তেওঁলোকৰ বানচ বৃদ্ধি হোৱাৰ বাট মুকলি থাকিব । ডেকা মানুহখিনিয়ে নিশ্চয় সাময়িকভাৱে পাই থকা দৰমহাখিনিৰ মোহ এৰি মাহিলি ৩ টকাকৈ দিয়া জলপানিৰে প্ৰশিক্ষণ লৈ তাৰ পাছত বেছি দৰমহাৰ নিযুক্তিৰ বাবে নিজকে উপযুক্ত কৰি গঢ়ি তুলিব পাৰিব বুলি ৰবিন্‌ছনৰ ধাৰণা । পিছে সেই সময়ত নৰ্মাল স্কুলৰ বাবে ধাৰ্য্য কৰা পুঁজিৰে এখন জিলাৰ ৬ জনতকৈ অধিক প্ৰশিক্ষণাৰ্থীক প্ৰশিক্ষণ দিয়াটো

[illegible] a fair examination in Arithmetic as far as [illegible] Multiplication. [illegible]

[illegible]

[illegible] (also to provide teachers for indigenous schools should there be any demand for them.) ।

[illegible]

স্কুলীয়া মাচুল প্ৰবৰ্তন আৰু ব্যয় কৰ্তন

নগাঁৱৰ কালেক্টৰ টমাছ লেম্বে ১৮৫৬ চনৰ ২৩ অক্টোবৰত নগাঁও সদৰ স্কুল সংক্ৰান্তত হোৱা উপনিমিত্ত ব্যয়ৰ বিল (bill for contingent charges) এখন পঠিয়াইছিল স্কুল-পৰিদৰ্শকলৈ। স্কুল-পৰিদৰ্শক উইলিয়াম ৰবিনছনে ২৭ অক্টোবৰত লেম্বলৈ উত্তৰ দিলে (পত্ৰাংক ৪২৫) বোলে যিহেতু উপনিমিত্ত ব্যয়খিনিৰ বাবে শিক্ষাধিকাৰৰ সংমোদন নাছিল, সেই বাবে বিলখনত প্ৰতিস্বাক্ষৰ কৰাৰ অধিকাৰ তেওঁৰ নাই (...as I believe, no sanction has been received from the Director of Public Instruction for incurring such an expenditure, I regret to state that I am not at liberty to countersign it.)।

একেখন চিঠিত ৰবিনছনে লিখিলে ঃ "অসমৰ আন প্ৰত্যেকখন স্কুলতে প্ৰতিটো ল'ৰাৰ পৰা মাহিলি ১ অনাকৈ (০'০৬ টকা) স্কুলৰ মাচুল লগোৱা হৈছে। এই মাচুলৰ পৰা উঠা আৰু শ্ৰেণীত ল'ৰাৰ অনুপস্থিতিৰ বাবে লগোৱা জৰিমনাৰ পৰা উঠা ধনখিনিৰে এটা পুঁজি গঠন কৰা হ'ব, আৰু সেই পুঁজিটো কালেক্টৰসকলে সৰু-সুৰা উপনিমিত্ত ব্যয় আৰু বাৰ্ষিক বঁটা বিতৰণ আদিত ব্যৱহাৰ কৰিব পাৰিব (···in every other Sudder school in Assam, a schooling fee of one anna per mensem is levied from each boy. The proceeds of these fees & fines levied for absence form a fund from which the Collectors have been allowed to pay for trifling contingent expenses, prizes for annual distribution etc.)। সেইবাবে নগাঁও সদৰ স্কুলতো সমান জোখৰ স্কুলীয়া মাচুল এটা লগাবলৈ ৰবিনছনে লেম্বক পৰামৰ্শ দিলে। ৰবিনছনে এনেকৈও ক'লে যে সেই নিয়মটো প্ৰবৰ্তন কৰাৰ ফলত স্কুলখনত কেইবাবাৰো ধন উঠাব লগীয়া হ'ব, পিছে আন ঠাইত দেখা দৰে সেই অসুবিধাটো সাময়িকহে। গতিকে সেই প্ৰথাৰ প্ৰবৰ্তনে নগাঁও স্কুলৰ

কল্যাণ সাধনত কোনো ধৰণৰ বাধাৰ সৃষ্টি নকৰে। আনহাতে, অন্যান্য ক্ষেত্ৰত হোৱা দৰে, ল'ৰাবোৰে পোৱা শিক্ষাৰ ওপৰত কিছু মূল্য আৰোপ কৰিবলৈ সিহঁতক আৰু সিহঁতৰ মাক-বাপেকক এই ব্যৱস্থাটোৱে শিকাব আৰু দৈনিক উপস্থিতিৰ বেলিকা ল'ৰাবোৰ অধিক নিয়মীয়া হ'ব (on the contrary, it may, as it has done in other instances, teach the boys & their parents to attach some value to the instruction they receive & make the former more regu.ar in their daily attendance)।

সেই চনৰ ২০ ডিচেম্বৰতো টমাছ লেম্বে নগাঁৱৰ সুতাৰ গাঁও স্কুলৰ ঘৰটো মেৰামতি কৰা বাবদ হোৱা ১৯ টকা ৩ অনা ৯ পাই (১৯.২২ টকা) উপনিমিত্ত ব্যয়ৰ বিল এখন পঠিয়াইছিল। সংপ্ৰেৰক পত্ৰত ৰবিনছনৰ ২৭ অক্টোবৰৰ ৪১৫ সংখ্যক চিঠিৰ কথাও উল্লেখ কৰিছিল। পিছে ৩১ ডিচেম্বৰত ঢাকাৰ বোগ্ৰাৰ পৰা ৰবিন্‌-ছনে লিখিলে যে গাঁৱৰ স্কুলৰ বাবে তেনে ধৰণৰ উপনিমিত্ত ব্যয় বহন কৰাৰ অনুমতি চৰকাৰে দিয়া নাই (nothing has been allowed by Government to meet such contingent e‹penses on account of village School.)। গতিকে বিলখনত তেওঁ প্ৰতিস্বাক্ষৰ নকৰি প্ৰেৰকজনলৈ ফিৰাই পঠিয়ালে।

১৮৫৭ চনৰ মাৰ্চ মাহৰ ৩০ তাৰিখে দৰং জিলাৰ স্কুলঘৰবোৰ মেৰামতি কৰা কথাৰে ৰবিনছনে শিক্ষাধিকাৰলৈ চিঠি এখন লিখি-ছিল। সেই চিঠিৰ উত্তৰত ২১ এপ্ৰিলত দাৰ্জিলিঙৰ পৰা শিক্ষাধিকাৰ য়ুঙে (W.G. Young) জনালে যে ৰবিনছনৰ চিঠিৰ পৰা তেওঁ এই সিদ্ধান্তলৈ আহিছে যে কেৱল দৰং জিলাৰে নহয়, সমগ্ৰ অসমৰ কেউখন জিলাতে চৰকাৰী স্কুলঘৰবোৰ মেৰামতি কৰাৰ কিবা উপায় উদ্ভাৱন কৰাটো বাঞ্ছনীয় হৈ পৰিছে। অনুনিয়ন্ত্ৰণ প্ৰদেশবোৰৰ (Regulation Provinces) চৰকাৰী দেশীয় স্কুলবোৰ গঢ়া ৰাইজে সজা আৰু মেৰামতি কৰাৰ উপৰি ল'ৰাহঁতৰ মাক-বাপেকে শিক্ষাৰ বাবদ এবিধ মাচুলো দি আহিছে। অসমত যদিহে ৰাইজৰ পৰা এই ক্ষেত্ৰত সহায় পোৱাটো সম্ভৱ নহয়, তেন্তে চৰকাৰে স্কুল ঘৰবোৰ মেৰামতি কৰিবলৈ নিশ্চয় ব্যয় এটা ধাৰ্য কৰিব লাগিব (If in Assam it is still impossible to call on the

people for assistance in either of these ways, it seems to follow that the Govt. must incur a yearly charge for the repairs of the school houses.) । সেই ব্যয় উলিওৱাৰ উদ্দেশ্যে অসমৰ দেশীয় স্কুলবোৰৰ বাবে মঞ্জুৰ কৰা ব্যয়খিনি সংশোধন কৰিবলগীয়া হ'ব পাৰে । গতিকে শিক্ষাধিকাৰে ৰখিনৃছুনক অসমৰ দেশীয় স্কুলৰ শিক্ষকসকলৰ দৰমহা, স্কুলৰ কিতাপ আৰু অন্যান্য সকলোবোৰ শিতানত মঞ্জুৰ কৰা ব্যয়ৰ প্ৰবিবৰণ বিচাৰিলে, যাতে সেইবোৰ শিতানৰ ব্যয় কৰ্তন কৰি স্কুলঘৰবোৰ মেৰামতি কৰাৰ উপায় উলিয়াব পাৰি ।

গুৱাহাটী ইংৰাজী স্কুলৰ বৃত্তি

১৮৫৬ চনৰ ৩০ অক্টোবৰত স্কুল-পৰিদৰ্শক ৰবিন্‌ছনে অসমৰ বিভিন্ন জিলাৰ কালেক্টৰসকলক জনালে (পত্ৰাংক ৪৪২) যে দেশীয় স্কুলৰ শ্ৰেষ্ঠ আৰু নিপুণ ছাত্ৰক গুৱাহাটী ইংৰাজী স্কুলত পঢ়িবৰ বাবে বৃত্তি দিব লাগে বুলি শিক্ষাধিকাৰে আগবঢ়োৱা প্ৰস্তাৱ চৰকাৰে মঞ্জুৰ কৰিছে (…the Government has been pleased to sanction a proposal made by the Director of Public Instruction for founding a certain number of scholarships in the Gowhatty English School to be presented as rewards to the best & most proficient boys in the Vernacular Schools.)। প্ৰতিটো বৃত্তি মাহিলি ৪ টকীয়া। বৃত্তিৰ ক্ষেত্ৰত বাছনিৰ প্ৰক্ৰিয়া আছিল এনে ধৰণৰ:—

যি কেইটা ল'ৰাক বৃত্তিৰ বাবে বাছনি কৰা হ'ব, সিহঁতৰ যাতে ইংৰাজী ভাষাত দখল লাভ কৰাৰ সম্ভাৱনা থাকে আৰু সিহঁতৰ বয়স যাতে ১৪ বছৰৰ বেছি নহয়। বঙলা ভাষাৰ ফলিত জ্ঞান ল'ৰাকেইটাৰ থাকিব লাগিব, অৰ্থাৎ সিহঁত 'বাংলাৰ ইতিহাস'ৰ লেখীয়া কিতাপ সৰ্‌সৰীয়াকৈ পঢ়িব পৰা হ'ব লাগিব, বঙলা ব্যাকৰণৰ জ্ঞান থকা হ'ব লাগিব। মিশ্ৰ ত্ৰৈৰাশিক অংকলৈকে গণিতৰ সাধাৰণ নিয়মকেইটাৰ লগত ল'ৰাকেইটা পৰিচিত হ'ব লাগিব। বৃত্তিৰ বাবে নিৰ্বাচিত ল'ৰাকেইটা বঙলা ভাষাত শুদ্ধকৈ চিঠি লিখিব পৰা হোৱা বাঞ্ছনীয় (They should possess a fair knowledge of Bengallee, that is, they should be able to read fluently & intelligibly such a book, for instance, as the History of Bengal, be conversant with the Bengallee Grammar & with the rules of Arithmetic as far as compound proportion. They should also be able to write a correct letter in Bengallee.)।

বৃত্তিৰ বাবে ল'ৰা বাছনি কৰিব পোনতে উপ-পৰিদৰ্শকে।

তাৰ পাছত জিলাৰ কালেক্টৰে সেই উদ্দেশ্যে মনোনীত কৰা সদস্যৰ সমিতি এখনে সিহঁতৰ পৰীক্ষা ল'ব। সেই ল'ৰাবোৰৰ মাজৰ সবাতোকৈ ভাল ৬টা ল'ৰা কালেক্টৰে বাছনি কৰি সিহঁতক শীঘ্ৰে গুৱাহাটীত থকা স্থানীয় সমিতিৰ সচিবৰ ওচৰলৈ পঠিয়াব। সচিবে সিহঁতক ইংৰাজী স্কুলত ভৰ্তি কৰাই দিব।

বৃত্তিকেইটা চাৰি বছৰলৈ চলি থাকিব। সেই সময়ছোৱা উকলিলে সেই ল'ৰাবোৰে বংগদেশৰ যি কোনো এখন কলেজৰ কনিষ্ঠ বৃত্তি (Junior Scholarship) ৰ বাবে প্ৰতিযোগিতা কৰিব পাৰিব। অন্তৰ্বৰ্তী সাময়িক পৰীক্ষাবোৰ সমিতিয়ে গুৱাহাটীত পাতি সিহঁতৰ উন্নতি কিমান হৈছে, বুজ ল'ব। এলেহুৱা আৰু অমনোযোগী ল'ৰাবোৰে অৱশ্যে সিহঁতৰ বৃত্তি হেৰুৱাব (...the idle & negligent will of course be liable to a forfeiture of their stipends.)।

চাকালৈ কানিৰ চোৰাং চালান

১৮৬১ চনত অসমৰ কানিৰ দাম আছিল প্ৰতি সেৰত ১৪ টকা। চৈধ্য টকীয়া দৰৰ অসমৰ কানি তেতিয়া ঢাকা আৰু তাৰ ওচৰ-পাজৰৰ জিলাবোৰত চোৰাংভাৱে বিক্ৰী হৈছিল সেৰে ১৮ টকাত। এই চোৰাং চালান বন্ধ কৰাৰ উদ্দেশ্যে সেই বছৰত অসমৰ কানিৰ দাম ১৪ টকাৰ পৰা ১৮ টকালৈ বৃদ্ধি কৰা হ'ল (...to defeat the smuggling of Assam opium into Dacca and adjacent districts where opium is sold at Rs. 18.)। নগাঁৱত তেতিয়া কালেক্টৰ আছিল ফুলগুৰি ধেৱা-খ্যাত হাৰ্বাৰ্ট ছক। অসমৰ ৰেভিনিউ কমিছনাৰলৈ ১৮৬১ চনৰ ১ আগষ্টত তেওঁ লিখিছিল (পত্ৰাংক ৮৭) যে কানিৰ চোৰাং কাৰবাৰত কামৰূপ জিলাৰ কেঁয়াসকল জড়িত হয় নে নহয় সেই কথা তেওঁ খাটাংকৈ কব নোৱাৰিলেও নগাঁও জিলাৰ পৰা যে এসেৰো আবকাৰী কানি বাহিৰলৈ ওলাই যোৱা নাই, সেই বিষয়ে তেওঁ নিশ্চিত ("I cannot say whether or not the Kamroop Kyahs have the desire & ability to smuggle ; but I believe, I am right in saying that not a seer of Abkari opium leaves this district either for smuggling or any other purpose.")। সেই বিষয়ে তেওঁৰ সন্দেহ উপস্থিত হোৱাৰ বোলে কোনো হেতু নাছিল। কিয়নো, নগাঁৱত তেতিয়া কানিৰ পট্টাদাৰ আছিল বহুত (There is a very large number of licence holders), আৰু প্ৰত্যেকেই নিয়মিত সময়ত কম কম পৰিমাণৰ কানি পাই আছিল। সৰু-সুৰা বেপাৰীবোৰৰ দৰে নগঞা কেঁয়াসকল থাউকতে পোৱা লাভতে সন্তুষ্ট। চালান দিয়া আৰু আইনৰ দৃষ্টিত পৰিলে জৰিমনা ভৰাৰ লেখীয়া দুনা দায়িত্ব (double risk of transit & the penalties) লোৱা বিধৰ বেপাৰী তেওঁলোক নহয়।

ছকে আকৌ কৈছে যে নগাঁৱৰ পৰা কানিৰ চোৰাং চালান চলাৰ ক্ষেত্ৰত সামান্যতম সন্দেহো যদি তেওঁৰ থাকিলহেঁতেন,

তেওঁ তেওঁ কেপ্টেইন লয়ডৰ (Captain Lloyd) পৰামৰ্শ অনুযায়ী কাম কৰিলেহেঁতেন।[১] নগঞা কেঁয়াসকলে ঢাকালৈ কানিৰ চোৰাং চালান দিয়া হলে গুৱাহাটীৰ পৰা কোনেবাকৈ সাৰি গলেও ঢাকাতে তেওঁলোক ধৰা পৰিলহেঁতেন (If the Kyahs are in the habit of taking opium to Dacca, they would probably have been discovered there, even if they escaped detection at Gowhatty.)।

১ লয়ডৰ পৰামৰ্শ কি আছিল, জনা নাযায়

অসমৰ আন্তঃপৰিবহন সম্পৰ্কত হপ্‌কিন্‌ছন

৩১ জানুৱাৰী। ১৮৬২ খ্ৰীষ্টাব্দ। অসমৰ ৰেভিনিউ কমিছনাৰ তেতিয়া হেন্‌ৰি হপ্‌কিন্‌ছন। অসমৰ কেউখন জিলাৰ ডেপুটী কমিছনাৰলৈ তেওঁ উল্লিখিত তাৰিখে এখন চিঠি পঠিয়ালে বংগ গৱৰ্ণমেণ্টৰ অবৰ সচিব (Under Secretary) তেওঁলৈ দিয়া চিঠি এখনৰ প্ৰতিলিপিৰে সৈতে। নিজৰ চিঠিখনৰ জৰিয়তে হপ্‌কিন্‌ছনে অসমৰ মাজেদি আন্তঃপৰিবহনৰ অৰ্থে প্ৰধান ৰেলপথ খোলা সম্পৰ্কত অসমৰ চাহ-খেতিয়কসকলৰ মতামত জানিব খুজিলে (…to consult the Tea planters of Assam and to ascertain from them what their feeling is in regard to the opening up of trunk-lines of internal communication through the Province.)।

হপ্‌কিন্‌ছনৰ নিজৰ চিঠিখনত এটা কথা প্ৰকাশ পাইছে যে চাহখেতিৰ বেলিকা তেতিয়া অসমৰ চাহ-খেতিয়কসকলে দৰ্শাব পৰা একমাত্ৰ প্ৰতিবন্ধক আছিল বনুৱাৰ নাটনি। বিশ্বৰ আন ঠাইৰ লগত অসমৰ যাতায়াতৰ সুচল বৃদ্ধি কৰিব নোৱাৰিলে যে সেই প্ৰতিবন্ধক দূৰ কৰিব নোৱাৰি, আৰু যোগাযোগৰ সুচল হলেই যে সেই প্ৰতিবন্ধক আঁতৰিব, সেই কথাটো প্ৰায়বোৰ মানুহেই বিশ্বাস কৰিছিল বুলি তেওঁৰ চিঠিৰ পৰা জনা যায়। চাহ-খেতিয়কসকলে বনুৱাক যথেষ্ট পৰিমাণৰ মজুৰি নিদিয়ে বুলিও তেতিয়া কোনো কোনোৱে অভিযোগ তুলিছিল। আন কথাত কবলৈ গলে, চাহ-খেতিয়কসকলৰ বনুৱা অভিযাচন যথেষ্ট নাছিল বাবেই বোলে বনুৱাৰ যোগান যথেষ্ট নাছিল (… Their demand for labour is not an adequate one, and is therefore not followed by an adequate supply.)। এই ক্ষেত্ৰত হপ্‌কিন্‌ছনে কৈছিল যে অভিযাচনে যোগান সৃষ্টি কৰে বোলা তত্ত্বটোৱে যোগান-সামৰ্থ্য ক'ৰবাত থকাৰ পূৰ্বধাৰণা এটাকে সূচায় (…the dictum that

demand creates supply pre-supposes a capacity somewhere of supply.), আৰু যোগানৰ সোঁতা এটাও যে (a channel of supply) ক'ৰবাত মুকলি হৈ আছে, সেইটোও বুজায়। পিছে, তেওঁৰ মতে তেতিয়া যাতায়াতৰ অসুবিধাত অসমলৈ বনুৱা যোগানৰ সোঁতা মুকলি হৈ থকা নাছিল, আৰু উচ্চ হাৰৰ মজুৰিয়ে এই আপদটো লঘু কৰক চাৰি গধুৰ কৰি তুলিব পাৰে বুলিহে (higher wages can but aggravate the evil which they are given to palliate.) তেওঁ ভাবিছিল। এই প্ৰসংগত তেওঁ আৰাকানৰ ধানৰ ব্যৱসায়, মৌলমেনৰ চেগুন কাঠৰ ব্যৱসায়, মৰিচিয়াচৰ চেনিৰ ব্যৱসায়—এই আটাইবোৰতে উচ্চ হাৰত মজুৰি দিয়া বা:ৰ বনুৱাৰ যোগান যথেষ্ট পৰিমাণে পোৱাৰ দৃষ্টান্ত দাঙি ধৰিছিল। কিন্তু তেওঁ লগতে এইটোও কলে : "যদিহে এতিয়াৰ দৰেই বনুৱা দিব পৰা নাযায়, বা বনুৱা বিচাৰি পোৱা নাযায়, তেনেহ'লে অসমত উচ্চ হাৰত মজুৰি দিয়াটো অৰ্থহীন হৈ পৰিব।"

অসমৰ ডেপুটী কমিছনাৰসকলক সম্বোধন কৰি হপ্‌কিন্‌ছনে চিঠিখনত লিখিলে : "মই প্ৰায়েই শুনিবলৈ পাওঁ যে ব্ৰহ্মপুত্ৰই তোমালোকৰ ঘাই পথ। ব্ৰহ্মপুত্ৰ অতিশয় ধুনীয়া নৈ, বোধহয় ভাৰতৰ ভিতৰতে সবাতোকৈ ডাঙৰ নৈ; কিন্তু কলিকতাৰ পৰা উজনি অসমলৈ ব্ৰহ্মপুত্ৰয়দি নাৱেৰে যাবলৈ হ'লে তিনি মাহৰ বাট (Sometimes I hear it said, the Brohmopootro is your highway. The Brohmopootro is a very fine river, the noblest in India perhaps, but it is a three months passage for a boat from Calcutta to Upper Assam by the Brohmopootro.)। বনুৱা এজনে ভৰণ-পোষণ নোপোৱাকৈ কেনেকৈ সেই তিনি মাহৰ বাৰে তেওঁৰ ভ্ৰমখিনি হেৰুৱায় ?"

প্ৰদেশখনৰ ইমূৰৰ পৰা সিমূৰলৈ পথ-ব্যৱস্থা উন্নত কৰিলে আৰু বংগৰ লগত প্ৰদেশখনৰ সংযোগ ঘটালে কেৱল যে চাহ খেতিত বনুৱা যোগানৰহে সুবিধা হব এনে নহয়, পথ সংযোগেৰে অঞ্চলটোক মুকলি কৰি ৰখাত চাহ-খেতিয়কসকলৰ শক্তি আৰু উদ্যোগো সুগম হব বুলি কামছনাৰজনে ভাবিছিল। তদুপৰি পুলিচ-

মিলিটেৰীৰে জীৱন আৰু সা-সম্পত্তিৰ ৰক্ষণাবেক্ষণ দিয়া বা সমাজৰ স্বাৰ্থ আৰু সভ্যতাক আগুৱাই নিয়া কথাটোৰ গুৰুত্বও চাহ-খেতিয়কসকলে স্বীকাৰ কৰিব বুলি হপ্‌কিন্‌ছনে ধাৰণা কৰিছিল।

হপ্‌কিন্‌ছনৰ চিঠিখনৰ এটা অংশ এনেকুৱা : "ডিব্ৰুগড়ৰ চাহ-খেতিয়কসকলৰ বাবে বৰ্তমান আটাইতকৈ জৰুৰী প্ৰয়োজন হ'ল ডিব্ৰুগড়ৰ পৰা নৈলৈ যাব পৰা বাট এটা। শিৱসাগৰত দিখৌ-মুখ বাটছোৱাৰ প্ৰয়োজনো কোনোমতে উলাই কৰিব নোৱাৰি। লাওখোৱা ঘাট আৰু নগাঁৱৰ মাজৰ বাটছোৱাইদি যেয়ে গৈছে, তেৱেঁই কব লাগিব যে প্ৰদেশখনত অতি দৰকাৰী বাট এটা এতিয়াও হোৱা নাই। এই স্থানীয় বাটবোৰলৈ যথাসময়ত চকু দিয়া হ'ব বুলি মই আশা কৰোঁ। কিন্তু সম্প্ৰতি স্থানীয় বাটবোৰৰ কথা উঠা নাই। চৰকাৰে বৰ্তমান অসমৰ চাহ-খেতিয়কসকলক আহ্বান জনাইছে ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ সকলোৰে বাবে প্ৰয়োজনীয় কোনটো ঘাই পথৰ বাবে সকলোৱেই আগ্ৰহী, সেই কথাটো চিন্তা কৰিবলৈহে। আন্তঃসংযোগৰ উপায় হিচাপে এতিয়ালৈকে থকা গুৱাহাটীৰ পৰা নগাঁও, গোলাঘাট আৰু শিৱসাগৰ হৈ ডিব্ৰুগড়লৈ যাব পৰা পথছোৱা পোনতে সম্পূৰ্ণ হোৱাটোহে মই বিচাৰোঁ। অলপতে কৰ্ণেল ৰীডে কৰা জৰীপ মতে গোৱালপাৰাৰ মাজেদি প্ৰতিবেশী ৰংপুৰৰ জিলাবোৰলৈ আৰু খাচীয়া পাহাৰ পাৰ হৈ শ্ৰীহট্টলৈ শিল-গুটিৰে বন্ধোৱা সংযোগী পথ অনায়াসে নিৰ্মাণ কৰি পৃথিৱীৰ বাকী অংশৰ লগত অসমক মই সংযোগ কৰিম (I would bring Assam in contact with the rest of the world by junction roads to the neighbouring zillahs of Rungpore, through Gowalparah and Sylhet across the Cassyah Hills by the line lately surveyed by Colonel Reid which offers no obstacles to the construction of permanent metalled carriage roads.)।"

গুৱাহাটী-ৰংপুৰ আৰু গুৱাহাটী-শ্ৰীহট্টৰ মাজৰ বাট দুটাৰ ভিতৰত পোনতে পিছৰটো বাট নিৰ্মাণ কৰাতহে হপ্‌কিন্‌ছনে অগ্ৰাধিকাৰ দিছিল। কাৰণ, সেই বাটটো চুটি আৰু নিৰ্মাণ কৰিবলৈও বোলে সহজ। এইছোৱা বাটৰ যোগেদি শীঘ্ৰে বংগৰ লগত সংযোগ স্থাপিত হ'ব বুলি তেওঁ কৈছিল। ঢাকালৈ থকা বেলপথেদি সতৰাই

ৰাজধানী পোৱা, আৰু কলিকতাৰ পৰা অসমলৈ অহা ডাক-গাড়ীৰ বাটো এইছোৱাই । য়ুৰোপীয় উপনিবেশৰ নিমিত্তে সম্পূর্ণ উপযুক্ত দেশখনৰ বৃহৎ অঞ্চল এটা শীঘ্রে পোৱাটো নিৰাপদ কৰা আৰু দুখন প্রদেশক প্রায় একেলগ কৰা এইছোৱা বাটেই কাছাৰ আৰু অসমৰ সমূহীয়া স্বাৰ্থ অতি ভালদৰে পূৰণ কৰিব বুলিও তেওঁৰ বিশ্বাস আছিল (…because it at once renders accessible a large tract of country perfectly suited to European Colonization, and because of the community of interest between Cachar and Assam which a road almost uniting the two provinces together will so well serve.) ।

অসমৰ আন্তঃপৰিবহনৰ সম্পৰ্কত কমিছনাৰ হপ্‌কিন্‌ছনৰ দৃষ্টিভংগী আছিল সেয়ে । সংশ্লিষ্ট বিষয়টোৰ সম্পৰ্কত তেওঁৰ কৰণীয় আৰু কি, সেই বিষয়ে য়ুৰোপীয় চাহ-খেতিয়ক মহলৰ পৰা জানিবলৈ তেওঁ অপেক্ষা কৰিছিল ।

নগাঁৱৰ আমদানি-ৰপ্তানি আৰু উৎপাদন

১৮৬৩ / ৬৪ চনৰ নগাঁও জিলাৰ আমদানি-ৰপ্তানি বাণিজ্যৰ আনুমানিক বিবৰণ (The estimated statement of articles of trade exported from and imported to this district during the year 1863/64) তেতিয়াৰ জিলাধিপতি কেম্বেল চাহাবৰ (A. E. Campbell) টোকা এটাত আছে এনেদৰে ঃ—

আমদানি ঃ—

নিমখ	৩০,০০০	মোন	১৫০,০০০	টকা
বিভিন্ন প্ৰকাৰৰ দাইল	২,০০০	,,	৪,০০০	,,
ঘিউ	১,০০০	,,	৩০,০০০	,,
চেনি	১,০০০	,,	১৫,০০০	,,
বিভিন্ন ধৰণৰ কাপোৰ	৫০০	,,	২০,০০০	,,
ধঁপাত	২,০০০	,,	২০,০০০	,,
মচলা	৫০	,,	১০,০০০	,,
লো আৰু লোৰ সৰঞ্জাম	১,০০০	,,	৫,০০০	,,
সৰিয়হৰ তেল	১,০০০	,,	১৫,০০০	,,
ধান	২,০০০	,,	৫,০০০	,,
শন সূতা (Flax)	১০০	,,	৫০০	,,
আলুক	১০০	,,	১,৫০০	,,
পতা সোণ	২৫	সেৰ	৪০,০০০	,,

উল্লিখিত বছৰটোত আগৰ বছৰৰ দৰেই খেতিৰ বতৰত অনাবৃষ্টি হোৱা হেতুকে ধানখেতি প্ৰচুৰ পৰিমাণে নহ'ল ।

ৰপ্তানি ঃ—

সৰিয়হ	১০০,০০০	মোন	৩০০,০০০	টকা
কপাহ	৭০,০০০	,,	৪১০০,০০০	,,
লা	৫,০০০	,,	১০০,০০০	,,
মম	২০	,,	৪,০০০	,,
ৰবৰ (ভাৰতীয়)	৩০০	,,	৫,০০০	,,

হাতী-দাঁত	২০ মোন	৪,০০০ টকা
এৰী-সূতা	৪০ ,,	৮০০ ,,
মাহ	৫,০০০ ,,	১৫,০০০ ,,
বাঁহৰ চাবি	১,০০০ ,,	১০,০০০ ,,
গঁড়ৰ খড়্গ	১ ,,	১,২০০ ,,
চাহপাত	১,৫০০ ,,	৩০০,০০০ ,,
বেত	৫,০০০ ,,	৫,০০০ ,,
তামোল-পান	২০,০০০ ,,	৫,০০০ ,,

কেম্বেলৰ টোকাটোত কপাহৰ উৎপাদন সম্পৰ্কে এনেকৈ উল্লেখ কৰা হৈছে যে কপাহৰ চাহিদা বেছি হোৱা বাবে ইয়াৰ মূল্য মোনে ১৪ বা ১৫ টকালৈ বাঢ়িছে, আৰু সেই কাৰণে এই জিলাত কপাহৰ খেতি বৃদ্ধি পাইছে। এই সংক্ৰান্তত কেম্বেলে ১৮৬৪ চনৰ ৭ মাৰ্চত ৰেভিনিউ কমিছনাৰলৈ দিয়া চিঠিত (নং ৬১৮) কৈছে—"কপাহৰ ব্যৱসায় কৰা মাৰোৱাৰীসকলে কয় যে চলিত বিত্তীয় বছৰটোত এই জিলাৰ পৰা ৰপ্তানি হোৱা কপাহৰ পৰিমাণ প্ৰায় ৭০,০০০ মোন, আনহাতে আগৰ দুটা বছৰত ৰপ্তানিৰ পৰিমাণ গড়ে ৫০,০০০ মোনৰ বেছি নাছিল। গতিকে সংশ্লিষ্ট বছৰটোত ২০,০০০ মোন কপাহৰ উৎপাদন বাঢ়িছে। একেদৰেই ব্যৱসায়ীসকলে কয় যে আলোচ্য বছৰটোত কপাহৰ মান আগৰ বছৰতকৈ উন্নত। তাৰ কাৰণ হ'ল যোৱা বছৰতকৈ এই বছৰ বৰষুণ কম হোৱাটো।" কেম্বেলে আকৌ কৈছে: কপাহৰ খেতি সাধাৰণতে পাহাৰত আৰু ওখ মাটিত কৰা হয় বহাগ বা এপ্ৰিল-মে' মাহত, আৰু খেতি চপোৱা হয় আঘোণ বা নৱেম্বৰ-ডিচেম্বৰ মাহত।

কাগজৰ অপচয় প্ৰতিৰোধ

১৮৬৪ চনৰ কথা। নগাঁৱৰ ডেপুটী কমিছনাৰে সেই চনৰ মাৰ্চ মাহৰ ৯ তাৰিখে চৰকাৰলৈ এটা টোকা পঠিয়াইছিল। টোকাটোৰ বিষয়-বস্তু আছিল নগাঁৱৰ আৱৰ্ত ভৱনটো (the Circuit Bungalow) চোৱা-চিতা কৰিবৰ বাবে নিয়োগ কৰা চকীদাৰজনক ৰাজহ বিভাগৰ অধীনলৈ আনিবৰ বাবে বিচৰা কতৃ্ৰ্ত্ব।

টোকাটোৰ উত্তৰত অসমৰ কমিছনাৰলৈ ২১ মাৰ্চত বংগ চৰকাৰৰ অবৰ সচিবে (The under Secretary to the Gevernment of Bengal) এনেকৈ লিখিলে যোলে চকীদাৰজনৰ বিষয়ে জনাবলগীয়া সেই কথাটো ফুল্‌স্কেপ কাগজ এখিলাৰ আধা ভাগতে লিখিব পাৰিলেহেঁতেন। পিছে, তাৰ পৰিবৰ্তে কথাখিনি প্ৰতিলিপি কৰোঁতে সম্পূৰ্ণ এখিলা মন্ত্ৰণা-কাকত (?) অনাহকতে খৰচ কৰা হৈছে। মূল্যৱান কাকতৰ এনে অপৰিমিত অপচয় যাতে অতি শীঘ্ৰে বন্ধ কৰা হয়, তাৰ বাবে কমিছনাৰক অবৰ সচিবে অনুৰোধ জনাইছে এনেকৈ, "I am directed to point out that the statement, which could have been submitted on half a sheet of Foolscap has been unnecessarily copied on a full sheet of consultation paper, and to request that such extravagant waste of valuable paper may be at once put a stop to."

কমিছনাৰে ৩০ মাৰ্চত অবৰ সচিবৰ নিৰ্দেশটোৰ প্ৰতিলিপি ডেপুটী কমিছনাৰজনলৈ পঠিয়াই দিলে কাগজৰ অপচয় ৰোধ কৰিবলৈ অনুৰোধ জনাই (Copy forwarded to the D. C. Nowgong, with a request that they will put a stop to extravagant waste of valuable papers.)।

নগাঁও ইংৰাজী স্কুল

ঊনবিংশ শতিকাৰ অসমত ইংৰাজী শিক্ষাৰ স্কুলৰ পাৰিভাষিক নামান্তৰ আছিল 'জিলা স্কুল' (Zillah Schoo) । ১৮৬৪ চনৰ ৫ আগষ্টলৈকে দেশীয় ভাষাৰ স্কুল (Vernacular School) এখনৰ বাহিৰে নগাঁৱত ইংৰাজী শিক্ষাৰ স্কুল নাছিল বুলি তেতিয়াৰ নগাঁৱৰ ডেপুটী কমিছনাৰ ৰেবন চাহাবে (H. C. B. C. Reban) অসমৰ কমিছনাৰলৈ লিখা এখন চিঠিত (No. 24) প্ৰকাশ পাইছে (At Nowgong, there is not, what is termed technically a Zillah School, but merely a Vernacular School.) । ১৮৬৫ চনৰ ১৮ মে' তাৰিখে জিলাখনৰ স্থানাপন্ন ডেপুটী কমিছনাৰ কেম্বেলে (A. E. Campbell, Officiating Deputy Commissioner) অসমৰ কমিছনাৰলৈ লিখা চিঠি এখনতো (No. 166) নগাঁও জিলাত ইংৰাজী শিক্ষাৰ স্কুল এখন তেতিয়ালৈকে স্থাপিত নোহোৱা কথা দুখেৰে বিবৃত কৰিছিল (I regret to state, there is no English School as yet established in this District.) । অৱশ্যে সেই বছৰৰে, ১৮৬৫ খ্ৰীষ্টাব্দৰে দ্বিতীয়াৰ্ধত জিলাখনৰ সদৰ ঠাই নগাঁৱত জিলা স্কুল বা ইংৰাজী স্কুল এখন স্থাপিত হ'ল । সেইখনেই পিছলৈ জনাজাত হোৱা 'নগাঁও গৱৰ্ণমেণ্ট হাই স্কুল', বৰ্তমানৰ 'নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়' ।

এই স্কুলখন ১৮৬৫ খ্ৰীষ্টাব্দৰ ১৭ নৱেম্বৰত স্থাপিত হোৱাৰ কথা এতিয়ালৈকে সকলোৰে মাজত প্ৰচলিত । স্কুলখনৰ শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থতো সেই কথা আছে ;[১] কিন্তু ১৭ নৱেম্বৰত নহয়,

১. তেতিয়াৰ অধ্যক্ষ শ্ৰীকৃষ্ণদাস বৰুৱাই যুগুতোৱা প্ৰতিবেদনত ('Our School through the Century') কৈছে : "As a result, this School was born on 17th November, 1865." "...The Seventeenth of November, 1865, is indeed a red-letter day in the history of education of Nowgong". (Centenary Souvenir, Government Higher Secondary School, Nowgong ; P. 2.)

প্ৰকৃততে স্কুলখন স্থাপিত হৈছিল সেই চনৰ (১৮৬৫ খ্ৰীষ্টাব্দৰ) ১৫ আগষ্টত। ১৮৭২ চনৰ ২৯ মে' তাৰিখে নগাঁৱৰ ডেপুটী কমিছনাৰ শেৰাৰ (J. Sherer) চাহাবে অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ (The Personal Assistant to the Commissioner of Assam) ১৮৭১-৭২ চনৰ শিক্ষা-সংক্ৰান্ত বাৰ্ষিক প্ৰতিবেদন এটা পঠিয়াইছিল। সেই প্ৰতিবেদনত জিলাখনৰ তেতিয়াৰ শিক্ষানুষ্ঠানবোৰৰ সম্যক প্ৰতিচ্ছবি এখন প্ৰকাশ পাইছে।

ডেপুটী কমিছনাৰজনে প্ৰতিবেদনত জিলাখনৰ ইংৰাজী স্কুলখনৰ কথা কওঁতে সি স্পষ্ট ভাষাত লিখিছে যে এই স্কুলখন ১৮৬৫ চনৰ ১৫ আগষ্টত স্থাপিত হৈছিল (This institution was established on the 15th August 1865)। ১৮৭২ চনৰ ৩১ মাৰ্চত স্কুলখনৰ হাজিৰা বহীত মুঠ ছাত্ৰ-সংখ্যা আছিল ৯৫। সেই বছৰত দৈনিক উপস্থিতিৰ গড় সংখ্যা আছিল ৬৮'৮২। ১৮৭১ চনত ছাত্ৰ-সংখ্যা আছিল ৯১; দৈনিক উপস্থিতিৰ গড় সংখ্যা আছিল ৮৩'৮। আগৰ বছৰতকৈ পিছৰটো বছৰত দৈনিক উপস্থিতিৰ হাৰ হ্ৰাস পোৱাৰ কাৰণ সমগ্ৰ জিলাখনতে ১৮৭২ চনৰ আগষ্টৰ পৰা অক্টোবৰ মাহলৈকে ব্যাপক হোৱা কলেৰা মহামাৰী।

১৮৭২ চনত এই ইংৰাজী স্কুলখনত শ্ৰেণী আছিল ৬টা। প্ৰথম শ্ৰেণীৰ (এতিয়াৰ দশম) ল'ৰাহঁতে ৭২ চনৰ আৰু দ্বিতীয় শ্ৰেণীৰ (এতিয়াৰ নৱম) ল'ৰাহঁতে ৭৩ চনৰ বিশ্ববিদ্যালয় প্ৰবেশিকা পৰীক্ষাৰ বিষয়বোৰ পঢ়াৰ কথা প্ৰতিবেদনত আছে (The English School is divided into 6 classes; the boys of the 1st class read the subject of the University Entrance Examination for 1872, & those of the 2nd class for 1873.)। পিছে, ডেপুটী কমিছনাৰজনে দুখেৰে জনাইছে যে তেতিয়ালৈকে স্কুলখনৰ পৰা এজন ছাত্ৰও প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা নাছিল। ৭১ চনত স্কুলখনৰ এজন মাত্ৰ ছাত্ৰই পৰীক্ষা দিছিল, তেৱোঁ উত্তীৰ্ণ নহ'ল (...but I am sorry to say that not a single student has as yet succeeded in passing the Exam. Last year there was only one candidate from this school for the Exam. & he even failed.)। সফলহীনতাৰ বাবে চোকা ল'ৰাবোৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ

হোৱালৈকো বাট নাচাই চাকৰি বিচাৰি যোৱাটোৱেই সেই অকৃত-কাৰ্যতাৰ কাৰণ বুলি প্ৰশাসকজনে কৈছে ।

এই স্কুলখনৰ ১৮৭২ চনৰ বছৰেকীয়া পৰীক্ষা লোৱা ব্যক্তি-কেইগৰাকী আছিল ড° মাইলছ ব্ৰনছন, ৰেভাৰেণ্ড কে. ই. নেইবৰ, মিছেছ স্কট, ভোলানাথ দাস,* করুণাময় বন্দোপাধ্যায় আৰু গুণাভিৰাম বৰুৱা । ফলাফল মুঠতে ভালেই আছিল । (The Annual Exam. of the boys of this school was conducted by Dr. Bronson, the Revd. Neighbour, Mrs. Scott, Baboo Bholanath Das Executive Engineer, Baboo Karunamoy Banerjee, Baboo Goonabhiram Sharma Ex. Asstt. Comrs., & the result of this Exam., as reported by the examiners, was on the whole good.) । প্ৰতিষ্ঠাকালৰে পৰা স্কুলখনৰ প্ৰধান শিক্ষক আছিল জন্মেজয় দাস (Baboo Janmejay Das has been the Head Master of the school since its establishment.) ।

স্কুলখনৰ শতবাৰ্ষিকী উৎসৱৰ স্মৃতিগ্ৰন্থত জন্মেজয় দাসৰ কাৰ্যকাল ১৮৬৫ চনৰ ১৭ নৱেম্বৰৰ পৰা ১৮৭২ চনলৈকে বুলি দেখুওৱা হৈছে । কিন্তু আমি পোৱা তথ্য মতে জন্মেজয় দাসে ১৮৬৫ চনৰ আগষ্ট মাহৰ ১২ তাৰিখে বা তাৰো পূৰ্বে স্কুলখনৰ প্ৰধান শিক্ষক ৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল । প্ৰকৃততে জন্মেজয় দাসক প্ৰধান শিক্ষকৰূপে নিযুক্তি দিয়াৰ পাছতহে স্কুলখনৰ প্ৰতিষ্ঠাপন সম্পন্ন হৈছিল । ১৮৬৫ চনত নগাঁৱৰ স্থানাপন্ন ডেপুটী কমিছনাৰ কেম্বেল চাহাব আছিল বুলি আমি পূৰ্বে কৈ আহিছোঁ । কেম্বেলে ১৮৬৫ চনৰ ১২ আগষ্টত জন্মেজয় দাসলৈ লিখা এখন চিঠিয়েও (No. 123) সেই কথাৰ সাক্ষ্য বহন কৰিছে । স্কুলখন ক'ত বহুৱাব, সেই বিষয়ে জন্মেজয় দাসে জিলাধিপতিলৈ লিখা এখন চিঠিৰ² উত্তৰত স্কুলখন সাময়িকভাৱে তেতিয়া দেশীয় ভাষাৰ (Sudder

* সাহিত্যিকজন নহয়, ইঞ্জিনীয়াৰহে ; সাহিত্যিক ভোলানাথ দাসো এইখন স্কুলৰ পৰাই প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল ১৮৭১ চনত ।

২. মন কৰিব লগীয়া যে জন্মেজয় দাসে স্কুল সম্পৰ্কত লিখা প্ৰথম চিঠি (Letter No. 1) সেইখনেই ।

Vernacular) স্কুলখনতে৩ বহুৱাবলৈ কেম্বেলে নির্দেশ দিছিল। স্থানাপন্ন জিলাধিপতিগৰাকীৰ চিঠিখনৰ পূর্ণ পাঠ এনেকুৱা ঃ—

To
Baboo Junmejoy Dass,
Head Master, Nowgong School.
Dt. Nowgong the 12th August 1865.

Sir,

With reference to your letter No. 1 dated this day, I have the honor to inform you that you will have to establish your school, for the present in the Vernacular School.

I have the honor to be
Sir,
Your most obedient servant,
A. E. Campbell.
Offg. Dy. Comr.

আগষ্ট মাহৰ ১৫ তাৰিখে স্কুল আৰম্ভ কৰিয়েই প্রধান শিক্ষক জন্মেজয় দাসে পিছদিনা অর্থাৎ ১৬ তাৰিখে দেশীয় স্কুলখনৰ চৌহদত ইংৰাজী স্কুলৰ পিয়নজনৰ আবাস এটা নির্মাণ কৰাৰ বাবে ডেপুটী কমিছনাৰৰ অনুমতি বিচাৰিলে। অনুমতি দিয়াত ডেপুটী কমিছনাৰৰ কোনো ধৰণৰ আপত্তি নাই বুলি তেওঁক ১৬ আগষ্ট তাৰিখেই জনোৱা হ'ল (With reference to your letter without No. dated this day, I have the honor to inform you that I have no objection in permitting you to erect a hut within the School Compound for the accomodation of the Peon attached to your School.)। গতিকে দেখা গ'ল যে নগাঁও ইংৰাজী স্কুলৰ প্রধান শিক্ষক জন্মেজয় দাসৰ কার্যকাল উল্লিখিত স্মৃতিগ্রন্থত দেখুওৱা তাৰিখতকৈ অন্ততঃ ৩ মাহ ৫ দিন পূর্বে আৰম্ভ হৈছিল।

পিছে, এই স্কুলখনৰ প্রথমজন প্রধান শিক্ষক বংগদেশৰ জন্মেজয় দাস নহৈ অসমৰ ফটিকচন্দ্র বৰুৱাও হ'ব পাৰিলেহেঁতেন। সেই কথা

৩. সেইখন স্কুল স্থাপিত হৈছিল ১৮৩৭ চনত।

প্ৰকাশ পাইছে ১৮৬৫ চনৰ ১৬ জুনত কেম্বেল চাহাবে গুৱাহাটীত থকা অসমৰ স্কুল-পৰিদৰ্শকলৈ লিখা চিঠি (No. 66) এখনত। এই চিঠিখনৰ পৰা এই কথাও পোহৰলৈ আহিছে যে স্কুলখনৰ যাৱতীয় খৰচৰ বাবে চৰকাৰে মাহিলি ২১৮ টকাৰ মঞ্জুৰি এটা আগবঢ়াইছিল, আৰু সেই কথা স্কুল-পৰিদৰ্শকজনে ৯ জুন তাৰিখে কেম্বেললৈ লিখা চিঠি এখনত (No. 204) উল্লেখ কৰা হৈছিল। স্কুল-পৰিদৰ্শকৰ ২০৪ সংখ্যক চিঠিখন পোৱাৰ পাছতে স্কুল-পৰিদৰ্শকে বিচৰা মতেই কেম্বেলে ফটিকচন্দ্ৰ বৰুৱাক মাহিলি ৩০ টকা বেতনত স্কুলখনৰ শিক্ষকৰ পদ এটা যাচিলে। কিন্তু ফটিকচন্দ্ৰ তেতিয়া মাহিলি ৩৫ টকীয়া বেতনৰ আমোলা আছিল বাবে ৩০ টকীয়া দৰমহাৰ শিক্ষকতা বৃত্তিটো গ্ৰহণ কৰিবলৈ মান্তি নহ'ল। ফটিকচন্দ্ৰ বৰুৱাৰ বাহিৰে তেতিয়া উপযুক্ত স্থানীয় আন কোনো ব্যক্তিৰে নাম চুপাৰিছ কৰিব নোৱৰা হেতুকে সেই পদটোত ঢাকাৰ ব্যক্তি এজনকে নিয়োগ কৰিব লাগে বুলি কেম্বেলে স্কুল-পৰিদৰ্শকক জনালে। কেম্বেলৰ নিজৰ ভাষাত কথাখিনি এনেকুৱা ঃ "I offered Futick Chunder a teachership in the school at Rs. 30/- per mensem as required by you; but he declined accepting it, as his present salary is Rs. 35/- per mensem. I therefore request the favor of your securing the service of a man from Dacca as suggested by you, as there is no person here whom I could recommend for the appointment."

জে. শ্চৰাৰে প্ৰতিবেদনখনত সাধাৰণ মন্তব্য হিচাপে এনে এষাৰ কথাও কৈছিল যে জিলাখনৰ শিক্ষাৰ্থীবোৰ সাধাৰণতে কৃষিজীৱী শ্ৰেণীৰ হলেও ইংৰাজী স্কুলখনৰ ল'ৰাবোৰ পিছে সম্ভ্ৰান্ত আৰু আঢ্যৱন্ত পৰিয়ালৰহে (The pupils generally belong to the agricultural class, but the English School is attended by pupils of the more respectable classes, and whose parents are better off.)।

ঢাকা বজাৰৰ কম্বল

১৮৬৪ চনৰ ১১ আগষ্টত নগাঁৱৰ ডেপুটী কমিছনাৰে ঢাকাৰ মেজিষ্ট্ৰেটলৈ লিখা এখন চিঠিত (No. 60) ঢাকা বজাৰৰ পৰা কম্বল কিনাৰ কথা আছে। তেতিয়া ঢাকাৰ মেজিষ্ট্ৰেট আছিল ড্ৰামণ্ড চাহাব (E. Diummond, Magistrate of Dacca)। ১৭ ছেপ্টেম্বৰত ড্ৰামণ্ডে লিখিলে বোলে তেতিয়া তাত কিনিব পৰা নতুন কম্বল নাছিল। কেইজনমান দোকানীৰ হাতত থকা পুৰণা কম্বলকেইখনো ব্যৱহাৰোপযোগী নহয় (…there are no fresh blankets here in the market at present for sale. The very few old blankets which some of the shop-keepers have are not fit for use)।

ঢাকাৰ পৰা এবেলাৰ বাটত ৰেকাবি বজাৰ। তাত নৱেম্বৰ মাহত তেতিয়া এখন মেলা বহে। সেই মেলাত প্ৰচুৰ পৰিমাণে কম্বল ওলায়। ভাল বিধৰ কম্বলবোৰ বোলে ১৮৬৩ চনত খনে দুটকাকৈ বিক্ৰী হৈছিল; সাধাৰণ বিধবোৰ বিক্ৰী হৈছিল খনে এটকা আঠ অনাকৈ (…those of good were sold last year at 2 Rs. each and the inferior ones at 1/8.)।

হলধৰ দাৰোগাৰ চাকৰি

১৮৬১ চনৰ ফুলগুৰিৰ খেৰাত লেফ্‌টেনেণ্ট ছিংগাৰ চাহাবক ফুলগুৰীয়া ৰাইজে হত্যা কৰিছিল। ছিংগাৰ চাহাবৰ লগত আছিল পুলিচ দাৰোগা হলধৰ বৰুৱা। কৰ্নেল এগ্নিউ (Col. Agnew) চাহাবৰ বিচাৰত ছিংগাৰ চাহাবৰ মৃত্যুৰ বাবে হলধৰ দাৰোগাও অপৰাধী সাব্যস্ত হোৱাত দাৰোগাজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ'ল—১৮৬২ চনত। হলধৰ দাৰোগাই চাকৰিত পুনৰ নিযুক্তি পাবৰ বাবে বিচাৰক কৰ্নেল হটন (Col. Haughton)ৰ ওচৰত আবেদন জনালে। হটনে এগ্নিউ চাহাবৰ ৰায়ৰ বিপৰীত মত দি হলধৰ দাৰোগাক দোষমুক্ত কৰি তেওঁৰ পুনৰ্নিযুক্তিৰ বেলিকা থকা মানাহি উঠাই লোৱাৰ নিৰ্দেশ দিলে। কিন্তু হলধৰ দাৰোগাৰ পুনৰ্নিযুক্তি হোৱা উচিত নে অনুচিত, সেই প্ৰসংগত অসমৰ কমিছনাৰে নগাঁৱৰ ডেপুটী কমিছনাৰৰ পৰা দাৰোগাজনৰ চাকৰি কালৰ কাৰ্য-কলাপৰ বিষয়ে এটা টোকা বিচাৰিলে ১৮৬৭ চনৰ ৮ জানুৱাৰীত (Memo No. 52)। সেই চনৰ ৩০ জানুৱাৰীত ডেপুটী কমিছনাৰ লয়ডে (E. P. LIOYD) দাৰোগাজনৰ বিষয়ে দিয়া টোকাটো (No. 31 of 1867) এনে ধৰণৰ:—

আবেদনকাৰীজনক (হলধৰ বৰুৱাক) চাকৰিৰ পৰা কৰ্নেল এগ্নিউ চাহাবে ১৮৬২ চনত বৰ্খাস্ত কৰিছিল এইবাবেই যে লেফ্‌টেনেণ্ট ছিংগাৰৰ হত্যাকাৰীকেইজনৰ বিচাৰ কৰোঁতে হলধৰ দাৰোগাই যি সাক্ষ্য দিছিল, তাৰ পৰা এই কথা প্ৰমাণিত হ'ল যে দাৰোগাজন আৰু তেওঁৰ তলতীয়া চিপাহীকেইটাৰ জঘন্য ভীৰুতা আৰু উদাসীনতাৰ বাবেই ছিংগাৰে মৃত্যু বৰণ কৰিবলগীয়া হ'ল (The petitioner was dismissed by Col. Agnew in 1862 on account of the disclosures that came out in the trial of the murderers of the Late Lieutt. Singer, which shewed that the officer met his death from the arrant cowerdice or indifference of the petitioner and the police under him.)।

হলধৰ দাৰোগাই কৰ্নেল হটনৰ ওচৰত আপীল কৰাত হটনে ৰায় দিলে যে চৰকাৰী বিষয়াজনক ৰক্ষণাবেক্ষণ দিব নোৱৰাত প্ৰকাশ পোৱা দাৰোগাজনৰ স্বাভাৱিক দুৰ্বলতা একো গহিত কথা নহয় (nothing culpable in petitioner's exhibiting the natural weakness and protecting a Govt. servant he was paid to protect.)। সেইবাবে এগ্নিৱে দিয়া ৰায়টো পৰিবৰ্তন কৰিবলৈ নিৰ্দেশ আহিল। হটনে দিয়া ৰায়টোত তেওঁ কলে যে অসাহসিকতা অসমীয়াৰ এটা জাতীয় দুৰ্ভাগ্যহে; অপৰাধ নহয় (the want of courage of the Assamese is a national misfortune, and not a crime.)। গতিকে আবেদনকাৰী হলধৰ দাৰোগাৰ পুনৰ্নিযুক্তিৰ ক্ষেত্ৰত থকা মানাহি (the interdict to petitioner's re-employment) উঠাই লব লাগে।

পিছে, ডেপুটী কমিছনাৰ লয়ডে কমিছনাৰলৈ লিখা টোকা-টোত হলধৰ দাৰোগাৰ বিষয়ে জনালে যে হলধৰ বৰুৱাই হেনো পুলিচ আৰু ফৌজদাৰী বিভাগত থকা অৱস্থাত প্ৰচুৰ ধন-সম্পত্তি গোটাইছিল। লয়ডে জনা মতে, দাৰোগাজনে ৫,০০০ (পাঁচ হাজাৰ) টকা ধাৰলৈ দি সুদ লৈছিল (The petitioner during his incumbency in the Police and Fouzdaree, amassed a very large fortune, and has lent sums of money at interest, to my knowledge, of Rs. 5000 five thousand.)। গতিকে সেইজন মানুহক চাকৰিত পুনৰ মকৰল কৰিবলৈ লয়ডে চুপাৰিছ কৰিব নোৱাৰে। হলধৰ দাৰোগাক তেওঁ কেইবাবছৰো ধৰি চিনি পায়। লয়ডৰ মতে, হলধৰ দাৰোগা কোনো দিনেই সাধু প্ৰকৃতিৰ লোক নাছিল (I cannot recommend him for re-employment. I have known the petitioner for years, and he was never in my opinion a man of integrity.)।

গণিকা আৰু দেৱদাসী

১৮৭২ চনৰ ১৫ মে' তাৰিখে নগাঁৱৰ ডেপুটী কমিছনাৰ জে. শ্চেৰাৰে অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ (The Personal Assistant to the Commissioner, Assam) লিখা এখন চিঠিত অসমৰ দেৱদাসীসকলকযে গণিকাৰ শাৰীত পেলাব নোৱাৰি, সেই কথা প্ৰকাশ পাইছে। কমিছনাৰৰ ব্যক্তিগত সহকাৰীয়ে সেই চনৰ ১ মে' তাৰিখে পঠোৱা এখন বিজ্ঞপ্তিৰ পৰা (Cir. No 3T) সংশ্লিষ্ট বিষয়টোৰ সম্পৰ্কত বংগদেশৰ চৰকাৰ আৰু ভাৰত চৰকাৰে প্ৰতিবেদন এটা বিচাৰিছিল বুলি জনা যায়। ডেপুটী কমিছনাৰজনে গুণাভিৰাম বৰুৱাৰ দ্বাৰা উল্লিখিত বিষয়ৰ প্ৰতিবেদন এটা যুগুতোৱাই নিজৰো বক্তব্য দাঙি ধৰিলে (...a report from Extra Assistant Commissioner Goonabhi Ram on the subject alluded to by the Bengal Govt. & Govt. of India, I beg also to offer myself the following remarks in the matter.)।

গুণাভিৰাম বৰুৱাৰ প্ৰতিবেদনটো আমি এতিয়াও পোৱা নাই। অৱশ্যে তেওঁৰ 'আসাম বুৰঞ্জী' প্ৰকাশ পোৱা সময়ৰ (১৮৮৪) আগে আগে "নগৰত বেশ্যাবৃত্তি সৃষ্টি" হোৱাৰ কথা তেওঁ কৈ গৈছে; লগতে, "গ্ৰামত লোকে ইয়াক নাজানে" বুলিও কৈছে।

ডেপুটী কমিছনাৰ শ্চেৰাৰৰ ব্যক্তিগত ধাৰণা মতে দহ বছৰৰ কম বয়সীয়া ছোৱালীক অসৎ অভিপ্ৰায়েৰে পলুৱাই বা অপহৰণ কৰি গণিকালয়ত ৰখা দস্তুৰটো বিশেষকৈ নগাঁও জিলাত নাছিল। নিজে কামৰূপ জিলাত থকা কালছোৱাৰ অভিজ্ঞতাৰ পৰা অৱশ্যে তেওঁ জানিছিল যে ভাৰতৰ এই খণ্ডত বহুতো কুমলীয়া গাভৰুক কামাখ্যা আৰু হাজো আদি মন্দিৰৰ সেৱাৰ বাবে অৰ্পণ কৰা হয়, আৰু তাৰ ফলত বয়োপ্ৰাপ্তিৰ আগে আগেই ছোৱালীবোৰে কাৰ্যতঃ আপোনা-আপুনি অসৎ জীৱন এটা সাৱটি লব লগা হয় (Having regard to the customs of this part of India, I believe from my knowledge of the Kamroop

District that many young girls are dedicated at an ealry age to the service of Temples like Kamakhya & Hajoo, & are in consequence practically committed to an immoral course of life before they themselves come of age.)। তেনে পৰিপ্ৰেক্ষিতত বিষয়টোত হস্তক্ষেপ কৰা বা সেই অৱস্থাৰ প্ৰতিকাৰৰ বাবে বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰাটো চৰকাৰৰ পক্ষে বৰ সহজ নহয়। অসৎ অভিপ্ৰায়ত ৰক্ষেৰে পলুৱাই নিয়া বা অপহৰণ কৰাৰ বেলিকা দণ্ডবিধি আইনৰ ব্যৱস্থাৱলীয়েই যথেষ্ট, কিন্তু যি স্থলত পিতৃ-মাতৃ আৰু অভিভাৱকে পৰিণতিৰ কথা জানিও নিজৰ নাবালিকা জীয়েকহঁতক মন্দিৰৰ সেৱাৰ অৰ্থে উছৰ্গা কৰে, তেনে অৱস্থাত সন্তোষজনক সমাধান এটা উলিওৱাটো সহজ নহয় (…where parents and guardians voluntarily dedicate their minor daughters & female children to the service of temples, knowing the life they are practically committed to, the finding of a suitable remedy is not easy.)। এই ক্ষেত্ৰত শেচবাৰে দাঙি ধৰা পৰামৰ্শটো হ'লঃ— তেনেকুৱা দহ বছৰৰ কম বয়সীয়া ছোৱালীবোৰৰ নাম পঞ্জীবদ্ধ হ'ব লাগে, প্ৰতিজনী ছোৱালীক ব্যক্তিগত ভাৱে আদালতত হাজিৰ কৰাব লাগে, আৰু ছোৱালীজনীৰ পূৰ্ব বৃত্তান্ত সম্পৰ্কে সুধি কৰ্তৃপক্ষ নিশ্চিত হ'ব লাগে।

শেষত ডেপুটী কমিছনাৰজনে কৈছে যে প্ৰদেশখনৰ দেশীয় মানুহখিনিৰ মাজত প্ৰচলিত অসমীয়া মন্দিৰৰ এই ৰীতিটো তেওঁৰ বিবেচনা মতে নিম্নগামী বা পৰিবৰ্তিত হোৱা নাই (I do not myself think that the practice as it exists in the Assamese temples is deemed either degrading or revolving by the native of this Province.)।

আদালতৰ ভাষা সম্পৰ্কত এজন ব্ৰিটিছ প্ৰশাসক

১৮৭২ চন। অসমৰ আদালতৰ পৰা বঙলা ভাষা তেতিয়াও অপসাৰিত হোৱা নাই। কিন্তু বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাৰ পুনৰ্বাসন-প্ৰণিধান ৰজাঘৰ-প্ৰজাঘৰত তেতিয়া বাক্কৈয়ে চলিছে। প্ৰায় দুকুৰি বছৰ কাল চলি অহা বঙলা ভাষাৰ ঠাইত অসমীয়া ভাষাক অসমৰ আদালতত পুনৰ সংস্থাপিত কৰাৰ সংগতিনো কিমান, সেই কথা জানিবৰ বাবে ১৮৭২ চনৰ মে' মাহৰ ১৭ তাৰিখে চৰকাৰে এখন বিজ্ঞপ্তি (নং ৩০৪৫) প্ৰচাৰ কৰিলে। অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীয়ে (The Personal Assistant to the Commissioner of Assam, Shillong) সেই মাহৰ ২৩ তাৰিখে অসমৰ ডেপুটী কমিছনাৰসকললৈ লিখিলে চৰকাৰৰ বিজ্ঞপ্তিখনৰ ভিত্তিত প্ৰতিবেদন দাখিল কৰিবলৈ। নগাঁৱৰ ডেপুটী কমিছনাৰ আছিল তেতিয়া শেৰাৰ চাহাব (J. F. Sherer)। তেওঁ সেই বছৰৰ ১৯ জুন তাৰিখে লিখা চিঠিৰে (নং ৩৬৪) অসমৰ আদালতত বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰা সম্পৰ্কত তেওঁৰ ব্যক্তিগত অভিমত (…my own personal opinicn, on subject mooted in the Govt. letter above quoted viz. regarding the propriety of substituting Assamese for Bengali in the Government Courts in Assam) প্ৰকাশ কৰিছিল।

চিঠিখনত শেৰাৰে পোনতে কলে যে অসমৰ আদালত আৰু পঢ়াশালিৰ ভাষা প্ৰকৃততে কি হোৱা উচিত, সেই কথা নিৰ্ণয় কৰাৰ পূৰ্বে জিলাখনৰ ৰাইজৰ প্ৰকৃত থলুৱা ভাষা কি, সেইটোহে থিৰাং কৰা প্ৰয়োজন (It appears to me that to find out what should really be the language of the courts & schools in Assam, it is first of all natural & necessary to ascertain what is the real vernacular of the natives & people of the district.)। এই ক্ষেত্ৰত

তেও কৈছে যে নগাঁও জিলাৰ যিবোৰ মানুহ আদালতলৈ তেতিয়া যায়, সেই মানুহবোৰৰ গৰিষ্ঠ সংখ্যকেই আদালতত অসমীয়া ভাষাহে কয়, আৰু অসমীয়া ভাষা তেওঁলোকে নিজৰ নিজৰ ঘৰতো ব্যৱহাৰ কৰে। জিলাখনত দেশীয় গাঁৱলীয়া পঢ়াশালিৰ সংখ্যা নিচেই কম; কিন্তু যি কেইখন পঢ়াশালি আছে, সেই কেই-খনত কেৱল অসমীয়া ভাষাহে শিকোৱা হয়।

তেতিয়া জিলাখনৰ আদালতৰ বিভিন্ন কাৰ্যালয়ত কাম কৰা মুঠ ৪১ জন দেশী আমোলাৰ ভিতৰত ৩৪ জনেই আছিল অসমীয়া; বাকী ৭ জন আছিল বঙালী আৰু পূৰ্বভাৰতীয়। তদুপৰি আদালতত ওকালতি কৰি থকা ৯ জন উকীলৰ ভিতৰত মাত্ৰ ২ জনহে বঙালী; ৭ জনেই অসমীয়া। ফৌজদাৰী, ৰাজহ বা দেৱানা আদালতত যিবোৰ মোকৰ্দমা ৰুজু হয়, সেই মোকৰ্দমাবোৰৰ তিনি-চতুৰ্থাংশ গুচৰীয়া-পদকীয়া অসমীয়া। তেওঁলোকে তেওঁলোকৰ সাক্ষ্য আৰু জবানবন্দী নিজৰ মাতৃভাষা অসমীয়াতহে দিয়ে। বঙলা ভাষাত লিপিবদ্ধ মোকৰ্দমা বা নালিচ একোটাৰ বিবৰণ অসমীয়া ভাষাত সম্পূৰ্ণকৈ বুজাই নিদিয়ালৈকে গুচৰীয়া-পদকীয়াই একো নুবুজে। জিলাখনৰ থলুৱা মানুহখিনিৰ সাক্ষ্য লওঁতেও মানুহখিনিয়ে অসমীয়া ভাষাতহে সাক্ষ্য দান কৰে।

শেচৰাৰৰ মতে, জিলাখনৰ অৱস্থাপন্ন আৰু সুশিক্ষিত অসমীয়া মানুহখিনিয়ে যে বঙলা ভাষাত সৰ্‌সৰীয়াকৈ কথা পাতিব পাৰে, বা বঙলা ভাষা লিখিব পাৰে, সেইটো সঁচা কথা; কিন্তু আদালতলৈ অহা থলৱা মানুহখিনিৰ সৰহ ভাগেই অজ্ঞ আৰু নিৰক্ষৰ। তেওঁ-লোকে নিজৰ মাতৃভাষা অসমীয়াহে বুজে মাথোন; বঙলা ভাষা তেওঁলোকে অলপো নুবুজে। শেচৰাৰে স্বীকাৰ কৰিছে যে বঙলা ভাষা আৰু অসমীয়া ভাষাৰ মাজত হয়তোবা কিছু সাদৃশ্য আছে; কিন্তু সেইবুলিয়েই এই প্ৰদেশখনৰ সৰহভাগ থলুৱা মানুহে বঙলা ভাষা সতকাই আৰু সহজে বুজে বুলি যিসকলে কয়, সেইসকলৰ মাজত তেওঁ নাই (...but I am not one of those prepared to admit that the former is readily & easily understood by the mass of the natives of this particular Province.)। অসমৰ প্ৰায় প্ৰতিটো অঞ্চলৰ বিভিন্ন জাতৰ আৰু বিভিন্ন ধৰ্মৰ থলুৱা মানুহৰ লগত যোলে

শ্চেৰাৰে বিভিন্ন সময়ত কথা-বতৰা পাতিছিল । সেই সেই সময়ত হোৱা তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা তেওঁ দ্বিধাহীনভাৱে চিঠিখনত প্ৰকাশ কৰি কৈছে যে গৰিষ্ঠ সংখ্যক মানুহেই নিভাঁজ অসমীয়া ভাষাত কথা কয় (···I do not hesitate to state that the majority & bulk of the people speak the pure Assamese language) । প্ৰদেশখনৰ যি কেইখন জিলা শ্চেৰাৰে ভ্ৰমণ কৰিছিল, সেই জিলাকেইখনৰ মানুহখিনিৰ কথিত ভাষাৰ মাজত যে স্পষ্ট পাৰ্থক্য নাই, আৰু সমগ্ৰ অসমৰ লিখিত অসমীয়া ভাষাযে একেই, সেই বিষয়ত থকা তেওঁৰ অৱগতিৰ কথাও কমিছনাৰৰ ব্যক্তিগত সহকাৰীক শ্চেৰাৰে জনাইছিল । কথাখিনি প্ৰশাসকগৰাকীৰ নিজৰ ভাষাত এনেকুৱা : "As far as I am aware, there is no marked difference in the dialects of the people of the different districts in the Province that I have visited, & I believe, the written Assmese language is the same all over Assam."

প্ৰশাসকগৰাকীয়ে আৰো কৈছে : "অসমৰ আদালতৰ ভাষা বঙলা বুলিয়েই এতিয়ালৈকে বিবেচিত হৈ আহিছে আৰু বঙলা ভাষায়েই আদালতত চলি আহিছে । কিন্তু মই ভাবোঁ যে দস্তুৰমতে অসমীয়া ভাষা চলোৱা কথাটো জিলাখনৰ সুশিক্ষিত আৰু অধিক প্ৰভাৱশালী থলুৱা মানুহখিনিয়ে অতি সন্তোষেৰে আদৰিব (··· I am disposed to think that the formal adoption of Assamese would be hailed with the highest satisfaction ever by the better educated & more influential natives of the district.) । কিয়নো, আদালতত গোচৰ তৰা নিৰক্ষৰ আৰু অজলা মানুহখিনিৰ কাম-কাজ কৰিবলৈ অসমীয়া ভাষাহে অধিক সুবিধাজনক ।"

অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ দিয়া প্ৰতিবেদনটোৰ শেষত শ্চেৰাৰে অভিমত দাঙি ধৰিছে এনেকৈ : "মোৰ নিজৰ কথা কবলৈ গলে, বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাক স্বীকৃতি দিয়া আৰু অসমীয়া ভাষা চলোৱাৰহে মই পক্ষপাতী (For myself, I am inclined to favor the recognition & adoption of Assamese in lieu of Bengali) । কাৰণ

দুয়োটা ভাষাৰ ভিতৰত সৰহ ভাগ মানুহৰে উপযোগী ভাষা অসমীয়াহে। মানুহখিনিৰ ওজৰ-আপত্তি বা আবেদন-নিবেদনৰ শুনানী সেই ভাষাতহে হ'ব লাগে যিটো ভাষা বেছি ভাগ মানুহেই অনায়াসে বুজি পায়, আৰু যিটো ভাষাত শৈশৱৰে পৰা মানুহখিনি অভ্যস্ত (…in a language they can readily understand & are accustomed to from their childhood.)" ।

নগাঁও নগৰ

১৮৩৭ চনত মেক্‌কোছে (John M'cosh) কৈ যোৱা মতে উনবিংশ শতিকাৰ ব্ৰিটিছ প্ৰশাসনৰ আদি ভাগত নগাঁও বুলিলে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মধ্য অসম খণ্ডকে বুজাইছিল। এই খণ্ডটোৰ পৰিসীমা আছিল পশ্চিমত কলংসুঁতিৰ পাৰৰ জাগী চকীৰ পৰা পূবে ধনশিৰী নৈলৈকে। উত্তৰত ব্ৰহ্মপুত্ৰ, দক্ষিণত কাছাৰ আৰু জয়ন্তীয়া পাহাৰ।[১] উইলিয়াম ৰবিন্‌ছনৰ মতে জিলাখনৰ পশ্চিম আৰু দক্ষিণ-পশ্চিম সীমা নিৰ্ধাৰিত আছিল ব্ৰহ্মপুত্ৰ, কলং আৰু কামৰূপৰ দেশ তিমৰীয়াৰে।[২] ১৮৭৯ চনত ডব্লিউ ডব্লিউ হাণ্টাৰৰ (W. W. Hunter) অসমৰ পৰিসংখ্যাগত বিৱৰণত আছে যে জিলাখন প্ৰায় ২৬ আৰু ২৫ ডিগ্ৰী উত্তৰ অক্ষাংশ আৰু ৯২ আৰু ৯৩ ডিগ্ৰী পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত (…is situated between 26°44′50″ and 25°47′0″ north latitude, and between 92°0′0″ and 93°54′0″ east longitude)।[৩] হাণ্টাৰে জিলাখনৰ পূব সীমা নিৰ্ধাৰণ কৰি গৈছে দিহিং আৰু কলীয়ানী নৈ আৰু নগা পাহাৰেৰে। আদিতে নগাঁও কামৰূপ জিলাৰে এটা অংশ মাথোন আছিল; ১৮৩২ চনতহে পৃথক প্ৰশাসনীয় গোটৰূপে নগাঁও জিলা স্থাপিত হ'ল।[৪]

জিলাখনৰ সদৰ ঠাই ১৮৩৩ চনত পুৰণিগুদামত, ১৮৩৫ চনত ৰঙাগড়াত, আৰু ১৮৩৯ চনত নগাঁৱত পতা হৈছিল বুলি নগাঁৱৰ জিলা বিৱৰণিকা (Nowgong District Gazetteer)ত কোৱা হৈছে। জন বাট্‌লাৰৰ মতে ১৮৩৩ চনৰ জুলাই মাহত ৰুডাৰফোৰ্ডে (Lt. Rutherford) পুৰণিগুদামত জিলাৰ সদৰ

১. Topography of Assam; Logos Press, 1986, P. 94.
২. A Descriptive Account of Assam; Sanskaran Prakashak, 1975, P. 305.
৩. A Statistical Account of Assam; B. R. Publishing Corporation, 1982, P. 171.
৪. উল্লিখিত গ্ৰন্থ, পৃ. ১৭১

স্থাপন কৰিছিল ।[৪ক] কিন্তু মেক্‌কোছে তেওঁৰ গ্ৰন্থত জিলাৰ সদৰ ঠাই হিচাপে পুৰণিগুদামৰ নাম ক'তো লোৱা নাই । তেওঁৰ মতে, জিলাখনৰ সদৰ ঠাই পোনতে নগাঁৱেই আছিল, কিন্তু নগাঁও নগৰ বজাৰ এখনৰ মাজত অৱস্থিত বাবে আৰু বাৰিষা পানীত তল যায় বাবে ১৮৩৪ চনত ই স্থানান্তৰিত হ'ল । জিলাখনৰ সদৰ ঠাই হ'ল তেতিয়া ৰঙাগড়া । ৰঙাগড়া তুলনামূলকভাৱে ওখ, আৰু বানে চুকি নোপোৱা ঠাই ।[৫] তথাপি ১৮৩৯ চনত জিলাৰ সদৰ ঠাইখন ৰঙাগড়াৰ পৰা নগাঁৱলৈ পুনৰ উঠাই অনা হ'ল । ১৮৪১ চনত ৰবিনছনে কোৱা মতে, কলঙৰ পাৰত অৱস্থিত এই সদৰ ঠাইখন দেখিবলৈ বৰ মনোৰম (…on the whole has a very pretty appearance) ।[৬] হাণ্টাৰৰ মতে, নগাঁও নগৰখন প্ৰায় ২৬° উত্তৰ অক্ষাংশ আৰু প্ৰায় ৯২° পূব দ্ৰাঘিমাংশৰ মাজত (…in north latitude 26°20′15″ and east longitude 92° 43′56″.) ।[৭]

১৮৫৭ চনৰ অক্টোবৰ সংখ্যা অৰুনোদইত গোবিন্দৰাম ভুঞাই 'নগাঁও জিলাৰ বৰ্ণন' নামৰ পদ্যত

"জিলাৰ সোভাৰ কথা কি কহিবো ভাই,

চাহিলে মাত্ৰকে চখ্যু ৰহে সেহি ঠাই" বুলি কওঁতে 'জিলা' শব্দই নগাঁও জিলাৰ সদৰ ঠাই নগাঁও নগৰকহে বুজাইছিল । তেওঁৰ মতে, নগৰখন "জেন ইন্দ্ৰৰ নগৰি"হে । তেতিয়া নগাঁও নগৰৰ চাৰিসীমা আছিল পূবত মৰিকলং, পশ্চিম আৰু দক্ষিণত কলং, উত্তৰত চাহাবৰ মৰিশালি ।

"তাৰ চাৰিসিমা কহো কৰিয়া নিৰ্ণই,
মৰিকলঙ্গ সৰোবৰ পূব সিমা হই ।
পচিমত কলঙ্গ নামে নদি বহে আতি,
চাহাবৰ স্বসান উতৰত থৈচে পাতি ।
দখিনেও সেহি কলঙ্গ নাদয়ে বহন্ত,
এহি চাৰিসিমা মধ্যে জিলা প্ৰকাসন্ত ।[৮]

[৪ক] 'Travels in Assam', Vivek Publishing Co., 1978, P. 230.
৫. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৯৪ ।
৬. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ৩০৮ ।
৭. পূৰ্বোক্ত গ্ৰন্থ, পৃ. ১০১ ।
৮. মহেশ চন্দ্ৰ দেৱগোস্বামী সম্পাদিত 'নিবন্ধমালা', পৃ. ১৪৯ ।

১৮৭২ চনৰ ১১ জুলাইত নগাঁৱৰ ডেপুটী কমিছনাৰ জে. এফ. শ্চেৰাৰে পঞ্জীয়ন বিভাগৰ মহাপৰিদৰ্শক বিভাৰ্লী (H. Beverley Esqr., Inspector General of Registration, Calcutta) চাহাবলৈ লিখা চিঠি মতে অন্ততঃ সত্তৰৰ দশকটোত নগাঁও নগৰৰ চাৰিসীমা উত্তৰত হয়বৰগাঁও, দক্ষিণত বেপ্টিষ্ট মিছন চৌহদৰ সোঁ হাতেদি মৰিকলঙলৈ যোৱা আলি আছিল (Sudder station of Nowgong in Assam bounded on the north by the Hoyborgong Village, south by a road passing southward of the Baptist Mission compound to the Morikullung.)। চহৰখনৰ পশ্চিমে আছিল মৰিকলঙৰ পৰা ডোমপাৰা পাৰ হৈ কলঙলৈকে থকা এটা আলি (A road leading from the Morikullung, past the 'Doompara' to the Kullung river.)। পূবফালে সীমা আছিল কলঙৰ পৰা সদৰ মৰিশালিলৈকে থকা আলিটো (A road leading from the Kullung river to the station graveyard.)। নগৰখনৰ আয়তন আছিল তেতিয়া ৭৮১·৬৯ একৰ মাটি, আৰু ১৮৭১ চনৰ লোকপিয়ল অনুযায়ী জনসংখ্যা আছিল ১৭০২। শ্চেৰাৰে লিখা চিঠিখনত এই কথাও প্ৰকাশ পাইছে যে জিলাখনত তেতিয়া পৌৰসভা বা তেনে ধৰণৰ কোনো সংঘ নাছিল। নগৰো আছিল জিলাখনৰ সদৰ ঠাই নগাঁৱেইহে (there are no Municipalities or unions in this District, the only town in the District being the Sudder station of Nowgong.)।

১৮৮০ চনত যেতিয়া মিছনেৰী জেছি টি মুৰ (Jessi T. Moore) পোন প্ৰথম বাৰৰ বাবে নগাঁৱলৈ আহে, তেতিয়া তেওঁ নগাঁও নগৰখন বৰ পৰিষ্কাৰ আৰু মনোৰম বুলিয়েই কৈছিল। জেছি যদিও ১৮৮০ চনৰ জানুৱাৰী মাহৰ ১৬ তাৰিখেই নগাঁও পাইছিলহি, নগৰখনত তেওঁ চকু ফুৰাইছিল ২২ জানুৱাৰীৰ সন্নিকটাহে। তেওঁ দেখা মতে, নগৰখনৰ মাটিখিনি সমান, বাট-পদূলি ভাল। ইয়াত থকা ধুনীয়া ধুনীয়া গছবোৰৰ কিছুমানত উজ্জ্বল ৰঙা আৰু কিছুমানত হালধীয়া ফুল (Nowgong station is neat and pretty. The ground is level, and fairly good roads, and

many beautiful trees here; several of them have bright red or yellow blossoms.)। জেঁছিৰ বৰ্ণনাত কলংখন বাৰিষাৰহে নৈ; খৰালি প্ৰায় শুকান। ফুৰিবৰ কাৰণে কলঙৰ পাৰৰ আলিটোৱেই বোলে আছিল আটাইতকৈ মনোৰম (Our nicest walk is the road along the bank of the Kullung river.)।[১]

১. 'Twenty years in Assam', Omsons Publications, 1982, P. 15.

ফটিকচন্দ্ৰ বৰুৱাৰ বিষয়ে চাৰ্টিফিকেট

১৮৭২ চনৰ ২৯ জুলাইত অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ নগাঁৱৰ ডেপুটী কমিছনাৰ শ্বেৰাৰে (J. Sherer) লিখা এখন চিঠিত (No. 484) ফটিকচন্দ্ৰ বৰুৱাৰ অৰ্হতা আৰু দক্ষতাৰ কথা প্ৰকাশ পাইছে। ফটিকচন্দ্ৰ তেতিয়া নগাঁৱত ন্যায়িক বিভাগৰ অধীক্ষক (Judicial Superintendent) আছিল। এই পদবীত থাকোঁতেই তেওঁ আমিনী আৰু আভিযান্ত্ৰিক বিভাগৰ (Surveying and Engineering Service) আন এটা পদৰ বাবে অসমৰ কমিছনাৰলৈ আবেদন জনাইছিল।

ডেপুটী কমিছনাৰ শ্বেৰাৰে আবেদনকাৰী ফটিকচন্দ্ৰৰ নৈতিক চৰিত্ৰ সম্পৰ্কীয় প্ৰমাণ-পত্ৰ নিজৰ অৱগতিৰে দিবলৈ অলপো অসুবিধা পোৱা নাছিল। তেওঁ লিখিছে— "From my own knowledge of the applicant, I am in a position to bear favourable testimony to his good moral character"

শ্বেৰাৰৰ বিবেচনাত, ফটিকচন্দ্ৰ বৰুৱা আছিল ক্ষমতাশালী ভাল পৰিয়ালৰ অতিশয় বুদ্ধিমান ডেকা। ইংৰাজী ভাষাজ্ঞান তেওঁৰ সুন্দৰ, ভাষাটো তেওঁ সৰ্‌সৰীয়াকৈ পঢ়িব আৰু লিখিব পাৰে। তেওঁৰ হাতৰ আখৰো আছিল ফট্‌ফটীয়া (Babu Futtick Chunder ie, I consider, a most intelligent young man of good family of no little ability. He possesses an excellent knowledge of English which he reads and writes with perfect fluency. His handwriting too is clear & good)। তেওঁৰ চৰকাৰী চাকৰিৰ কাল তেতিয়ালৈকে চাৰে সাত বছৰ। জ্যেষ্ঠ থাপৰ ওকালতী পৰীক্ষা আৰু প্ৰৱেশিকা পৰীক্ষাত (…the senior grade pleadership examination & the Entrance examination) ইতিপূৰ্বে উত্তীৰ্ণ হোৱাৰ প্ৰমাণ-পত্ৰও তেওঁৰ আছে। ফৌজদাৰী, ৰাজহ আৰু দেৱানী আইন-কানুনৰ লগতো তেওঁৰ পৰিচয় নিবিড়, সেই কথাই তাৰ প্ৰমাণ। মাতৃভাষা অসমীয়া তেওঁ নিখুঁতভাৱে

জানে। বঙলা ভাষা পঢ়া-লিখাতো তেওঁ সমানে দক্ষ (He possesses thorough knowledge of the vernacular viz. Assamese. He is also equally conversant with Bengalee both as to reading and writing.)।

শ্চেৰাৰে কৈছে,—"মই ব্যক্তিগতভাৱে জানো যে তেওঁ এজন দেখাতেই কৰ্মী স্বভাৱৰ হৃষ্ট-পুষ্ট স্বাস্থ্যবান ডেকা (I Know him personally to be a robust healthy young man of decidedly active habits)।" সঁচ ঘোঁৰা এটাৰেই তেওঁ ভেৰ ঘণ্টাত অনায়াসে ১০ মাইল বাট যাব পাৰে, আৰু যায়।

চাৰ্টিফিকেটখনত শ্চেৰাৰে কৈছে যে প্ৰাৰ্থীজনৰ অৱশ্যে আমিনী আৰু আভিযান্ত্ৰিক জ্ঞান নাই। কিন্তু এই কথাও তেওঁ লগতে কৈছে যে উল্লিখিত বিষয় দুটাৰ এটাৰো ব্যৱহাৰিক জ্ঞান পাব পৰাকৈ তেতিয়ালৈকে তেওঁক তেনে ধৰণৰ নিযুক্তিও দিয়া হোৱা নাছিল, আৰু প্ৰদেশখনৰ কোনোখন স্কুলতে সেই বিষয় দুটা তেতিয়ালৈকে শিকোৱাও নাছিল। পিছে, সেই বিষয় দুটাৰ জ্ঞান যদিহে নহলেই নোহোৱা বিধৰ, তেনেহলে তেওঁ বিষয় দুটা শিকি নিজৰ অৰ্হতা অৰ্জন কৰিবই (The applicant does not, however, it is true, possess any knowledge of Surveying and Engineering, but he has had, I may add, no appointments as yet of acquiring a practical knowledge of either of the above subjects as they have not been taught hitherto. in any of the schools of this Province. He is quite ready, however, to qualify himself hereafter in these subjects if it be deemed a sine-qua-non.)।

প্ৰমাণ-পত্ৰখনৰ শেষত শ্চেৰাৰে কৈছে যে ফটিকচন্দ্ৰই উন্নতি কৰা দেখিলে তেওঁ আনন্দ পাব, কিন্তু বৰ্তমানৰ পদবীত ফটিক-চন্দ্ৰই যি নিষ্ঠা আৰু দক্ষতাৰে নিজৰ কৰ্তব্য পালন কৰি আছে, তেওঁৰ সেই সেৱাৰ পৰা বঞ্চিত হবলগীয়া হোৱা বাবে তেওঁ দুখিত (…glad I shall be to see the applicant better himself; I shall be sorry to lose his services in his present post, the duties of which he takes great

interest in & is quite conversant with.") ।

ফটিকচন্দ্ৰ বৰুৱাৰ বিষয়ে ব্ৰিটিছ প্ৰশাসক শ্চেৰাৰে এই চাৰ্টিফিকেট দিবলগীয়া হৈছিল অসমৰ কমিছনাৰৰ ব্যক্তিগত সহ-কাৰীয়ে ১৮৭২ চনৰ ১৯ জুলাই তাৰিখে লিখা চিঠিৰ (No. 1071 T) উত্তৰ স্বৰূপে ।

আদালতী ভাষা-প্ৰসংগত স্পষ্টীকৰণ

আমি স্থানান্তৰত[1] দেখুৱাই আহিছোঁ যে অসমৰ স্কুল-আদালতৰ ভাষা-প্ৰসংগত ১৮৭২ চনৰ এপ্ৰিল মাহৰ ১০ তাৰিখে 'অসম ভাষা উন্নয়ন সমিতি' ('Assam Language Improvement Society')ৰ স্মাৰক পত্ৰখন সমিতিৰ সম্পাদক ফটিকচন্দ্ৰ বৰুৱাই সংপ্ৰেৰক পত্ৰ এখনৰ সৈতে নগাঁও জিলাৰ ডেপুটী কমিছনাৰক দিছিল লেফ্‌টেনেণ্ট গৱৰ্ণৰলৈ পঠিয়াবৰ বাবে। স্মাৰক পত্ৰখন পোৱাৰ পাছতযে তাৰ কেইজনমান স্বাক্ষৰকাৰীৰ পৰা (ফটিকচন্দ্ৰ, গুণাভিৰাম, ব্ৰন্‌ছন, নেইবৰ) স্মাৰক পত্ৰখনৰ এটা অংশৰ ব্যাখ্যা বা স্পষ্টীকৰণ বিচৰা হৈছিল, আৰু সংশ্লিষ্টসকলে যথাসময়ত যথোচিত উত্তৰো দিছিল, সেই কথাও আমি একেটা সূত্ৰতে দেখুৱাই আহিছোঁ। পিছে, গুণাভিৰাম বৰুৱা, ড° মাইলছ ব্ৰন্‌ছন আৰু বেভাৰেণ্ড কে. ই. নেইবৰৰ উত্তৰ-সংলগ্ন ডেপুটী কমিছনাৰ জে. শ্বেবাৰৰ সংপ্ৰেৰক পত্ৰখন তেতিয়া আমি পোৱা নাছিলোঁ। সেই সংপ্ৰেৰক পত্ৰখনৰ পৰাও অসমৰ স্কুল-আদালতত তেতিয়া প্ৰচলিত বঙলা ভাষাৰ ঠাইত অসমীয়া ভাষাৰ পুনৰ সংস্থাপন সম্পৰ্কীয় দুটামান কথা আকৌ পোহৰলৈ আহিছে।

'আছাম লেংগুৱেজ ইম্‌প্ৰ'ভমেণ্ট ছচাইটী'ৰ স্মাৰক পত্ৰখন পঠোৱাৰ পাছত অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীয়ে ১৮৭২ চনৰ ছেপ্টেম্বৰ মাহৰ ২৪ তাৰিখে নগাঁৱৰ ডেপুটী কমিছনাৰ জে. শ্বেবাৰলৈ এখন চিঠি (No. 2026 T) লিখিলে। সেই চিঠিৰেই স্মাৰক পত্ৰখনৰ কেইজনমান স্বাক্ষৰকাৰীৰ পৰা অসমৰ আদালতত অসমীয়া ভাষা পুনৰ প্ৰবৰ্তন কৰা বিষয়ক এটা অংশৰ ('.. that suitors & others have been unjustly deprived of the right of addressing the Courts in their own mother tongue, & the native Judges of using their own vernacular in the proceeding before them ..") ব্যাখ্যা বা স্পষ্টীকৰণ

---

১. 'ঊনবিংশ শতিকাৰ অসম সংবাদ'; ডিব্ৰুগড় বিশ্ববিদ্যালয়, ১৯৯০, পৃ. ১৮-২৩।

লিখা হৈছিল। কোন কোন স্বাক্ষৰকাৰীৰ পৰা ব্যাখ্যা বিচাৰিছিল, তাৰ উল্লেখো আছিল সেইখন চিঠিতে। জিলাখনৰ ডেপুটী কমিছনাৰ শ্বেচবাৰে ১৮৭২ চনৰ ৪ অক্টোবৰত ৰেভাৰেণ্ড ড° মাইলচ্ ব্ৰনচনে, ৰেভাৰেণ্ড কে. ই. নেইবৰ আৰু এক্‌ষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ গুণাভি- ৰাম বৰুৱাৰ উত্তৰ-সম্বলিত চিঠিকেইখন (Copies of the replies of Messrs Bronson. Neighbour Missionaries & E. A. Comr. Goonabhiram are herewith enclosed for information) কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ পঠিয়াইছিল। ফটিকচন্দ্ৰ বৰুৱা ইতিমধ্যে তেজপুৰলৈ বদলি হৈ যোৱা বাবেই নিশ্চয় শ্বেচবাৰৰ এই সংপ্ৰেৰক পত্ৰত ফটিকচন্দ্ৰৰ চিঠিৰ উল্লেখ নাই।

চিঠিখনত শ্বেচবাৰে লিখিছিল এইবুলি, "মই যিখিনি কথা জুকিয়াবলৈ সক্ষম হৈছোঁ, তাৰ পৰা ইয়াকে বুজিছোঁ যে বঙলা ভাষাক আদালতৰ ভাষা বুলি ধৰি লোৱা হৈছিল, আৰু সেইবাবেই বঙলা ভাষা প্ৰচলন কৰা হ'ল বুলি স্মাৰক পত্ৰখনৰ স্বাক্ষৰকাৰী- সকলে বুজাব খুজিছে (From what I have been able to gather, it appears to me that the meaning the memorialists intended to convey in the particular statement made by them was Bengali was considered & recognized as the language of the Courts)। আদালতৰ সকলো কাম-কাজ বঙলা ভাষাতে চলোৱা হ'ল। আদালতৰ আশ্ৰয় লোৱা গুচৰীয়া বা অন্যান্যসকলে আবেদন-নিবেদন কৰোঁতে সদায় বঙলা ভাষাৰে আশ্ৰয় লব লগা হ'ল। থলুৱা অসমীয়া মানুহ- খিনিয়ে যদিও তেওঁলোকৰ বাচনিক প্ৰমাণ তেওঁলোকৰ মাতৃভাষা অসমীয়াতে দিছিল, তথাপি সেই বাচনিক প্ৰমাণ দেশীয় বিচাৰক- সকলে বঙলা ভাষাত লিখিহে নথিভুক্ত কৰিবলগীয়া হৈছিল (...that although the native Assamese Community gave their evidence orally in their mother tongue Assamese, yet that said evidence had to be recordrd by the native Judges in writing in Bengali.)।"

শ্বেচবাৰে চিঠিখনত আৰু লিখিছে, "স্মাৰক পত্ৰ দিয়াৰ সময়ত আদালতৰ দেৱানী, ফৌজদাৰী, পুলিচ বা ৰাজহ এই সকলো- বিলাকৰ কাম-কাজ বঙলা ভাষাতেইহে চলি আছিল, সেই কথা

কমিছনাৰে জানে। যোৱা ৬ মাৰ্চ তাৰিখে উচ্চ ন্যায়ালয়ে সকলো স্তৰৰ সকলো দেৱানী-ফৌজদাৰী বিচাৰক অথবা দণ্ডাধীশলৈ ৮ সংখ্যক অধ্যাদেশ যোগে এক বিজ্ঞপ্তি জাৰি কৰিছে। সেই বিজ্ঞপ্তিত উচ্চ ন্যায়ালয়ে এইটো অত্যাৱশ্যকীয় বুলি বিবেচনা কৰিছে যে অধস্তন ন্যায়াধিকৰণবোৰৰ ভাষা সংশ্লিষ্ট এলাকাৰ বাইজৰ গৰিষ্ঠ সংখ্যকৰ ভাষাহে হব লাগিব (On the 6th March last, the High Court were pleased to notify to all Civil & Criminal Judges & Magistrates of all grades in their Civil & Criml. Cir. Order No 8, that they considered it essential. in order to the inferior tribunals attaining their full measure of usefulness that the language of those tribunals should be that of the great bulk of the people within their Jurisdictions…)। ইয়াৰ অন্যথা যাতে নহয়।''

জুডিচিয়েল কমিছনাৰে পঠোৱা উপৰোক্ত বিজ্ঞপ্তি পায়েই শেচৰাৰে তাৎকালিকভাৱে তেওঁৰ এলাকাধীন আটাইবোৰ ফৌজদাৰী আৰু দেৱানী আদালতলৈ অহা আবেদন-নিবেদন অসমীয়া ভাষাত লবলৈ, আৰু যি-কোনো গোচৰৰ জবানবন্দী আৰু পদকীয়াৰ সাক্ষ্য অসমীয়া ভাষাত দিলে সেই একেটা ভাষাতে লিখি নথিবদ্ধ কৰিবলৈ কৰ্তৃত্ব দিলে। কাৰণ, তেওঁৰ এলাকাৰ বাইজৰ গৰিষ্ঠ সংখ্যকৰে ভাষাযে অসমীয়াহে আছিল, সেই বিষয়টো অগ্রাতীত আৰু সন্দেহাতীত (. "as the language of the great bulk of the people within this Jurisdiction was unqestionably & undoubtedly Assamese, I at once authorized the receipt of petitions in Assamese in all the Courts in their Criml & Civil side & the deposition of any complaint or witness as the statement of any defdt was authorized when given in Assamese to be recorded in writing in the same language.")। শেচৰাৰে লগতে এই কথাও জনালে যে আদালতৰ ৰাজহ বিভাগত নতুন আদেশ জাৰি নোহোৱা বাবে সেই বিভাগত পূৰ্বপ্ৰচলিত ৰীতিৰ পৰিবৰ্তন হোৱা নাই। অৱশ্যে বাস্তৱত [illegible]

দি অহা ৰীতিৰ পৰিবৰ্তে নতুন বন্দবস্তী নীতি অনুযায়ী তেওঁ তেতিয়া অসমীয়া ভাষাত মঞ্জুৰ কৰিবলৈ আৰু দিবলৈ দিলে। তাৰ বাহিৰে অৱশ্যে ৰাজহ আদালতৰ বাকীবোৰ কাম তেতিয়াও কেৱল বঙলা ভাষাতে চলি আছিল, শেচবাৰে কোৱা মতে, নতুন আদেশ নোপোৱা বাবেই (On the Revenue side of the Court, no new order having been issued, there had been no change from the recognized procedure.)।

কব পাৰি, সংশ্লিষ্ট বিষয়ত তেতিয়াৰ অসমৰ আন কেইখন জিলাবো ছবিৰ পশ্চাদ্ভূমি নিশ্চয় একে ধৰণৰে।

গুৱাহাটী-ডিব্ৰুগড় টেলিগ্ৰাফ-সংযোগ

১৮৭৩ চনৰ ৩১ মাৰ্চ তাৰিখে বংগ চৰকাৰে অসমৰ কমিছনাৰলৈ এখন চিঠি (নং ১৩৩৪) পঠিয়ালে। চিঠিৰ কথা-বস্তু আছিল গুৱাহাটীৰ পৰা উজনি অসমলৈ টেলিগ্ৰাফ-সংযোগ স্থাপন কৰা সম্পৰ্কীয়। সেই চনৰ এপ্ৰিল মাহৰ ১০ তাৰিখে অসমৰ কমিছনাৰে নগাঁও জিলাৰ ডেপুটী কমিছনাৰৰ অভিমত বিচাৰিলে (বিজ্ঞপ্তি-পত্ৰ-সংখ্যা ৯৬)। ডেপুটী কমিছনাৰ জে. শ্চৰাৰে জিলাখনৰ য়ুৰোপীয় বাসিন্দা আৰু দেশী আগ্ৰহবন্ত লোকসকলৰ লগত কথা-বতৰা পাতি কমিছনাৰৰ ব্যক্তিগত সহকাৰীক ১৮৭৩ চনৰ ৬ মে' তাৰিখে জনালে যে প্ৰস্তাৱিত আঁচনিটো প্ৰশংসনীয় আৰু চৰকাৰৰ এটা ডাঙৰ অনুগ্ৰহ। কিন্তু এই সংযোগ সাধনৰ পৰা কিমানখিনি আয় হ'ব, তাৰ পৰা তাত হোৱা ব্যয়খিনি উলায় নে নোলায় সেই বিষয়ে তেওঁ কব নোৱাৰে। টেলিগ্ৰাফ-সংযোগৰ পৰা কিমান আয় হ'ব, সেই কথা প্ৰায় সঠিকভাৱে কবলৈ তেওঁ অসমৰ্থ এইবাবেই যে তেওঁৰ হাতত নিৰ্ভৰযোগ্য তথ্য নাই। কিন্তু তেওঁৰ বুদ্ধিমান দেশী সহকাৰী গুণাভিৰাম শৰ্মা (বৰুৱা) ই ভাবে যে মাহিলি প্ৰায় ১২০টা বাতৰি নগাঁৱৰ পৰা যাব আৰু নগাঁৱলৈ আহিব। শ্চৰাৰৰ ভাষাত কথাখিনি এনে : "I have no reliable data to go upon to enable me to state with ever tolerable accuracy what the probable income would be. My intelligent native Assistant Baboo Goonabhiram Surma appears however to think that about 120 messages per mensem would be sent from & received at Nowgong." এক্সট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰাম বৰুৱাই দেখুওৱা মতে বিভিন্ন দিশৰ পৰা অহা-যোৱা কৰিব পৰা সম্ভাব্য তাঁৰ-বাৰ্তাৰ হিচাপটো এনে ধৰণৰ :—

চৰকাৰী বাৰ্তা—	৩০
চাহবাগিচা ব্যৱসায়ী—	৬০
দেশী সদাগৰ আৰু ব্যৱসায়ী—	২০
ব্যক্তিগত বাৰ্তা—	১০
মুঠ—	১২০

পুণাভিযানে দেখুওৱা মতে, উল্লিখিত বাৰ্তাসমূহৰ পৰা হ'ব পৰা আয় মাহিলি আনুমানিক ২০০ (দুশ) টকা ।

প্ৰস্তাৱিত টেলিগ্ৰাফ-সংযোগৰ পৰা চৰকাৰৰ উপাৰ্জন হ'ব নে নহয় সেই কথা একাষৰীয়াকৈ থৈও ডেপুটী কমিছনাৰ শ্চেৰাৰে ব্যক্তিগতভাৱে অনুভৱ কৰিছিল যে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ চৰকাৰে টেলিগ্ৰাফ-সংযোগ স্থাপন কৰাটো নহলেই নোহোৱা বিধৰ এটা প্ৰয়োজন (For myself putting aside the question of whether the line would pay or not, I look on the construction by Govt. of a proper Telegraphic line from Gowhatty to Debrughur, as state necessity of one which is imperatively demanded.) । এই টেলিগ্ৰাফ-সংযোগ সাধন কৰাৰ পৰা আৰ্থিকভাৱে চৰকাৰৰ একো আয় নহলেও ৰাজনৈতিক দৃষ্টিকোণ, উজনি অসমৰ একাষৰীয়া অৱস্থা আৰু উপত্যকাটোৰ উত্তৰ, দক্ষিণ, পূব—এই তিনিটা দিশত বসতি কৰা সীমান্তৰ মু'জাক আৰু জংঘলী খেলবোৰৰ কথা বিবেচনা কৰিলেই টেলিগ্ৰাফ তাঁৰ বহুওৱাৰ ৰাজনৈতিক প্ৰয়োজন আছে । সেই কথা শ্চেৰাৰে তেওঁৰ সাধাৰণজ্ঞান আৰু পৰিণাম-দৰ্শিতাৰ পৰাই কৈছে বুলি চৰকাৰক জনালে । শ্চেৰাৰে ভাবিছিল যে ৰাজনৈতিক বা-বতাহ অনুকূল হলেও আবৰ, নগা, ভুটীয়া, ডফলা, মিচিমি আদিয়ে চৰকাৰক শ'লঠেকত পেলাব পাৰে, আৰু যেতিয়াই-তেতিয়াই এই মানুহখিনি উদ্বিগ্নতাৰ কাৰণ হৈ উঠিব পাৰে । অশান্তিৰ বেলিকা উৎসস্থলীলৈ ততাতৈয়াকৈ বাতৰি এটা পঠিয়াওঁতে এই টেলিগ্ৰাফ-সংযোগৰ ভৱিষ্যতে পাছলৈ চৰকাৰৰ লাখ লাখ টকা ৰাহি হ'ব (···might be the saving of the Govt. of lacs of rupees in the long run) বুলিও ডেপুটী কমিছনাৰজনে কৈ থলে । তেওঁৰ মতে টেলিগ্ৰাফ তাঁৰৰ প্ৰস্তাৱিত সংযোগটোৰ পৰা যথাসময়ত খৰচখিনি ওলাবগৈ । ইয়াৰ পৰা উপাৰ্জন হওক বা নহওক, সেইটো পাছৰ কথা, কিন্তু অসমৰ নিচিনা এখন সীমামূৰীয়া প্ৰদেশত চৰকাৰৰ স্বাৰ্থতেই টেলিগ্ৰাফ-সংযোগৰ মিহা কৰাটো উচিত (I have no doubt the proposed line will pay all its expenses in time; but the Govt., I maintain, should in their own interest, erect the line & maintain it, whether it pays or not in a Frontier Province like this.) ।

বৰপেটাৰ কুমাৰ আৰু নগাঁৱৰ পাটনাদ

১৮৭৩ চনৰ ১০ ডিচেম্বৰত নগাঁৱৰ ডেপুটী কমিছনাৰে (J. Sherer) বৰপেটাত থকা কামৰূপ জিলাৰ এছিষ্টেণ্ট কমিছনাৰ-জনলৈ চিঠি লিখি বৰপেটাৰ কুমাৰ ৪ জনক নগাঁৱলৈ পঠিয়াব পাৰিব নে নোৱাৰে, সুধি পঠিয়ালে। নগাঁও জিলাত পাটনাদ বহুৱাবৰ নিমিত্তে অসমৰ কমিছনাৰে তেতিয়া ১৪০০ (চৈধ্য শ) টকা মঞ্জুৰ কৰিছিল। পিছে, নগাঁও জিলাত মাটিৰ পাট সাজিব আৰু নাদ খান্দিব পৰা কুমাৰ তেতিয়া নাছিল। ডেপুটী কমিছনাৰজনে লিখিছে: "...but I do not find potters here able to make earthen rings and excavate the wells." বৰপেটাৰ পৰা মানুহকেইজনক পঠিয়ালে তেওঁলোকে মাহিলি ভিত্তিত কাম কৰিব পাৰিব, নতুবা প্ৰতিটো কুঁৱাৰ বাবে আলগতীয়া ধনৰ বিনিময়তো ঠিকা লব পাৰিব। মানুহকেইজনক কামত লগোৱাৰ দায়িত্ব নগাঁৱৰ জিলাধিপতিয়ে বৰপেটাৰ বিষয়াজনৰ ওপৰতে সম্পূৰ্ণৰূপে অৰ্পণ কৰিলে ("The engagement with them I would however leave entirely to your discretion.")। নগাঁও আদালতৰ দেশীয় আমোলা এজনে বৰপেটাৰ মানুহৰ হতুৱাই পাটনাদ এটা বহুৱাওঁতে বোলে দুকুৰি (৪০·০০) টকা খৰচ পৰিছিল ("I understand that a native Amlah of my Court has got a well made by men of Burpetta at a cost of Rs. 40.")।

বৰপেটাত তেতিয়া এছিষ্টেণ্ট কমিছনাৰৰূপে কাৰ্য নিৰ্বাহ কৰিছিল কেম্বেল (A. E. Campbell) চাহাবে। ২৪ ডিচেম্বৰত কেম্বেলে লিখা উত্তৰত (No. 11 C) বৰপেটাৰ পৰাই মাটিৰ পাট-খিনি আমদানি কৰাৰ পৰামৰ্শ দিছিল। কিন্তু ৩১ ডিচেম্বৰত শেচাৰে লিখিলে যে পাটখিনি বৰপেটাৰ পৰা আমদানি কৰি কুঁৱা বহুৱালে যিমান খৰচ পৰিব, নগাঁৱতে মাটিৰ পাটখিনি গঢ়ি কুঁৱা বহুৱালে তাতকৈ খৰচ কম হ'ব। গতিকে তেওঁ পাটখিনি নগাঁৱতে গঢ়াই ঠিকাভিত্তিত কামটো কৰোৱাৰ বিচাৰিছে। শেচাৰৰ নিজৰ

তাৰাত কথাখিনি হ'ল ঃ "I would prefer to have the earthen rings made at Nowgong as by the adoption of this measure, the cost of sinking a well will be less than what would have been incurred were they imported from Burpetta." । তেনেদৰে কাম কৰিবলৈ কেৱেলে যি কেইজন কুমাৰক নগাঁৱলৈ বাছি-বিচাৰি পঠিয়ায়, তেওঁলোকে পাট গঢ়াৰ যাৱতীয় সাজ-সঁজুলি (necessary implements for moulding the rings) লগত লৈ আহিবলৈ নিৰ্দেশ দিবৰ বাবেও শ্চেৰাৰে কেম্বেলক অনুৰোধ জনালে ।

বৰপেটাৰ পৰা মানুহকেইজন আহোঁতে বাতে অলপো পলম নহয়, তাৰ বাবে শ্চেৰাৰে কেম্বেললৈ ২০০ (দুশ) টকা আগতীয়াকৈ পঠিয়াই দিলে । লগতে শ্চেৰাৰে এইটোও জনালে যে মানুহকেইজনৰ লগত চুক্তি কৰোঁতে বাৰিষাৰ আগে আগেই যে তেওঁলোকে কুঁৱা বহুওৱা কাম সম্পূৰ্ণ কৰিব লাগিব, সেই কথাও যেন তেওঁলোকক কেম্বেলে বুজাই দিয়ে (.In taking an agreement from them, please explain to them that they have to complete their work before the rains set in.") ।

বৰ্ণ-বৈজ্ঞানিক ৰূপ

১৮৭৪ চনৰ আগ ভাগলৈকে অসমৰ কেইখনমান জিলা আৰু প্ৰধান ঠাইৰ নামৰ ইংৰাজী বৰ্ণ-বৈজ্ঞানিক ৰূপ যেনে আছিল, সেই চনৰ ৩০ জুলাইৰ পৰা সেই ৰূপকেইটাৰ পৰিৱৰ্তন ঘটিল। ১৮৭৪ চনৰ অসম ৰাজপত্ৰৰ (The Assam Gazette) ১ আগষ্ট সংখ্যাত প্ৰকাশিত এটা বাতৰি মতে গৱৰ্ণৰ জেনেৰেলে তলত উল্লেখ কৰা নামকেইটাৰ বৰ্ণ-বৈজ্ঞানিক ৰূপৰ পৰিৱৰ্তন ঘটালে (His Excellency the Governor General in Council having been pleased to alter the orthography of the names of…) এনেকৈঃ—

KAMROOP— KĀMRŪP
DURRUNG— DARRANG
LUCKIMPORE— LAKHIMPUR
GOWALPARAH— GOĀLPĀRĀ
GOWHATTY— GAŪHATI
DEBROOGHUR— DIBRUGARH
TEZPORE— TEZPUR

মেলা চিকাৰ আৰু দিহিঙীয়া গোসাঁইৰ হাতী চিকাৰ

অসমত হাতী ধৰাৰ বেলিকা “মেলা-চিকাৰ”ৰ বাবে অনুমতি দিব পাৰিনে নোৱাৰি, সেই বিষয়ে অসমৰ কমিছনাৰে ডেপুটী কমিছনাৰসকলৰ অভিমত বিচাৰিছিল ১৮৭৪ চনৰ আগষ্ট মাহত। নগাঁৱৰ ডেপুটী কমিছনাৰ শেচবাৰে সেই চনৰ ২১ আগষ্টত কমিছনাৰৰ সচিব লাট্‌মান জনছনলৈ (H. Luttman Johnson) লিখা এখন চিঠিত দাঙি ধৰা তেওঁৰ মতামতৰ পৰা অসমত হাতীৰ মেলা চিকাৰ সম্পৰ্কে জানিব পাৰি। বিষয়টোৰ সম্পৰ্কত ডেপুটী কমিছনাৰজনে তেওঁৰ দুজন এক্সট্ৰা এছিষ্টেণ্ট গুণাভিৰাম বৰুৱা আৰু চম্পক নাৰায়ণৰ লগত আলোচনা কৰিছিল। ডেপুটী কমিছনাৰজনৰ মতে গুণাভিৰাম আৰু চম্পক নাৰায়ণ দুয়োজনেই প্ৰভাৱশালী অসমীয়া ভদ্ৰলোক। হাতী সম্পৰ্কে আৰু প্ৰদেশখনত কৰা হাতী চিকাৰ সম্পৰ্কে তেওঁলোকৰ জ্ঞান প্ৰচুৰ। (শেচবাৰৰ চিঠিখনৰ গুণাভিৰাম আৰু চম্পক নাৰায়ণ সম্পৰ্কীয় অংশটো হ'ল: “...my E. A. Comrs. Baboo Goonabhiram Surma & Chumpaknarain, both Assamese native gentlemen of influential position & who know a deal about elephant and elephant hunting in this Province...)। গুণাভিৰাম আৰু চম্পক নাৰায়ণৰ লগত আলোচনা কৰাৰ উপৰি বহুতো গণ্য-মান্য ফান্দী (respectable Elephant Catchers) আৰু আন মানুহৰ লগতো কথা পাতিছিল ডেপুটী কমিছনাৰ শেচবাৰে। তাৰ ফলত, হাতী চিকাৰ সম্পৰ্কে থকা কৰ্ণেল গ্ৰাহামৰ (Col. Graham, এওঁৰ সবিশেষ জনা নাযায়) ধাৰণাৰ লগত শেচবাৰে ঐকমত্য প্ৰকাশ কৰিব খোজে যে নগাঁও জিলাত অতীজৰে পৰা মেলা চিকাৰ প্ৰচলিত (I am certainly disposed to concur with Col. Graham in thinking that Mela Shikar has, I am given to understand, been practised in the district from time immemorial.)। মেলা চিকাৰে

হাতীৰ আচল জাকটোক ভয় নুখুৱায় বা খেদি নপঠিয়ায় (the practice does not tend to frighten & drive away the main body of the herd) বুলিও সকলো উৎসৰ পৰা শেচবাৰে জানিব পাৰিছিল ।

১৮৭৪ চনৰ ৫ নবেম্বৰত শেচবাৰে আছামান জনহনলৈ লিখা এখন চিঠিত (No. 147) নগাঁৱৰ বিনন্দচন্দ্ৰ দিহিঙীয়া গোসাঁয়ে সেই চনৰ ২৫ জুলাইত হাতী এটা ধৰাৰ কথা আছে । দিহিঙীয়া গোসাঁইৰ নিজৰ কুন্‌কী হাতী দুজনীৰ সহায়ত হাতীটো ধৰাত গোসাঁই সফল হৈছিল (…Binud Chunder the Dihing Gossain succeeded in capturing the above elephant with the aid of his two trained koonkies) বোলা কথাৰ পৰা নিৰ্দিষ্ট হাতী এটা ধৰাৰ বাবে চলোৱা চৰকাৰী প্ৰচেষ্টাৰ বিষয়টোও প্ৰকাশ পাইছে । হাতীটো ধৰাৰ সংবাদো ডেপুটী কমিছনাৰক তৎকালেই জনোৱা হৈছিল (The capture was at once reported to me.) । গোসাঁয়ে হাতীটো চৰকাৰক গতাই দিলে, চৰকাৰে হাতীটো নিলামত বেচিলে । দিহিঙীয়া গোসাঁয়ে হাতীটো ধৰি দিয়া বাবে তেওঁলৈ ২০০ (দুশ) টকা বঁটা স্বৰূপে আগবঢ়াবলৈ শেচবাৰে চিফ কমিছনাৰৰ নিৰ্দেশ আৰু অনুমোদন আশা কৰিলে (I would therefore solicit the Chief Comr's instruction & recommendation that a sum of Rs. 200 be awarded to the Gossain.) ।

ডেপুটী কমিছনাৰ শেচবাৰে ১৮৭৪ চনৰ ২৯ ডিচেম্বৰত চিফ কমিছনাৰৰ সচিবলৈ লিখা আন এখন চিঠিত (No. 224) আছে যে হাতীটো ধৰা বাবদ দিহিঙীয়া গোসাঁইৰ যিখিনি খৰচ হৈছিল, তাৰ এখন বিশদ দেয়ক গোসাঁয়ে চৰকাৰলৈ পঠিয়াইছিল, আৰু দেয়কখনৰ অনুবাদ শেচবাৰে নিজৰ চিঠিখনৰ লগতে গাঁথি দিছিল (…to submit accompanying translation of a detailed bill submitted by the Dihingia Gossain shewing the expenses incurred by him in catching & keeping the wild elephant made over to the Govt. & sold by auction.) । বনৰীয়া হাতীটো ধৰোঁতে লগোৱা কুন্‌কী দুজনী

আছিল গোসাঁইৰ নিজা। ধৰাৰ পাছত কুনকীয়া হাতীজাক বশ কৰিবলৈ গোসাঁইৰ এজনী কুনকী লগোৱা হৈছিল। গোসাঁইৰ হাতী দুজনীৰ মাউত দুটায়েই হাতীটো তোৰা-চিতা কৰিছিল। সেই কাৰণে হাতীটো ধৰি দিয়া বাবে পূৰ্বে মঞ্জুৰ কৰা দুশ টকাৰ উপৰি গোসাঁয়ে কৰা খৰচ বাবদ দুশটা টকা তেওঁক দিয়াটো ভাল হ'ব বুলি শ্চৰাৰে লিখিছে এনেকৈ: "I think, a sum of two (200) hundred Rupees would be a handsome remuneration to the Gossain for expenses incurred by him in addition to the two hundred (200) Rupees already sanctioned for the capture of the elephant."

বিমলচন্দ্ৰ দিহিঙীয়া গোসাঁয়ে দাখিল কৰা খৰচৰ দেয়কথন তলত দিয়া ধৰণৰ:

মাহিলি ৯ টকা হাৰত ১ মাহ ৪ দিনৰ বাবে এটা মাউতৰ বেতন ১০ টকা ২ অনা ৬ পাই। মাহিলি ৬ টকা হাৰত ঘাঁহী (grass cutter) এটাৰ ১ মাহ ৪ দিনৰ বেতন ৬ টকা ১২ অনা ৩ পাই। হাতীটোক ১ মাহ ৪ দিন খুওৱা ধানৰ বাবদ ১৪ টকা ৫ অনা ৮ পাই। উপৰুৱা খৰচ (Extra Expenses) ১৭ টকা। দৰৱৰ বাবে হোৱা ব্যয় ২ টকা। দৈনিক ৩ টকা হাৰত ১ মাহ ৪ দিনৰ বাবে ২ জনী কুনকীৰ কেৰেয়া ২০৪ টকা। মুঠ দেয় ২৫৬ টকা ৪ অনা ৫ পাই (২৫৬'২৮ টকা)।

কুঁৱলিৰ বিৱৰণ আৰু ভাপ-জাহাজৰ বতৰ

১৮৭৪ চনৰ ২২ ডিচেম্বৰত নগাঁও জিলাৰ ডেপুটী কমিছনাৰ শেচবাৰে অসমৰ চিফ কমিছনাৰৰ সচিবলৈ লিখা এখন চিঠিত তেতিয়াৰ জাৰৰ দিনৰ নগাঁৱৰ ছবি এখন প্ৰকাশ পাইছে। সেই চনৰ ১৮ ডিচেম্বৰত চিফ কমিছনাৰৰ সচিবে লিখা চিঠিৰ (নং ১৬৬) উত্তৰত নগাঁৱত জাৰকালি কোনকেইটা মাহত কুঁৱলি কেনেকৈ পৰে, আৰু কলং নৈৰ ওপৰত এই ধুঁৱলী-কুঁৱলী বতৰৰ ৰূপ কেনেকুৱা (…on the subject of Foggy Weather on the river, & the months during which the prevailing cold weather Fogs must be allowed for…), সেই বিষয়ে শেচবাৰে তেওঁৰ ব্যক্তিগত দিনলেখাৰ পৰা বিৱৰণ এটা দাখিল কৰিছে। শেচবাৰ নগাঁৱলৈ আহিছিল ১৮৭১ চনত। অহাৰে পৰা নিজৰ দিনলেখাত তেওঁ প্ৰতিদিনেই নগাঁৱৰ বতৰৰ খতিয়ান ৰাখি গৈছিল। সেইবাবে কমিছনাৰৰ সচিবে বিচৰা মতে তেওঁ শুদ্ধ উপাত্ত (data) পৰিষ্কাৰভাৱে দিব পৰা অৱস্থাত আছিল (“Having always in the private daily Diary kept by me since my arrival in this District in 1871 noted the state of the weather each day, I am in a position to submit fairly ‘accurate’ data.”)।

শেচবাৰে ১৮৭১-৭২, ৭২-৭৩, ৭৩-৭৪ চনৰ যিবোৰ দিনত কলং নৈৰ ওপৰত ধুঁৱলী-কুঁৱলী বতৰ দেখা পাইছিল, আৰু চৌসত্তৰ চনৰ শীতকালিলৈকে যিবোৰ দিনত তেওঁ ব্ৰহ্মপুত্ৰৰ পাৰত ভ্ৰমণ কৰাৰ সুযোগ পাইছিল, সেই দিনবোৰৰ বতৰৰ অৱস্থা তেওঁৰ দিনলেখাত বিশেষভাৱে লিপিবদ্ধ কৰি থৈছিল।

১৮৭১-৭২ চন বছৰটোত কলং নৈৰ ওপৰত পোন প্ৰথম বাৰৰ বাবে কুঁৱলি পৰিছিল ৯ অক্টোবৰত, আৰু সবাতোকৈ ডাঠ কুঁৱলি পৰা দিনটো আছিল ২ মাৰ্চ (১৮৭২)। ১৮৭২-৭৩ চন বছৰত প্ৰথম কুঁৱলি পৰা দিনটো আছিল ২ অক্টোবৰ, আৰু তেসত্তৰ চনৰ

১৪ মাৰ্চ আছিল শেষ কুঁৱলি পৰা দিন । ১৮৭৩-৭৪ চনত গোনতে কুঁৱলি পৰিছিল ৮ অক্টোবৰত । সেই বছৰত ভাঠ কুঁৱলি পৰা দিনটো আছিল ২১ জানুৱাৰী । চৌসত্তৰ চনৰ ঋতুটোত প্ৰথম কুঁৱলি পৰিছিল ১৮ অক্টোবৰত ।

নগাঁৱলৈ অহাৰ পূৰ্বে শেচবাৰ একেৰাহে চাৰি বছৰ কাল আছিল গুৱাহাটীত । নগাঁৱতো একেলেথাৰিয়ে সাৰ্দ্ধ এবছৰ কাল তেওঁ তেতিয়ালৈকে অতিবাহিত কৰিছে । গুৱাহাটী আৰু নগাঁৱত বসবাস কৰা সুদীৰ্ঘ কালত সযনে কৰা পৰ্যবেক্ষণৰ পৰা তেওঁৰ ধাৰণা হ'ল যে প্ৰতিটো জাৰকালি আটাইতকৈ ভাঠ আৰু ঘোপমৰা কুঁৱলি পৰা সময়ছোৱা প্ৰায় ১৫ ডিচেম্বৰৰ পৰা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ শেহলৈকে ("I am of opinion, the heaviest & densest fogs prevail from about the 15th Decr. to the end of the first week of January in each cold season.") ।

ব্ৰহ্মপুত্ৰয়দি যোৱা ভাপ-জাহাজৰ বাট কুঁৱলিয়ে ভেটি ধৰে সাধাৰণতে দিনৰ ১১ বজাৰ আগেয়ে, কেতিয়াবা কেতিয়াবা দুপৰীয়াও । শেচবাৰে প্ৰায়েই লক্ষ্য কৰিছিল যে কুঁৱলি যেতিয়া বৰ ঘনকৈ পৰে, তেতিয়া সততে পোহৰ হোৱাৰ পাহত নহয়, তাৰ আগেয়েই পৰিবলৈ আৰম্ভ কৰে । তেওঁ আছিল বোৱাৰী-পুৱা দেখোঁতা (early riser) । সেইবাবে এটা কথা প্ৰায়েই তেওঁৰ দৃষ্টিত পৰিছিল যে সাধাৰণ কুঁৱলি পৰিলে পুৱাটো আছিল ফটফটীয়া, আৰু তেনে কুঁৱলি পৰিছিল পোহৰ হোৱাৰ পাহতহে । ব্ৰহ্মপুত্ৰতে হওক বা নগাঁৱত কলঙতে হওক, কুঁৱলি সাধাৰণতে পুৱা ৯/৯½ বজাত নোহোৱা হয় । পিছে, নগাঁৱৰ মানুহে সেই চনৰ (১৮৭৪) ১৯, ২০ আৰু ২১ ডিচেম্বৰত যেনে ধৰণৰ ঘন কুঁৱলি দেখিবলৈ পাইছিল, তেনে কুঁৱলি আগবেলা ১১ বজাৰ আগেয়ে নৈৰ বুকুৰ পৰা নাতৰে । সাধাৰণতে অক্টোবৰ মাহত কুঁৱলি কমকৈ পৰে, আৰু কেতিয়াবাহে লেদ্‌লেদীয়া হয় । গতিকে অক্টোবৰ মহীয়া পুৱা ৮½/৯ বজালৈকে কুঁৱলিয়ে ভাপ-জাহাজৰ গতি ৰোধ কৰিব নোৱাৰে । নৱেম্বৰ মাহত কুঁৱলি অক্টোবৰতকৈ ভাঠ হয়, পৰেও সঘনে । তেনে কুঁৱলিয়ে জাহাজ এখন পুৱা ৯½/১০ বজালৈ আৱদ্ধ কৰি ৰাখিব পাৰে । প্ৰতিটো ঋতুৰে ডিচেম্বৰ মাহৰ পিছৰ ১৫

দিম্ম আৰু জানুৱাৰীৰ প্ৰথম সপ্তাহটো ডাঠ কুঁৱলি পৰা সময়। গতিকে সেইকেইটা দিনত পুৱা ১১/১১½ বজাৰ পূৰ্বে ব্ৰহ্মপুত্ৰেদি জাহাজ অহাটো নিৰাপদ নহয় বুলিয়েই শ্চেৰাৰৰ সন্দেহ। চিঠি-খনৰ শেহত শ্চেৰাৰে কৈছে ঃ "কুঁৱলি পৰা বতৰ হ'ল সাধাৰণতে অক্টোবৰ মাহৰ প্ৰায় মাজ ভাগৰ পৰা ফেব্ৰুৱাৰী মাহৰ তৃতীয় সপ্তাহলৈকে। পিছে, ভাপ জাহাজক প্ৰধানকৈ বাধা দিব পৰা অতিশয় বেয়া সময়ছোৱা হ'ল প্ৰতিটো ঋতুৰ ১৫ ডিচেম্বৰ আৰু ৭ জানুৱাৰীৰ মাজৰ সময়ছোৱা (…the worst period causing the principal hindrance to steamers ranging from the 15th Decr. to the 7th Jany. in each season.)"।

'জ্ঞানোদয়' আৰু পদ্মহাস গোস্বামী

উনবিংশ শতিকাৰ অসমত 'অৰুণোদই'কে আদি কৰি খি-কেইখন কাকত-আলোচনী প্ৰকাশ পোৱাৰ কথা অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসে কৈছে, সেইকেইখনৰ ভিতৰত 'জ্ঞানোদয়'ৰ নাম ক'তো পাবলৈ নাই। সেই শতিকা বা এই শতিকাৰ কাকত-আলোচনী সম্পৰ্কত বিজ্ঞানসম্মতভাৱে অনুসন্ধান চলোৱাও পৰিলক্ষিত হোৱা নাই। ১৯৫৬ চনতে শিৱপ্ৰসাদ বৰুৱাই অসমীয়া কাকত-আলোচনীৰ তালিকা এখন ('A Histroy of Journalism in Assam') যুগুতাইছিল (2nd Edition, 1964)। 'জ্ঞানোদয়'ৰ উল্লেখ তাতো নাছিল। অসম প্ৰকাশন পৰিষদৰ দ্বাৰা পুনৰ্মুদ্ৰিত 'মৌ' কাকতৰ ভূমিকা-লিখিত ড° সত্যেন্দ্ৰ নাথ শৰ্মা ডাঙৰীয়াই অসমীয়া আলোচনীৰ ইতিহাসৰ আভাস দিবলৈ যাওঁতে অৰুণোদইৰ পৰা মৌলৈকে (১৮৪৬-১৮৮৭) খি দহখন কাকতৰ সন্ধান দিছে, তাতো তেখেতে জ্ঞানোদয়ৰ নামটো লোৱা নাই। প্ৰসংগক্ৰমে কৈ থোৱা ভাল হ'ব যে ড° শৰ্মা ডাঙৰীয়াই উল্লেখ কৰা 'আসাম মিহিৰ' (১৮৭২-৭৩) নামৰ ইংগ-বঙলা আলোচনীখনে অসমীয়া কাকত-আলোচনীৰ ইতিহাসত স্থান পাব নোৱাৰে—ড° শৰ্মা ডাঙৰীয়াই নিজে কোৱা মতেই অসমীয়া ভাষাৰ স্থান তাত নাছিল বাবেই। 'আসাম মিহিৰ'ৰ সম্পাদকযে যদুনাথ চক্ৰৱৰ্তী, আৰু তেওঁযে বঙালী সম্প্ৰদায়ৰহে, সেই কথা ৰাজনাৰায়ণ বসুৰ 'আত্মচৰিত' গ্ৰন্থই কৈছে ("আসাম মিহিৰ" সম্পাদক যদুনাথ চক্ৰবৰ্ত্তী। যদুনাথ চক্ৰবৰ্ত্তী তখন আসাম প্ৰদেশে অবস্থিতি কৰিতেছিলেন")। *

১৮৭৭ চনত চিলঙত প্ৰস্তুত কৰা ১৮৭৪-৭৫ আৰু ১৮৭৫-৭৬ চন কালছোৱাৰ অসমৰ প্ৰশাসন-প্ৰতিবেদনত (Report on the Administration of the Province of Assam for the years 1874-75 and 1875-76) সেইবাবেই প্ৰসংগক্ৰমে শিৱসাগৰৰ পৰা প্ৰকাশিত 'অৰুণোদয়', মাজুলীৰ পৰা প্ৰকাশিত 'আসাম বিলাসিনী', গোৱালপাৰাৰ পৰা প্ৰকাশিত 'আসাম বিধায়িনী' আৰু

---

* ৬ষ্ঠ সংস্কৰণ, পৃঃ ৫৭।

তেজপুৰৰ পৰা প্ৰকাশিত 'আসাম দৰ্পণ'ৰ কথাহে কোৱা হৈছে। তথ্য-সূত্ৰৰ অভাৱেইয়ে ড° শৰ্মাৰ লেখাত ঘটা জ্ঞানোদয়ৰ অনুল্লেখৰ মূল কাৰণ, সেই কথা কোৱা বাহুল্য মাথোন। কিন্তু অসমীয়া কাকত-আলোচনীৰ ইতিহাস প্ৰণয়নত দুই-চাৰিটা সংখ্যা প্ৰকাশ হৈ বিলুপ্ত হোৱা কাকত-আলোচনীৰো স্থান নিশ্চয় উলাই কৰিব পৰা বিধৰ নহয়। 'জ্ঞানোদয়'ৰ গুৰুত্ব সেই দিশৰ পৰা নিঃসন্দেহে তৰ্কাতীত।

উপৰোক্ত প্ৰশাসন-প্ৰতিবেদনত অৱশ্যে জ্ঞানোদয়ৰ নামটো নাই। প্ৰতিবেদনত কেৱল কোৱা হৈছে যে সেইছোৱা কালতে নগাঁৱৰ দুজন দেশীয় লোকেও দুখন কাকত সম্পাদনা কৰি কলিকতাৰ পৰা প্ৰকাশ কৰিছে। এখন বিজ্ঞান আৰু সাহিত্য সম্পৰ্কীয়, আনখন ধৰ্মীয় (Two papers, one treating of science and literature and the other of religion, published likewise at Calcutta, are edited by two natives of Nowgong)। ধৰ্মীয় আলোচনীখন ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'মৌ'ৰ ভূমিকা-লিপিত উল্লেখ কৰা 'চন্দ্ৰোদয়' (১৮৭৬) খনেই। শিৱপ্ৰসাদ বৰুৱায়ো তেখেতৰ তালিকাখনত চন্দ্ৰোদয়ৰ উল্লেখ কৰিছে নগাঁৱৰ দিহিঙীয়া গোসাঁয়ে সম্পাদনা কৰা বুলি। এইজন দিহিঙীয়া গোঁসাইয়ে আমি প্ৰসংগান্তৰত ('মেলা চিকাৰ আৰু দিহিঙীয়া গোঁসাইৰ হাতী চিকাৰ') কৈ অহা বিনন্দ চন্দ্ৰ গোস্বামী (Beenund Chundra Dehingia Gossain) জনেই, তাত কোনো সন্দেহ নাই। অৱশ্যে ১৮৭৬ চনৰ ২৬ জুলাই তাৰিখে নগাঁৱৰ ডেপুটী কমিছনাৰ মিচেলে (T. B. Michell) অসমৰ চিফ কমিছনাৰৰ সচিবলৈ পঠোৱা ১৮৭৫-৭৬ চনৰ সাধাৰণ প্ৰশাসন সম্পৰ্কীয় প্ৰতিবেদনত (নং ২৭৪) কোৱা মতে কাকতখন দিহিঙীয়া গোসাঁয়ে নিজে সম্পাদনা কৰা নাছিল, কৰিছিল তেওঁৰ শিষ্য জনচেৰেকেহে। কাকতখনযে হিন্দু ধৰ্ম বিষয়ক, তাৰো উল্লেখ ঘটিছে ইয়াতে (Another vernacular publication also on the Hindoo religion made its appearance during the year. It is edited by disciples of the Dehingia Gossain)।

'জ্ঞানোদয়' কাকতৰ প্ৰথম উল্লেখ ঘটিছে মিচেলৰ এই প্ৰতিবেদনতে। অৱশ্যে কবি ভোলানাথ দাসে তেওঁৰ 'আসাম-বন্ধু'

শীৰ্ষক কবিতাৰ এঠাইত কাকত হিচাপে জ্ঞানোদয়ৰ নাম লৈছে, পিছে, সেই নামত কাকতখনৰ দুৰ্নামহে প্ৰকাশ পাইছে। আৰু কেইখনমান কাকতৰ লগতে, ভোলানাথ দাসৰ বাবে, জ্ঞানোদয়ৰ নামো "শুনিলে নোৱাৰি নিদি কাণত চাকন" ('ভোলানাথ দাস ৰচনাৱলী,' পৃঃ ১৯৭)। মিচেলৰ প্ৰতিবেদনত কাকতখনৰ সম্পৰ্কত বিশেষ মন্তব্য নাই। তেওঁৰ বিৱৰণ মতে, জিলাখনৰ দেশীয় লোক এজনৰ দ্বাৰা প্ৰকাশিত এই কাকতখন আছিল দুপতীয়া অৰ্থাৎ চাৰিপিঠীয়া (The Gyanodoi, a vernacular publication of about the size of two sheets of letter paper professing to treat of science and literature is published at Calcutta by a native of this District.)।

সংশ্লিষ্ট দেশীয় লোকজনযে পদ্মহাস গোস্বামী, সেই কথাৰ উল্লেখ আছে নগাঁৱৰ তেতিয়াৰ স্থানাপন্ন ডেপুটী কমিছনাৰ এ. এন. ফিলিপ্‌চে ১৮৭৬ চনৰ ৯ জুন তাৰিখে অসমৰ স্কুল-পৰিদৰ্শকলৈ লিখা এখন চিঠিত (নং ১৯৫)। চিঠিখনত পদ্মহাস গোস্বামীক জ্ঞানোদয়ৰ কাৰ্যাধ্যক্ষ বুলি কোৱা হৈছে, আৰু তেৱেঁই জিলা স্কুলৰো শিক্ষক। পদ্মহাস গোস্বামীয়ে চিফ কমিছনাৰৰ সংমোদন নোলোৱাকৈয়ে কাকতখন চলাইছিল। তেওঁ সেই ভুলটো কৰিছিল অজ্ঞতাবশতঃ। কাকতখন যিহেতুকে কেৱল বিজ্ঞান আৰু সাহিত্য বিষয়ক, আৰু সেইবাবেই প্ৰশাসনৰ ক্ষেত্ৰত ক্ষতিকাৰক নহয়, গতিকে সংমোদন লাভৰ আবেদন মঞ্জুৰ কৰিবলৈ ডেপুটী কমিছনাৰজনে স্কুল-পৰিদৰ্শকক পৰামৰ্শ দিলে। ডেপুটী কমিছনাৰজনৰ মূল কথাখিনি এনেকুৱা ঃ

"Sir,

With reference to your letter No. 701 dated 2nd inst., I have the honour to inform you that the Manager of the 'Gyanodoi' periodical, Padma Hans Goswami and the Pandit of the Zilla School are one and the same person. He has, never it seems, obtained the Chief Commissioner's sanction to his conducting this periodical, and he has been informed that he was wrong in undertaking the management of it without such sanction. He says

the omission was due to ignorance on his part and he now solicits the Chief Commr's sanction. As the paper is a very harmless one, and devoted exclussively to scientific and literary subjects, I would beg to recommend his application."

জ্ঞানোদয় নামৰ আলোচনীখন যদিও একান্তভাৱে বিজ্ঞান আৰু সাহিত্য সম্পৰ্কীয় বুলিয়েই কোৱা হৈছে, আলোচনীখন প্ৰকাশ কৰা উদ্দেশ্যৰ লগতে অসমত ব্ৰাহ্মধৰ্ম প্ৰচাৰৰ অভিপ্ৰায়টোও কিছু পৰিমাণে জড়িত হৈ আছিল, সেই কথা অনুমান কৰাৰ অৱকাশ সমূলি নোহোৱা নহয়। কাকতখনৰ কাৰ্য্যাধ্যক্ষ বা সম্পাদক পদ্মহাস গোস্বামী নিজে আছিল অসমত ব্ৰাহ্মধৰ্ম প্ৰচাৰকসকলৰ অন্যতম। ৰাজনাৰায়ণ বসুৰ 'আত্মচৰিত' গ্ৰন্থত পদ্মহাস গোস্বামীৰ উল্লেখ ঘটিছে এনেকৈ: "আসাম প্ৰদেশে পদ্মহাস গোস্বামী নামক একজন ব্ৰাহ্মধৰ্ম প্ৰচাৰক ছিলেন। পদ্মহাস উপবীত পৰিত্যাগ কৰাতে তাহাৰ খুল্লতাত উক্ত কাৰ্য্যেৰ ঔচিত্যানুচিত্য বিষয়ে আমাৰ অভিপ্ৰায় জানিবাৰ জন্য আমাকে এক পত্ৰ লেখেন। এই পত্ৰে আমাকে 'কলিৰ ব্যাসদেৱ' বলিয়া সম্বোধন কৰেন। তাহাতে আমি হাস্য সংবৰণ কৰিতে পাৰি নাই। তাহাৰ পত্ৰেৰ উত্তৰে আমি এই কথা বলি যে জ্ঞানযোগ হইলে লোকে অৱশ্যই উপবীত ত্যাগ কৰিতে পাৰে, আমাদিগেৰ শাস্ত্ৰে এমন বিধি আছে, কিন্তু পদ্মহাসেৰ সেৰূপ জ্ঞানযোগ হইয়াছে কি না, তাহা আমি এতদূৰ হইতে বিচাৰ কৰিতে অসমৰ্থ।" (উক্ত গ্ৰন্থ, ষষ্ঠ সং, ওৰিয়েণ্টেল বুক কোম্পানী, পৃঃ ৫৫)।

ব্ৰাহ্মধৰ্ম প্ৰচাৰৰ বেলিকা পদ্মহাস গোস্বামীয়ে লোৱা ভূমিকাৰ সাক্ষ্য দিছে তেওঁৰ দ্বাৰা প্ৰণীত 'ব্ৰাহ্মধৰ্মৰ লক্ষণ' আৰু 'ব্ৰাহ্মধৰ্ম কাকনো বোলে' নামৰ পুথি দুখনেও। প্ৰতিখন কিতাপৰে মূল্য আছিল এক অনাকৈ (০·০৬ টকা)। জ্ঞানোদয় কাকত ব্ৰাহ্মধৰ্ম প্ৰচাৰৰ আহিলা স্বৰূপ আছিল বাবেও কিজানি ভোলানাথ দাসে আন দুখনমান কাকতৰ লগতে এইখন কাকতৰো নাম শুনিবলৈ টান পাইছিল। অৱশ্যে সাময়িক কাকত-আলোচনী পঢ়ি জ্ঞান উপাৰ্জন কৰাৰ পৰিবৰ্তে অকাৰণত গ্ৰাহকৰ অৰ্থ ব্যয় হোৱা কথাহে ভোলানাথৰ 'আসাম-বন্ধু' কবিতাটোৰ আৱৰণ।

মহাৰাণী ভিক্টোৰিয়া দৰবাৰ

১৮৭৭ খ্ৰীষ্টাব্দৰ ১ জানুৱাৰী। মহাৰাণী ভিক্টোৰিয়াই 'ভাৰতেশ্বৰী' উপাধি গ্ৰহণ কৰা উপলক্ষ্যে সেইদিনা অসমৰ বিভিন্ন ঠাইত দৰবাৰ পাতি উৎসৱ উদ্‌যাপন (Celebration of the event of the assumption of the title of Empress of India by Her Most Gracious Majesty Queen Victoria) কৰা হৈছিল। দৰবাৰ-উৎসৱ হৈছিল নগাঁৱতো। পিছে, নগাঁও বা অসমৰ অন্যান্য জিলাত সেই দিনটোৰ উৎসৱ কেনেকৈ উদ্‌যাপিত হৈছিল, তাৰ সংবাদ-সূত্ৰৰ অভাব। হৰকান্ত সদৰামীনৰ আত্ম-জীৱনীয়েই এই সংবাদৰ একমাত্ৰ উৎস হ'লহেঁতেন, কিন্তু ১৮৭৬ চনৰ ২৫ জুলাইৰ পৰা ১৮৭৯ চনৰ ১১ মাৰ্চলৈকে কালছোৱাৰ 'সদৰামীনৰ আত্মজীৱনী' হেৰাল। নগাঁও মহাফেজখানাৰ জৰাজীৰ্ণ নথিৰ মাজত নগাঁৱত অনুষ্ঠিত উক্ত দৰবাৰ সম্পৰ্কীয় তথ্য কেইটা-মান আমি উদ্ধাৰ কৰিছোঁ। নগাঁৱৰ দৰবাৰৰ এই ছবিখনকে বৃহত্তৰ পটভূমিত স্থাপন কৰিলে ১৮৭৭ চনৰ ১ জানুৱাৰীৰ অসমৰ সামগ্ৰিক ৰূপটোৰ আভাস প্ৰকাশ পাব নিশ্চয়। কাৰণ, আমি জনাত উল্লিখিত দিনটোৰ অসমৰ ছবিখন এতিয়ালৈকে ক'তো উদ্ধাৰ হোৱা নাই।

আমাৰ 'মহাফেজখানাৰ খিড়িকীয়েদি' নামৰ গ্ৰন্থৰ এঠাইত ('নগাঁৱত ব্ৰিটিছ প্ৰশাসনৰ ভুখুৰীয়া ছবি') আমি দেখুৱাই আহিছোঁ যে মহাৰাণী ভিক্টোৰিয়াৰ 'ভাৰতেশ্বৰী' উপাধি গ্ৰহণ সম্পৰ্কত অনুষ্ঠিত হবলগীয়া এই উৎসৱ উপলক্ষ্যে ১৮৭৬ চনৰ ২৭ নৱেম্বৰত নগাঁৱৰ ডেপুটী কমিছনাৰে এটা নিৰ্দেশ দিছিল। সেই নিৰ্দেশত "দৰবাৰৰ লক্ষিত দিনত উপস্থিত হবলৈ মৌজাদাৰ প্ৰভৃতি ভদ্ৰলোক-বিলাকক যথোচিত পত্ৰ দ্বাৰায় নিমন্ত্ৰণ কৰা যাওক" বুলি কৈছিল। ২ ডিচেম্বৰৰ এটা হুকুমত মৌজাদাৰসকলক কোৱা হৈছল এনেকৈ: "সেই দিনৰ অৰ্থাৎ ১ম জানুৱাৰী তাৰিখৰ পূৰ্বেই সিবিলাক উত্তম পৰিচ্ছদাবৃত হৈ তেওঁবিলাক মণ্ডল ও টেকেলাগণ সহকাৰে সমাগত হব লাগিব। যিসকল মৌজাত একৰ অধিক মণ্ডল নাই, সেইবিলাক

মেনেজাৰ মণ্ডল আহিব নালাগে, কেবল চেকেলা-মৌজাদাৰেই আহিব, যেহেতু মৌজাত কোন কাৰ্যকাৰক নথকাকৈ শূন্য কৰি আহিব নোৱাৰে ।"[১০]

শেহতীয়াকৈ পোৱা তথ্য মতে, ১৮৭৬ চনৰ ২ ডিচেম্বৰত নগাঁৱৰ স্থানাপন্ন (officiating) ডেপুটী কমিছনাৰ এ. এন. ফিলিপ্‌স্ চাহাবে এখন বিজ্ঞপ্তি যোগে (Cir. No. 1T) জিলাখনত থকা সকলো য়ুৰোপীয় লোক দৰবাৰত উপস্থিত থাকিবৰ বাবে নগাঁৱৰ চাহ-খেতিয়কসকলক এনেদৰে জনালে :

"Sir,

A Durbar will be held at Nowgong on the 1st of January next for the purpose of celebrating the occasion of the assumption by Her Majesty the Queen of the title of Empress of India, & at this Durbar all European residents in the district are invited to attend." । বিজ্ঞপ্তিখনৰ প্ৰতিলিপি নগাঁৱৰ ১৩ খন চাহ-বাগিচাৰ (U. A. Coy., Jakhalabunda, Neejrikhat, Sikonee, Kullikusi, Bamuni, Koliabur, Salonah, Burkandoli, Nonoi, Amlukhi, Sugunbari, Chapanalla) মেনেজাৰসকললৈ পঠোৱা হৈছিল ।

৬।১২।১৮৭৬ তাৰিখে জিলাখনৰ ভদ্ৰলোকসকলক (Gentlemen) সম্বোধন কৰি লিখা ফিলিপ্‌সৰ আন এখন চিঠিত (No. 2 T) আছে যে মহাৰাণী ভিক্টোৰিয়াৰ ভাৰতেশ্বৰী উপাধি গ্ৰহণ উপলক্ষ্যে উদ্‌যাপন কৰিবলগীয়া দৰবাৰৰ বাবে চৰকাৰে নগাঁও কাৰ্যালয়ক ৩৫০ টকা মঞ্জুৰ কৰিছে । দৰবাৰৰ খৰচৰ বাবে সেই ধনখিনিয়েই যথেষ্ট নহয় । গতিকে, মহাৰাণীৰ প্ৰতি ৰাজহুৱা আনুগত্য প্ৰকাশ কৰাত যাতে সকলোৱে যোগ দিয়াৰ সুবিধা পায়, সেই উদ্দেশ্যে খৰচৰ নাটনিখিনি পূৰাবৰ বাবে ব্যক্তিগত লোক বা ৰাজহুৱা সংগঠনৰ পৰা বৰঙণি বা দান বিচাৰিবলৈ চৰকাৰে ডেপুটী কমিছনাৰক নিৰ্দেশ দিছে (I am directed to invite the Community to supplement this sum by private subscriptions or donations from civic bodies in order

১০. উল্লিখিত গ্ৰন্থ, ১৯৮০, পৃ. ৪১ ।

that all may have an opportunity of joining in the public expression of loyalty to Her Majesty.) । ডেপুটী কমিছনাৰজনে তদনুসাৰে দান-বৰঙণিৰ তালিকা এখন বিজ্ঞপ্তি-খনৰ লগতে পঠিয়াই দিলে—দান-বৰঙণিৰ ঘৰত নিজৰ নিজৰ দস্তখত দিবলৈ ভদ্ৰলোকসকলক অনুৰোধ জনাই (to put down their names in the amount subscribed.) ।

১৬ ডিচেম্বৰত ডেপুটী কমিছনাৰজনে এখন চিঠি (No. 142) লিখিলে 'আছাম লাইট ইনফেন্ট্ৰী'ৰ ৪২ নং পল্টনৰ নগাঁৱত ৰখা দলটোৰ চুবাদাৰজনলৈ (The Subadar in Command of the detachment of the 42nd Regt., A. L. I. at Nowgong) । চিঠিখনত অনুৰোধ জনোৱা হ'ল যাতে চুবাদাৰ-জনে তেওঁৰ সেনাদলৰ সৈতে দৰবাৰত উপস্থিত হৈ তিনি জাঁই গুলী ফুটাই জয়-ধ্বনি দিয়াৰ দিহা কৰে (…make arrangement for your detachment to fire a "feu-de-joie" of three rounds on that occasion.) ।

কিন্তু নগাঁৱৰ এই চুবাদাৰজনে তাকে কৰিবলৈ হলে গুৱাহাটীত থকা ৪২ নং আছাম লাইট ইনফেন্ট্ৰীৰ সেনাধিকাৰিকজনৰ (The Officer Commanding, A. L. I., Gauhati.) অনুমতিৰ প্ৰয়োজন । সেইবাবে ফিলিপ্‌চে ২৩ ডিচেম্বৰত গুৱাহাটীৰ সেনাধি-কাৰিকজনলৈ আন এখন চিঠি (No. 420) লিখিলে যাতে তেওঁ নগাঁৱৰ চুবাদাৰজনক যথাবিহিত অনুমতি প্ৰদান কৰে ।

আয়োজন মতে ১৮৭৭ চনৰ ১ জানুৱাৰীত নগাঁৱত আড়ম্বৰেৰে দৰবাৰ অনুষ্ঠিত হৈ গ'ল । অসমৰ চিফ কমিছনাৰৰ সহকাৰী সচিবে ১৮৭৭ চনৰ ৬ জানুৱাৰী তাৰিখে দৰবাৰৰ প্ৰতিবেদন বিচাৰিলে । স্থানাপন্ন ডেপুটী কমিছনাৰ ফিলিপ্‌চে ১০ জানুৱাৰীত দাখিল কৰা প্ৰতিবেদনত দৰবাৰৰ ছবিখন প্ৰকাশ পাইছে এনেকৈ :—

মিছন চৌহদ আৰু আৱৰ্ত ভৱনৰ মাজৰ মুকলি ঠাই-ডোখৰত তম্বুৰ ৰভা সাজি দৰবাৰ বহুওৱা হৈছিল । চকুত চমক লগাব পৰাকৈ ৰভাখনৰ চাৰিওটা দিশত ৰঙা কাপোৰ তৰি দিয়া হৈছিল, খুটাবোৰো চাকি দিয়া হৈছিল ৰঙা কাপোৰেৰে । ৰভাৰ ভিতৰখন দলিচাৰে মনোৰমকৈ সজোৱা হ'ল প্ৰায় ২০০ জন মানুহ বহিব পৰাকৈ । এমূৰত ডেপুটী কমিছনাৰজনৰ বাবে মঞ্চ এখন

সাজি তাৰ ওপৰত সোণেৰে কাৰচিপ কৰা মনোৰম ভেলভেট কাপোৰেৰে ঢাকি মেজ এখন থোৱা হ'ল (...a table covered with a handsome velvet cloth embroidered with gold.)। মঞ্চখনৰ দুয়ো কাষত য়ুৰোপীয়সকলৰ বাবে আসন ৰখা হৈছিল; নিমন্ত্ৰিত দেশীয় ভদ্ৰলোকসকল বহিছিল মঞ্চৰ সমুখত ৰঙা কাপোৰেৰে ঢকা আসনত। ৰভাখনৰ কেউটা কোণত কাঠৰ একোডাল দীঘল মাৰিত ব্ৰিটিছ পতাকা (British Union Jack) উৰুৱাই ৰখা হৈছিল, আৰু ঠিক প্ৰৱেশ-পথৰ ওপৰতে মনোৰমকৈ সজোৱা ধেনুভিৰীয়া বাঁহ-চ'ৰাটোত ইংৰাজী ভাষাত এই শব্দকেইটা জিলিকি আছিল— "God bless the Empress of India." প্ৰৱেশ-পথৰ সমুখৰ পৰা প্ৰায় ৪০ গজ দূৰত একেকেইটা শব্দকে অসমীয়া ভাষাত লিখি ৰখা আন এটা ধেনুভিৰীয়া বাঁহ-চ'ৰা সজোৱা হৈছিল (An arch bearing the same words in Assamese having been placed at a distance of about forty yards in front of the entrance.)।

৪২ নং আছাম লাইট ইনফেন্‌ট্ৰীৰ বেলেগকৈ ৰখা সৈন্য-দলটোক (detachment) আৰু পুলিচবোৰক ৰভাৰ সমুখত শাৰী পাতিবলৈ দিয়া হ'ল। ডেপুটী কমিছনাৰ আহি মঞ্চলৈ গৈ ইংৰাজী আৰু উৰ্দু ভাষাত ঘোষণা-পত্ৰখন পাঠ কৰিলে। তাৰ পাছত গুণাভিৰাম বৰুৱাই অসমীয়া ঘোষণা-পত্ৰখন পঢ়িলে (The Dy. Comr. having arrived and taken his place on the dais read out the Proclamation in English and Urdu, after which it was read out in Assamese by Babu Gunabhiram Ex. Asstt. Comr.)। চিপাহী আৰু পুলিচবোৰে তেতিয়া তোপ-ধ্বনি কৰিলে। তোপ-ধ্বনিৰ পাছতে হোৱা ভাৰতেশ্বৰীৰ জয়-ধ্বনিত সকলোৱে যোগ দিলে (The sepoys and police then fired a "feu-de joie" which was followed by three cheers of the Empress of India, in which all joined.)। তাৰ পাছত ডেপুটী কমিছনাৰে ইংৰাজী আৰু উৰ্দুত ভাষণ পাঠ কৰিলে, অসমীয়াত পাঠ কৰিলে গুণাভিৰাম বৰুৱাই। গুণাভিৰামে অৱশ্যে ডেপুটী কমিছনাৰৰ অনুৰোধক্ৰমে অসমৰ ক্ষেত্ৰত বিশেষ-ভাৱে প্ৰযোজ্য অতিৰিক্ত কথা কেইটামানো সংযোগ কৰিলে (The

Deputy Commissioner then read out the address in English and Urdu, after which Babu Gunabhiram Ex. Asstt. Comr. read it out in Assamese, adding by the request of the Dy. Comr. some additional remarks, specially applicable to Assam.) । ভাৰতেশ্বৰীৰ নামত পুনৰ তিনিবাৰ জয়-ধ্বনি দিয়াৰ পাছত আতৰ আৰু খিলী-পাণ বিলোৱা হ'ল । তাৰ পাছতে দৰবাৰ ভাগিল (Three more cheers were then given for the Empress of India, after which, "attar" and "pan" were handed round, and the Durbar broke up.) ।

ডেপুটী কমিছনাৰজনে প্ৰতিবেদনত কৈছে যে জন সমাগম যিমান হব বুলি ভবা হৈছিল, সিমান নহ'ল । নেতৃস্থানীয় বহুতো দেশী ভদ্ৰলোক (বিশেষকৈ গোসাঁইসকল, আৰু সেইসকলৰ ভিতৰত প্ৰধানতঃ, দিহিঙীয়া গোসাঁই) আৰু কোনো কোনো মৌজাদাৰ উপস্থিত নাথাকিল । প্ৰতিবেদনৰ সংশ্লিষ্ট মূল বাক্যটো এনেকুৱা ঃ "The attendance was not as large as could have been wished, several leading native gentlemen (Gossains, principally and foremost among them the Dihingia Gossain) having absented themselves as also some of the Mouzadars."

সেইদিনা আবেলি খেল-ধেমালি অনুষ্ঠিত হৈছিল । তাত হলে বহুতো দৰ্শক গোট খাইছিল । সন্ধিয়া দৰবাৰৰ ৰভাখন সম্ভ্ৰান্ত দেশীয় মানুহখিনিক এৰি দিয়া হ'ল । তেওঁলোকে তাত দেশীয় আমোদ-প্ৰমোদ কৰিলে । সন্ধ্যা বন্তি প্ৰজ্বলনো হৈছিল । দৰবাৰ উপলক্ষ্যে কলিকতীয়া আতচবাজীৰো ফৰমাচ দিয়া হৈছিল; কিন্তু দুৰ্ভাগ্যক্ৰমে ১ তাৰিখে তেওঁলোক কলীয়াবৰহে পালেহি । আতচ-বাজী দেখুৱাবলৈ তেওঁলোকক ৮ তাৰিখে সুবিধা দিয়া হ'ল । তাত গোট খোৱা অজস্ৰ দৰ্শকে আতচবাজী সম্পূৰ্ণভাৱে উপভোগ কৰিলে বুলি ডেপুটী কমিছনাৰজনৰ বিশ্বাস প্ৰতিবেদনত প্ৰকাশ পাইছে (...and were, I believe, thoroughly appreciated by the large crowd of spectators who had assembled to witness them.) ।

স্থানাপন্ন ডেপুটী কমিছনাৰজনে ১১ জানুৱাৰী তাৰিখে অসমৰ কমিছনাৰৰ সচিবলৈ আৰু এখন চিঠি (No. 441) লিখিলে—তেওঁৰ আগদিনাৰ চিঠিখনত বাদ পৰি যোৱা কেইটামান কথাৰ উল্লেখেৰে, যেনে, গুণাভিৰাম বৰুৱাই অসমীয়া ভাষাত ভাষণটো পাঠ কৰি দিয়াৰ পাছত কেইজনমান দেশীয় ভদ্ৰলোকক মান-পত্ৰ দিয়া হৈছিল। সেই ভদ্ৰলোককেইজন হ'ল—মৌজাদাৰ আৰু অধনুৱা হাকিম (Honorary Magistrate) জনাৰ্দন ভুঞা, মৌজাদাৰ আৰু জিলা পথ-সমিতিৰ সদস্য (member of the District Road Committee) ভুবনেশ্বৰ নাওবৈছা ফুকন আৰু চৰকাৰী দেশীয় চিকিৎসক মুন্সী হুমছেৰ আলী।

দৰবাৰ উপলক্ষ্যে ৮ জানুৱাৰীত প্ৰদৰ্শিত আতচবাজীত খৰচ পৰিছিল ২৯৯ টকা। আতচবাজীৰ সামগ্ৰীখিনি কিনা হৈছিল কলিকতাৰ 'ফাৰ্গুছন এণ্ড কোম্পানী'ৰ পৰা। সেই কথা প্ৰকাশ পাইছে ডেপুটী কমিছনাৰ এ. কে. কম্বাৰে ১৮৭৭ চনৰ ৩০ এপ্ৰিলত অসমৰ কমিছনাৰৰ সচিবলৈ লিখা চিঠি (No. 99) এখনত। আতচবাজীত হোৱা খৰচৰ ৰচিদখন কমিছনাৰৰ সচিবে খুজি পঠোৱাত কম্বাৰে উল্লিখিত চিঠিৰ লগতে মুদ্ৰাংকযুক্ত ৰচিদখন পঠিয়াই দিছিল এইবুলি : "I have the honor to forward herewith the stamped receipt from Messrs Furguson & Co. for Rs. 299/ on account of fireworks purchased to celebrate the assumption by Her Most Gracious Majesty the Queen of the title of Empress of India."

১৮৭৭ চনৰ ১ জানুৱাৰীৰ এই বাতৰিটোত আমাৰ বোধেৰে বেছিকৈ মন কৰিবলগীয়া বিষয়টো হ'ল— উৎসৱত জন-সমাগম আশানুৰূপ নোহোৱাটো, নেতৃস্থানীয় বহুতো ভদ্ৰলোকৰ উপৰি গোসাঁইসকল আৰু কোনো কোনোজন মৌজাদাৰ উপস্থিত নথকাটো। ১৮৫৮ চনত অনুষ্ঠিত একে বিষয়ক উৎসৱ আপেক্ষিকভাৱে অনাড়ম্বৰ হোৱা সত্ত্বেও নগৰলৈ অনেক প্ৰজা আহিছিল বুলি, আৰু মহন্তসকলৰ কোন আগ কোন পাছ সেই বিষয়ে লগা বিবাদ আনন্দৰাম ঢেকিয়াল ফুকনে মীমাংসা কৰি দিবলগীয়া হৈছিল বুলি গুণাভিৰাম বৰুৱাই 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত কৈ গৈছে। ঘোষণা-পত্ৰ (Proclamation) অৱশ্যে আগৰটো

উৎসৱত ইংৰাজী, উৰ্দু আৰু অসমীয়া ভাষাৰ উপৰি স্বাভাৱিক কাৰণতে বঙলা ভাষাতো পঠিত হৈছিল, পাছৰটো উৎসৱৰ সময়ত অসমৰ আদালতত অসমীয়া ভাষাৰ পুনৰ্বাসন ঘটাৰ ফলত ঘোষণা-পত্ৰৰ বঙলা পাঠৰ অপসাৰণ ঘটিল স্বাভাৱিক কাৰণতে ।

গুণাভিৰাম বৰুৱা-প্ৰসংগ

গুণাভিৰাম বৰুৱা আছিল উনবিংশ শতিকাৰ অসমত ব্ৰিটিছ প্ৰশাসনৰ এজন বিশ্বস্ত বিষয়া। তেওঁৰ তিনিকুৰি বছৰীয়া জীৱন-কালৰ আধাখিনি অতিবাহিত হ'ল ব্ৰিটিছ চৰকাৰৰ কাৰ্যনিৰ্বাহ কৰোঁতেই। কিন্তু এই সুদীৰ্ঘ কালছোৱাত কৰা তেওঁৰ চৰকাৰী কাৰ্য-কলাপৰ সঠিক সংবাদ ক'তো পাবলৈ নাই। 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ'ত গুণাভিৰামে আত্মপৰিচয়াত্মক যিখিনি কথা কৈ গৈছে, গুণাভিৰাম বৰুৱাৰ জীৱন-চৰিত্ৰ প্ৰকাশ কৰাৰ বেলিকা সেইখিনি তথ্যৰ নিৰ্ভৰযোগ্যতা তৰ্কাতীত। কিন্তু 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ'ত বিষয়া গুণাভিৰামজন নাই। তেওঁৰ পুত্ৰ জ্ঞানদাভিৰামে য'তেই সুকণ্ডা পাইছে ত'তেই বিস্তৃত আৰু শ্ৰদ্ধাৱনতভাৱে নিজৰ পিতৃৰ স্মৃতিকথা কৈ গৈছে।[১] পিছে, জ্ঞানদাভিৰামৰ লেখাত ওলোৱা গুণাভিৰামজন পুত্ৰৰ দৃষ্টিৰ পিতৃগৰাকীহে। তেওঁ কোৱা কথাখিনিৰ মাজত পৰিয়ালৰ প্ৰধান-জন হিচাপেহে গুণাভিৰামৰ চৰিত্ৰ-মাহাত্ম্য প্ৰকাশ পাইছে। ব্ৰিটিছ প্ৰশাসনৰ অন্যতম বিষয়া হিচাপে গুণাভিৰামৰ বিষয়ে কবলৈ জ্ঞানদাভিৰামৰ বাধা হ'ল তেওঁৰ নিজৰে বয়সটো। গুণাভিৰামে যেতিয়া চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে, জ্ঞানদাভিৰাম তেতিয়াও চৈধ্য বছৰীয়া কিশোৰ মাথোন। কিন্তু উনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ অন্যতম পুৰোধা গুণাভিৰাম বৰুৱাৰ জীৱনী এখন প্ৰণয়ন কৰিবলৈ হলে ব্ৰিটিছ প্ৰশাসনত তেওঁৰ ভূমিকা বা কাৰ্য-কলাপৰ সংবাদ অবিহনে সেই জীৱনী পূৰ্ণাংগ হ'ব নোৱাৰে। প্ৰসংগক্ৰমে কথা এটা মনলৈ আহিছে। আনন্দৰাম-জনচনৰ গুণাভি-ৰামেই আছিল জেমছ বছৱেল। কিন্তু ইংৰাজী সাহিত্যত বছৱেলীয় ৰীতিত বছৱেলৰ জীৱনীকাৰ নোলোৱাৰ দৰেই আমাৰ ভাষাতো গুণাভিৰাম বৰুৱাৰ পূৰ্ণাংগ জীৱন-চৰিত্ৰ এখন আজিলৈকে নোলোৱাটো নিশ্চয় পৰিতাপৰ কথা।

১. দ্ৰষ্টব্য: আমাৰ দ্বাৰা সংকলিত-সম্পাদিত 'জ্ঞানদাভিৰাম বৰুৱা ৰচনাৱলী,' অসম সাহিত্য সভা, ১৯৮১।

লক্ষ্মীনাথ বেজবৰুৱা-সম্পাদিত 'বাঁহী'ত সূৰ্য্যকুমাৰ ভূঞাই লিখিছিল ঃ "'আসাম বুৰঞ্জী,' 'ৰাম-নৱমী,' 'আসাম-বন্ধু', 'ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ' আদি গ্ৰন্থত যি গুণাভিৰাম বৰুৱাৰ আভাস পাওঁ, সেই গুণাভিৰাম বৰুৱা প্ৰকৃত জীৱন্ত গুণাভিৰাম বৰুৱাৰ এটি ক্ষুদ্ৰ সংস্কৰণ, হাতীৰ আগত বান্দিৰচাঁহীটোৰ দৰে। গতিকে এই প্ৰকৃত বিৰাট মহাপুৰুষ, উদাৰচেতা, মহাপ্ৰাণ, শিশু-সৰল, সৎসাহী, দেশপ্ৰেমিক গুণাভিৰামৰ সম্পূৰ্ণ আভাস দিবলৈ গলে তেখেতৰ জীৱনৰ সামান্য সামান্য ঘটনা, নানা কথাত দিয়া উক্তি-বোৰ, চাল-চলন, দৈনন্দিন জীৱন-যাপন আদিৰ কথা সংগ্ৰহ কৰিব লাগিব। তেনেহলেহে প্ৰকৃত গুণাভিৰামৰ প্ৰতিভা আৰু মাহাত্ম্যৰ এখনি ওচৰ চপা ছবি বা ফটোগ্ৰাফ বাহিৰে লাভ কৰিব পাৰিব।"[২] উনবিংশ শতিকাৰ অসমৰ ব্ৰিটিছ প্ৰশাসনৰ অন্যতম অসমীয়া একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰামৰ প্ৰতিভা আৰু মাহাত্ম্যৰ ওচৰ চপা ছবি এখন পাব পৰা সামান্য পৰিমাণৰ ৰং-ৰেখা নিহিত আছে নগাঁও মহাফেজখানাত পোৱা কিছুমান উৰলা নথিৰ বুকুত। অন্ততঃ তেওঁৰ দুটা দশকৰ কৰ্ম-জীৱনৰ কিছু সংবাদ এই নথিবোৰে ধৰি ৰাখিছে। ১৮৭১ চনৰ পৰা ১৮৯০ চনলৈকে এই দুই দশক কাল গুণাভিৰামে একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ হিচাপে নগাঁৱত কাৰ্যনিৰ্বাহ কৰিছিল।

ব্ৰিটিছ চৰকাৰৰ এজন ছাব এছিষ্টেণ্ট কমিছনাৰৰ পদত নিযুক্ত হৈ গুণাভিৰামে পোন প্ৰথমবাৰৰ নিমিত্তে চৰকাৰী কৰ্ম-জীৱন আৰম্ভ কৰিছিল তেজপুৰত। সেয়া আছিল ১৮৫৯ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহ। সেই কথা তেওঁ নিজেও 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ'ত কৈ গৈছে। কিন্তু তেওঁ যে ১৮৫৯ চনৰ অক্টোবৰ মাহৰ ১৪ তাৰিখে তেজপুৰত সেই পদত যোগদান কৰিছিল, সেই কথাৰ সম্ভেদ দিছে তেওঁৰ সত্তৰৰ দশকত নগাঁও কাৰ্য্যকালৰ নথিয়েহে। ১৮৭১ চনৰ ১৬ ফেব্ৰুৱাৰীত নগাঁৱৰ পৰা গুণাভিৰামে লিখা এখন চিঠিত (নং ৩৭৯) সেই মাহৰ ৭ তাৰিখৰ এখন চৰকাৰী বিজ্ঞপ্তিৰ (Cir. No. 2R) প্ৰসংগ উল্লেখ কৰি দৰং জিলাৰ ডেপুটী কমিছনাৰৰ পৰা যথাসম্ভৱ শীঘ্ৰে জানিব খুজিলে ছাব এছিষ্টেণ্ট কমিছনাৰ হিচাপে তেজপুৰত তেওঁ ১৮৫৯ চনৰ কোন তাৰিখে

২. 'বাঁহী', সাহিত্য-টোকা, ১০ম বছৰ, ৩য় সংখ্যা, আহাৰ, ১৮৪১ শক।

যোগদান কৰিছিল, সেই কথাটো। অৱশ্যে তেওঁ মনত পেলাব পৰা মতে তেজপুৰত নিযুক্তি লোৱা দিনটো ১৮৫৯ চনৰ ১৪ অক্টোবৰ, নাইবা ১৩ আৰু ১৬ অক্টোবৰৰ মাজৰ কোনোবা এটা হব পাৰে বুলিও চিঠিত লিখিছিল। তেজপুৰত তেওঁ যোগদান কৰোঁতে দৰং জিলাৰ ডেপুটী কমিছনাৰ আছিল মেজৰ চুনাৰ (Major Chunher?)। ডেপুটী কমিছনাৰজনে লিখা গুণাভিৰামৰ তেজপুৰত উপস্থিতি আৰু কামত যোগদান সম্পৰ্কীয় চিঠি এখন সেই বছৰৰ পত্ৰ-প্ৰবিষ্টি বহীত বিচাৰিলে সেই সম্ভেদটো পোৱা যাব বুলিও তেওঁ উল্লেখ কৰিলে। গুণাভিৰামৰ মূল চিঠিখন এনেকুৱা :

"Sir,

Refering to Government Cir. No. 2 R of the 7th instant, I have the honour to request you will be kind enough to let me know as soon as possible the date on which I assumed charge as Sub Assistant Commissioner at Tezpore in 1859.

As far as I recollect, I think it was the 14th October 1859, or any other day between 13th & 16th October / 59. If you kindly refer to the Letter Entry Book for that year, you may, I believe, find a letter of Major Chunher, Dy. Cmmr. reporting my arrival & assuming charge to the Commissioner.

I have the honour to be
Sir,
Your most obdt. servt.
Goonabhiram,
Extra Assistant Commissioner."

বিচৰা মতেই গুণাভিৰামে তেজপুৰত নিযুক্তিৰ সম্ভেদটো পালে, আৰু সেই মাহৰ ২৭ তাৰিখে বংগ চৰকাৰৰ সচিবক (Secretary to the Government of Bengal) জনালে (পত্ৰাংক ৬১৩) যে ১৮৫৯ চনৰ ২১ ছেপ্টেম্বৰৰ ৫৬২৩ সংখ্যক নিৰ্দেশ অনুযায়ী সেই চনৰ ১৪ অক্টোবৰত তেওঁ অসমৰ কমিছনাৰৰ উপ-সহকাৰী

হিচাপে তেজপুৰত কাৰ্যভাৰ গ্ৰহণ কৰিছিল।
("Sir,

With reference to your Cir. No. 2 R of the 7th instant, I have the honour to report for your information that having been appointed Sub Assistant to the Commissioner of Assam, under Govt. order No. 5623 of the 21st September 1859, I assumed charge of the office at Tezpore in Assam on the 14th October 1859).

১৮৫৯ চনৰ ১৪ অক্টোবৰৰ পৰা ১৮৭১ চনৰ শেষলৈকে গুণাভিৰামে অসমৰ বিভিন্ন ঠাইত (তেজপুৰ, গোৱালপাৰা, বৰপেটা, নগাঁও, ধুবুৰী) একাধিক বাৰলৈ বিভিন্ন পদবীত চৰকাৰৰ বিভিন্ন দায়িত্ব পালন কৰিছিল। ১৮৭১ চনৰ ডিচেম্বৰ মাহত নগাঁৱলৈ বদলি হৈ অহাৰ পূৰ্বে একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ ৰূপে তেওঁ কাৰ্যনিৰ্বাহ কৰি আছিল গোৱালপাৰাত। গোৱালপাৰাৰ পৰা নগাঁৱলৈ তেওঁক বদলি কৰাৰ নিৰ্দেশ জাৰি কৰিছিল বংগ চৰকাৰৰ স্থানাপন্ন অৱৰ সচিব হেনৰী বীডনে ১৮৭০ চনৰ ৫ ডিচেম্বৰত। চৰকাৰৰ নিযুক্তি-বিভাগৰ পৰা অহা সেই নিৰ্দেশত কোৱা হ'ল যে লেফ্‌টেনেণ্ট গৱৰ্ণৰে গুণাভিৰামক নগাঁৱলৈ পঠিয়াইছে, আৰু তাৎকালিকভাৱে তাত যোগ দিবলৈ তেওঁক অনুৰোধ কৰা হৈছে। বীডনৰ নিৰ্দেশটোৰ পূৰ্ণ পাঠ এনেকুৱা ঃ

"No. 2122 R.

From : H. S. Beadon Esqr.
Offg. Under Secretary to the Govt. of Bengal.
To : Baboo Goonabhiram Surmah.
Extra Assistant Commissioner, Gowalparah.
Fort William the 5th Decr. 1870.

Appt. Dept.

Sir,

In continuation of my letter No. 1997 R dt. the 15th ultimo, I am directed to inform you that the Lieutenant Governor has been pleased to post

you to Nowgong and to request you that you will proceed at once to join your appointment at that state.

I have the honour to be
Sir,
Your most obdt. servt.
H. S. Beadon
Offg. Under Secretary to the
Govt. of Bengal."

নির্দেশটোৰ এটা প্রতিলিপি ১২ ডিচেম্বৰত নগাঁৱৰ ডেপুটী কমিছনাৰলৈ আৰু আন এটা প্রতিলিপি ১৫ ডিচেম্বৰত অসমৰ স্থানাপন্ন কমিছনাৰলৈ তেওঁৰ নৱেম্বৰ মাহৰ ২১ তাৰিখৰ ২৫৬ সংখ্যক চিঠিৰ প্রসংগ উল্লেখ কৰি জ্ঞাতার্থে প্রেৰণ কৰিলে ।

চৰকাৰী নির্দেশানুক্রমে ১৮৭১ চনৰ ৩০ জানুৱাৰীত গুণাভিৰাম নগাঁও পালেহি বুলি, আৰু ৩১ জানুৱাৰীৰ আগবেলা ১১ বজাত ক্রেম্বেল চাহাবৰ (A. E. Campbell) হাতৰ পৰা মালখানাৰ কার্যভাৰ গ্রহণ কৰিলেহি (Baboo Goonabhiram Surmah Ex. Asstt. Comr. arrived at this station on the 30th instant, and has this day received charge of the Treasury from Mr. Campbell at 11 A.M.) বুলি ৩১ জানুৱাৰীত নগাঁৱৰ স্থানাপন্ন ডেপুটী কমিছনাৰ ডি. বি. মিচেলে অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীক (Personal Asstt. to the Comr. of Assam) জনালে । ইতিমধ্যে মিচেলক অব্যাহতি দিলেহি স্থায়ী ডেপুটী কমিছনাৰ জে. এফ. শেচবাৰে ।

১৮৭১ চনৰ ৩১ জানুৱাৰীত কেম্বেলৰ হাতৰ পৰা কার্যভাৰ গ্রহণ কৰাৰ পাছত বছৰটোৰ শেষলৈকে সেই কার্যভাৰ গুণাভিৰামৰ হাততে থকাৰ কথা শেচবাৰে ১৮৭২ চনৰ ৩ ফেব্রুৱাৰীত অসমৰ জুডিচিয়েল কমিছনাৰলৈ পঠোৱা এসতৰ চনৰ বার্ষিক প্রতিবেদনত প্রকাশ পাইছে (Mr. John Campbell was E. A. C. with the power of a Magistrate from the Ist to the 30th January 1871 on which latter date he was received by Baboo Goonabhiram Shurma Rai Bahadoor who

continued till the end of the year.) । কেৱেলক মেজিষ্ট্ৰেটৰ ক্ষমতা দিয়া হৈছিল, কিন্তু তেওঁৰ জুনাভিষিক্ত ই. এ. চি. পুণ্যাভিৰামক প্ৰদান কৰা হৈছিল প্ৰথম শ্ৰেণীৰ হাৰ মেজিষ্ট্ৰেটৰ ক্ষমতাহে । সেই ক্ষমতাৰে তেওঁ ১৮৭১ চন বছৰটোত ৪৪৯ জন লোক জড়িত ৩০৬ টা গোচৰ নিষ্পত্তি কৰিছিল, আৰু সেই গোচৰ-বোৰৰ লগত জড়িত ৩১৬ জন লোকক অপৰাধী সাব্যস্ত কৰিছিল । বাকীবোৰ মানুহক তেওঁ হয় অভিমুক্ত কৰিছিল, নাইবা খালাচ দিছিল । পুণ্যাভিৰামে উক্ত গোচৰসমূহত দিয়া হুকুমৰ বিপৰীতে আপিল হৈছিল ৩৩ টা । তাৰে ২৪ টা আপিলৰ বেলিকা তেওঁৰ হুকুম বলবৎ থাকিল; বাকীকেইটাৰ সাল-সলনি ঘটিছিল ।[৩] প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে সেই বছৰটোত নগাঁৱত পুণ্যাভিৰামৰ সহকৰ্মী চম্পক নাৰায়ণে সোধা গোচৰৰ সংখ্যা আছিল ১৬৭; গোচৰবোৰত জড়িত ব্যক্তিৰ সংখ্যা আছিল ৩১৭ । আন এজন একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ জন কেম্বেলে সোধা গোচৰ আছিল ২৮টা; গোচৰত জড়িত ব্যক্তি আছিল ৫৮ জন । ডেপুটী কমিছনাৰ শেচৰাৰ আৰু ফিলিপ্‌চে সোধা গোচৰ-সংখ্যা আছিল যথাক্ৰমে ৫৯ আৰু ২০; সেই গোচৰ-বোৰৰ লগত জড়িত ব্যক্তি-সংখ্যা আছিল যথাক্ৰমে ৯৩ আৰু ২৮ । কোৱা বাহুল্য যে বিচাৰক হিচাপে সেই বছৰটোত পুণ্যাভিৰামৰ কামৰ ভাৰখনেই আছিল সবাতোকৈ গধুৰ । বাৰ্ষিক প্ৰতিবেদন-খনত ডেপুটী কমিছনাৰ শেচৰাৰেও লিখিছে যে পুণ্যাভিৰাম বৰুৱাই নিৰ্বাহ কৰা দায়িত্বখিনি গধুৰ আছিল; অথচ তেনে গধুৰ দায়িত্ব পালনেৰে পুণ্যাভিৰামে তেওঁক সন্তোষ দিয়াৰ কথা অনস্বীকাৰ্য । শেচৰাৰৰ মতে, গোচৰ সোধাত পুণ্যাভিৰাম আছিল পৰিশ্ৰমী, ইচ্ছুক আৰু যত্নৱান । ডেপুটী কমিছনাৰজনৰ নিজৰ ভাষাত কথাখিনি এনে : "This Officer has given me, I must say, much satisfaction in the discharge of his duties which have been far from light. He is hard-working, willing & painstaking in the preparation of his cases."

৩. দ্ৰষ্টব্য : এই লেখকৰ 'ঊনবিংশ শতিকাৰ অসম সংবাদ,' ডিব্ৰুগড় বিশ্ব-বিদ্যালয়, ১৯৯০, পৃ. ১৩-১৪ ।

১৮৭২ চনৰ ১২ মার্চ তাৰিখে অসমৰ জুডিচিয়েল কমিছনাৰলৈ লিখা এখন চিঠিতো ডেপুটী কমিছনাৰ শেচবাৰে হাকিম গুণাভিৰামৰ সম্পৰ্কত মন্তব্য কৰিছিল যোলে গুণাভিৰামে তেওঁৰ কামবোৰ সতৰ্কভাৱে আৰু পৰিপাটীকৈ কৰে। গতিকে বাসন্তৰ চনৰ আৰম্ভণিৰে পৰা সেই তাৰিখলৈকে কৰা তেওঁৰ কামৰ বিষয়ে যোলে কোনো ধৰণৰ ব্যাখ্যাৰ প্ৰয়োজন নাই (This Officer does his work carefully & well. & no explanation as to his work is necessary.)।

১৮৭১ চনৰ জুলাই মাহত অসমৰ কমিছনাৰ উজনি অসমৰ পৰা গুটিয়াই আহোঁতে তেওঁক কলীয়াবৰত সাক্ষাৎ কৰিবৰ বাবে ডেপুটী কমিছনাৰ শেচবাৰে ২৯ জুলাইত সদৰ ঠাই নগাঁও এৰিব-লগীয়া হ'ল। ২৮ জুলাইত গুণাভিৰামক ডেপুটী কমিছনাৰে জনালে যে তেওঁৰ অনুপস্থিতিত ডেপুটী কমিছনাৰৰ কৰ্তব্যসমূহ গুণাভিৰামে সম্পাদন কৰিব লাগিব। গুণাভিৰামক দিয়া ক্ষমতা অনুযায়ী ডেপুটী কমিছনাৰজনৰ অনুপস্থিতিৰ কালছোৱাত তেওঁ দেৱানী আৰু ফৌজদাৰী বিধিৰ খ অনুচ্ছেদৰ অধীনত পৰা কাৰ্যসমূহ (under the provisions of Section B of the Civil and Criminal Proceedure) সম্পন্ন কৰিবলগীয়া হৈছিল। সেইমতে গোচৰবোৰ লৈ মুন্সিফ আৰু তেওঁৰ অধিকাৰ-ক্ষেত্ৰ অনুযায়ী গোচৰবোৰ ভগাই দিবলৈ, আৰু যিবোৰ গোচৰৰ বেলিকা উচ্চতৰ প্ৰবিষ্টিৰ প্ৰয়োজন, তেনেবোৰ গোচৰ ডেপুটী কমিছনাৰজন উলটি নহালৈকে ৰাখি থবলৈ তেওঁক কোৱা হৈছিল। ডেপুটী কমিছনাৰ-জন মফচললৈ যোৱা কালত জিলাখনৰ প্ৰশাসনৰ দায়িত্বত থাকোঁতে দেশীয় ই. এ. চি. গুণাভিৰামক কেনে ধৰণৰ আধিকাৰিকতা (investiture) প্ৰদান কৰা হৈছিল, সেই বিষয়ৰ পুংখানুপুংখ বিবৰণ জিলা প্ৰশাসকজনৰ এইখন চিঠিত নাই। কিন্তু মাঠিৰ দশকত যেতিয়া গুণাভিৰামে ই. এ. চি. ৰূপে নগাঁৱত কাৰ্য নৰ্বাহ কৰিছিল, তেতিয়া ডেপটী কমিছনাৰ ই. পি. লয়ডৰ অনুপস্থিতিত তেওঁক জিলা প্ৰশাসনৰ দায়িত্ব অৰ্পণ কৰোঁতে লিখা চিঠিখনে (পত্ৰাংক ৬৯, ফেব্ৰুৱাৰী ২৬, খ্ৰীষ্টাব্দ ১৮৬৬) এই বিষয়ত অলপ পোহৰ পেলায়। লয়ডৰ চিঠিত প্ৰকাশ পোৱা মতে গুণাভিৰামে বিল-ফ্লাইট থকা লেফাফাৰ বাহিৰে সকলো চিঠি-পত্ৰ ডেপুটী কমিছনাৰলৈ

পঠিয়াব লাগিব বুলি তেওঁক কোৱা হৈছিল। দেৱানী আদালতৰ প্ৰতিবেদন (Report) টাহে ডেপুটী কমিছনাৰে শুনিব; বাকীবোৰ কাম গুণাভিৰামৰ। ফৌজদাৰী আদালতত গুণাভিৰামে আটাইবোৰ আবেদন শুনিব আৰু গুৰুতৰ গোচৰবোৰ ডেপুটী কমিছনাৰলৈ পঠিয়াব। সামান্য মাৰ-পিট সম্পৰ্কীয় গোচৰবোৰ মৌখিকভাৱেই নিৰ্দ্ধাৰিত সময় এটাত নিষ্পত্তি কৰিবলৈ তেওঁক দিয়া হৈছিল। গোচৰ এটা তৰাৰ যথেষ্ট কাৰণ আছেনে নাই, সেইটো নিৰ্দ্ধাৰণ কৰিবলৈ তেওঁৰ অতিশয় ধৈৰ্য, বিচাৰ-শক্তি আৰু তীক্ষ্ণ বুদ্ধিৰ প্ৰয়োজন হ'ব বুলিও সেই চিঠিত কোৱা হৈছিল (···it will require great patience, judgement and sagacity on your part to ascertain whether there really is sufficient cause to constitute an offence and to justify a complaint in having recourse to law.)। গোচৰবোৰ ধৈৰ্যসহকাৰে পুংখানুপুংখভাৱে বিচাৰ কৰিলে মানুহখিনি আৰু তেওঁলোকৰ ভাষা সম্পৰ্কে থকা গুণাভিৰামৰ জ্ঞান এই ক্ষেত্ৰত অভ্ৰান্ত সহায়ক হোৱাৰ ইংগিতো লয়ডৰ চিঠিত আছিল (Your knowledge of the language and of the people should be an unerring guide to you if you have patience thoroughly to examine not only the person, but the statements of the complainants)। পুলিচ আৰু জেইল সম্পৰ্কীয় ৰিপোৰ্টবোৰ ডেপুটী কমিছনাৰলৈ পঠিয়াবই লাগিব বুলি চিঠিখনত স্পষ্ট ভাষাৰে বুজাই দিয়া হৈছিল। কালেক্টৰী বিভাগৰ সকলোবোৰ দৰ্খাস্ত বা ৰিপোৰ্ট ডেপুটী কমিছনাৰজনেহে শুনিব। কোনো ধৰণৰ মাটি বা পট্টা হস্তান্তৰ কৰাৰ পৰা যেন গুণাভিৰাম বিৰত থাকে, তেহেলৈ মাটি বিচৰা মানুহজন যিয়েই হওক লাগে (You will have the goodness to abstain from making over any lands of any description or Pottah to any one whomsoever.)। এই চিঠিয়েই সম্ভৱৰ দশকতো গুণাভিৰামৰ আধিকাৰিকতাৰ আভাস দিব পাৰে নিশ্চয়।

১৮৭১ চনৰ ২ ডিচেম্বৰত ডেপুটী কমিছনাৰ শেডবাৰে অসমৰ কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ লিখা এখন চিঠিৰ (নং ২৭৭) পৰা জনা যায় যে চৰকাৰে ৩১ অক্টোবৰত পঠোৱা এখন চিঠিৰ

সংশোধিত উত্তৰ এটা ২৫ নৱেম্বৰত বিচাৰিছিল। চৰকাৰৰ চিঠিখনে একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰাম বৰুৱাৰ পত্নীৰ নামত থকা স্থাৱৰ সম্পত্তিৰ হিচাপ এটা খুজি পঠিয়াইছিল। ডেপুটী কমিছনাৰ গেটৰাৰে উল্লিখিত তাৰিখৰ চিঠিখনেৰে জনালে যে তেওঁৰ অধস্তন কাৰ্যবাহী বিষয়া একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰামৰ বসবাসৰ বাবে নগৰত নিচেই কম পৰিমাণৰ বাৰী মাটি এটুকুৰা আৰু ঘৰ কেইটামানৰ বাহিৰে জিলাখনত তেওঁৰ পত্নী বা সম্পৰ্কীয় আন কাৰো নামত স্থাৱৰ সম্পত্তি বা জমিদাৰী নাই (··· the subordinate Executive officer Baboo Goonabhiıam Surmah E. A. C. holds no landed property or estate in the name of his wife or anybody else in this District with the exception of a small quantity of garden land, and the houses in the station where he resides.)।

• ঊনবিংশ শতিকাৰ সত্তৰ আৰু আশীৰ দশক দুটাত নগাঁৱত কাৰ্যনিৰ্বাহ কৰা প্ৰায় আটাইকেইজন ডেপুটী কমিছনাৰেই স্থানীয় যেই-সেই বিষয় সংক্ৰান্ত প্ৰতিবেদন এটা যুগুত কৰাৰ বেলিকা একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰামৰ সাহায্য ব্যতিৰেকে চৰকাৰক সংশ্লিষ্ট বিষয়বোৰৰ যথোচিত সম্ভেদ দিব নোৱাৰিছিল। কেতিয়াবা যদিহে ডেপুটী কমিছনাৰজনে নিজে প্ৰতিবেদন এটা যুগুতাই চৰকাৰলৈ পঠিয়াইছিলো, সেই প্ৰতিবেদনো আছিল ই. এ. চি. গুণাভিৰামৰ প্ৰতিবেদন-ভিত্তিকহে। অসমৰ স্কুলবোৰ সহায়ক-অনুদান পদ্ধতি (grants in-aid system)ৰ অধীনত চলোৱা সম্পৰ্কত ১৮৭১ চনৰ ৯ জুনত অসমৰ কমিছনাৰে ডেপুটী কমিছনাৰ-সকলৰ অভিমত বিচাৰিলে। এ. এন. ফিলিপ্স তেতিয়া নগাঁৱৰ ডেপুটী কমিছনাৰ। তেওঁ কমিছনাৰৰ মূল চিঠিখনকে গুণাভিৰামলৈ প্ৰেৰণ কৰি শিক্ষা বিভাগৰ সহায়ক-অনুদান পদ্ধতিৰ অধীনত জিলাখনৰ স্কুলবোৰ কেনেকৈ চলিছে, জিলাখনৰ কিবা বিশেষ পৰিস্থিতিতহে এই পদ্ধতিটো প্ৰবৰ্তিত হৈছেনেকি, শিক্ষাৰ আৰু ৰাইজৰ স্বভাৱ-চৰিত্ৰৰ স্বাৰ্থত পদ্ধতিটোৰ প্ৰাসংগিকতা কিমান, সেই সকলো কথাৰ খৰচি মাৰি গুণাভিৰামৰ নিজৰ অভিমত জনাবলৈ ডেপুটী কমিছনাৰে তেওঁক অনুৰোধ জনালে (The accompanying original correspondence is foıwaıded to

Baboo Goonabhiram E. A. C. with the request that he will be good enough to favour the undersigned with an expression of his opinion on the working of the grants-in-aid system.) ।

১৮৭২ চনত কাউঞ্চিলত উত্থাপিত 'দেশীয় বিবাহ বিধেয়ক' (Native Marriage Bill) ৰ বিষয়ে অসমৰ কমিছনাৰে ২৯ ফেব্ৰুৱাৰীত ডেপুটী কমিছনাৰসকলৰ অভিমত বিচাৰিছিল । নগাঁৱৰ ডেপুটী কমিছনাৰ শেচবাৰে ১৩ মাৰ্চত কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ লিখিলে (Memo 135) যে চৰকাৰৰ সংশ্লিষ্ট চিঠিখন পোৱাৰ লগে লগেই তেওঁ তেওঁৰ সহকাৰী গুণাভিৰাম বৰুৱাক উল্লিখিত বিধেয়কখনৰ বিষয়ে তেওঁৰ দৃষ্টিভংগী প্ৰকাশ কৰিবলৈ আৰু জিলাখনত প্ৰচলিত বিবাহ-পদ্ধতিৰ চমু ইতিবৃত্ত এটা যুগুত কৰিবলৈ অনুৰোধ জনালে, আৰু গুণাভিৰামে যুগুতোৱা মনোৰম প্ৰতিবেদনটো শেচবাৰে তেওঁৰ চিঠিখনৰ লগত গাঁথি দিছে । শেচবাৰে নিজে লিখা কথাখিনি হ'ল ঃ "I have the honour to state that on its receipt I called on my assistant Baboo Goonabhiram to favour me with his views on the Native Marriage Bill now before the Council & also to furnish a short history of the marriage ceremonies in vogue in this district, I have the pleasure to enclose his report as called for which contains much interesting matter which he was in a position to furnish."

১৮৭২ চনৰ ১ মে' তাৰিখে বংগ চৰকাৰ আৰু ভাৰত চৰকাৰে অসমৰ মন্দিৰত প্ৰচলিত দেৱদাসী প্ৰথা সম্পৰ্কে এটা অনুসন্ধান চলাইছিল । ১২ মে' তাৰিখে ডেপুটী কমিছনাৰ শেচবাৰে চৰকাৰলৈ সংশ্লিষ্ট বিষয়টোৰ সম্পৰ্কত উত্তৰ পঠিয়ালে । ডেপুটী কমিছনাৰে নিজে লিখা চিঠিখনৰ লগত গুণাভিৰাম বৰুৱাই যুগুতোৱা সংশ্লিষ্ট বিষয়ৰ প্ৰতিবেদন এটাও গাঁথি দিয়াৰ কথা আমি এই গ্ৰন্থৰ স্থানান্তৰত কৈ আহিছোঁ । কোৱা বাহুল্য মাথোন যে সংশ্লিষ্ট বিষয়ত ব্ৰিটিছ প্ৰশাসকজনৰ অভিমত গুণাভিৰামৰ প্ৰতিবেদন-ভিত্তিক হে ।

অসমৰ কাছাৰীত কাৰ্যনিৰ্বাহৰ সময় একেলেথাৰিয়ে পুৱা ১০ বা ১১ বজাৰ পৰা আবেলি ৪ বা ৫ বজালৈ । দেশীয় কাৰত

এখনত সেই নীতি সম্পৰ্কে অভিযোগ প্ৰকাশ পালে। কাকতখন বঙলা ভাষাৰ বুলি অনুমান কৰাৰ থল আছে। কাৰণ, কাছাৰী একেলেথাৰিয়ে ৬ ঘণ্টা নবহৰাই দুটা বৈঠকত কাৰ্যনিৰ্বাহ কৰিলে জমিদাৰ আৰু ৰায়ত শ্ৰেণীৰ সুবিধা হয় বুলি কাকতখনে পৰামৰ্শ দিছিল। অসমত জমিদাৰ-ৰায়ত প্ৰসংগ প্ৰায় অবান্তৰ। গতিকে অভিযোগটো অসমবাসী বংগদেশীয় কৰ্মচাৰী সংক্ৰান্ত বুলি কোৱাত অসুবিধা নাই। ডেপুটী কমিছনাৰ শ্চেৰাৰে বিষয়টোৰ খবচি মাৰি প্ৰতিবেদন এটা প্ৰস্তুত কৰিবলৈ ১৪ নবেম্বৰত ('৭২) দায়িত্ব দিলে গুণাভিৰামক। অসমৰ মানুহৰ কাম-কাজৰ প্ৰথা বিশ্লেষণ কৰি গুণাভিৰামে ২৫ নবেম্বৰৰ প্ৰতিবেদনটোত কলে বোলে দিনটোৰ মাজ ভাগতে বিৰতি দি দুটা বৈঠকত কাছাৰীত কাম কৰা অভ্যাস অসমীয়া মানুহৰ নাই। দিনৰ ১০ বা ১১ বজাৰ পৰা ৪ বা ৫ বজালৈ একেলেথাৰিয়ে কাছাৰী বহুওৱা প্ৰথাটো জমিদাৰ আৰু ৰায়ত শ্ৰেণীৰ বাবেহে অনুপযোগী হ'ব পাৰে, আনৰ বাবে এই প্ৰথা মুঠেই অনুপযোগী নহয়।[৪]

বৰলাটৰ প্ৰতিনিধিৰ ব্যক্তিগত সহকাৰী আৰু অসমৰ কমিছনাৰ ড্ৰাইবাৰ্গৰ অসম ভ্ৰমণ কালত ১৮৭৩ চনৰ ১৪ জানুৱাৰীত নগাঁৱৰ ডেপুটী কমিছনাৰ শ্চেৰাৰে ড্ৰাইবাৰ্গলৈ লিখিলে (পত্ৰাংক ৬৫০) যে ১৮৭২ চনৰ ১৪ আগষ্ট তাৰিখৰ বংগ চৰকাৰৰ যি বিজ্ঞপ্তি ডেপুটী কমিছনাৰলৈ পঠোৱা হৈছিল, সেই বিজ্ঞপ্তিয়ে বিচৰা প্ৰতিবেদন তেওঁ তেওঁৰ একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰাম শৰ্মাক অনুৰোধ কৰি যুগুত কৰোৱাইছে। সেই প্ৰতিবেদনত কেৱল নগাঁৱৰে নহয়, সাধাৰণভাৱে সমগ্ৰ অসমৰে ছবিখন প্ৰকাশ পোৱাৰ কথাও ডেপুটী কমিছনাৰে লিখিলে।

গুণাভিৰামৰ প্ৰতিবেদনখনত বোলে নগাঁৱৰ লগতে অসমৰ ৰাজনীতি, কৃষি, ধৰ্ম আৰু সামাজিক ইতিহাস প্ৰকাশ পাইছে। তেওঁৰ মূল প্ৰতিবেদনখনকে ডেপুটী কমিছনাৰজনে তেওঁৰ চিঠিৰ লগত পঠিয়াই দিবলৈ পোৱাৰ আনন্দ শ্চেৰাৰে তাত প্ৰকাশ কৰিছে এনেকৈ: "It affords me much pleasure to submit in original the accompanying report prepared & drawn up by Baboo Goonabhiram Surma containing a

৪. দ্ৰষ্টব্য: ঊনবিংশ শতিকাৰ অসম-সংবাদ, পৃ ২০-২১।

Political, Agricultural, Religious & Social History of Nowgong & History of this Province." ডেপুটী কমিছনাৰজনে ইচ্ছা কৰিয়েই গুণাভিৰামৰ পাণ্ডুলিপিটোৰ এটা শব্দৰো পৰিবৰ্তন বা সংশোধন কৰা নাই। কাৰণ, তেওঁৰ সুদক্ষ আৰু সাগ্ৰহী সহকাৰীজনে ইংৰাজী ভাষাত লিখা মনোৰম প্ৰতিবেদনখন বৰলাটৰ প্ৰতিনিধি তথা কমিছনাৰে পঢ়ি চোৱাটো তেওঁ বিচাৰে। শ্চেৰাৰৰ মতে, গুণাভিৰামে জিলাখনৰ সুন্দৰ ছবি এখন পাঠকমানে দাঙি ধৰিছে। তেওঁ লক্ষ্য কৰিছে যে চৰকাৰী বিজ্ঞপ্তিখনৰ জৰিয়তে লেফ্‌টেনেণ্ট গৱৰ্ণৰে যিবোৰ সংবাদ বিচাৰিছিল, সিবোৰৰ প্ৰতিটো বিষয়কে কম-বেছি পৰিমাণে গুণাভিৰামে প্ৰতিবেদনত আলোচনা কৰিছে। গতিকে ডেপুটী কমিছনাৰৰ আশা এয়ে যে গুণাভিৰামৰ প্ৰতিবেদনখন যেন কমিছনাৰে অনুমোদন কৰে। গুণাভিৰামৰ দক্ষতা-প্ৰকাশক কথাখিনিৰ সম্পৰ্কত শ্চেৰাৰে লিখিছিল এনেকৈ: "I have not purposely attempted to alter or correct one single word of this manuscript, as I am desirous the Govr. Genl's Agent & Commr. should see & peruse this interesting paper and the exact state in which it has been written in English by my able & willing Assistant. Baboo Goonabhiram Surma has, I think, done his best to compile a fair picture of this District, as he has, I note, touched & dwelt more or less, on each particular topic specified in the Govt. Circular about which the Lt. Govr. sought information, and I venture to hope the Report as here submitted will meet with the Commissioner's approval."

অসমত ধঁপাতৰ খেতি সম্পৰ্কীয় কিছু সংবাদ লেফ্‌টেনেণ্ট গৱৰ্ণৰে বিচাৰিছিল ৩।৪।১৮৭৩ তাৰিখে। অসমৰ কমিছনাৰে নগাঁৱৰ ডেপুটী কমিছনাৰৰ পৰা সংবাদ বিচাৰিলে ২।৫।১৮৭৩ তাৰিখে। নগাঁৱৰ ডেপুটী কমিছনাৰে ৫।৫।১৮৭৩ তাৰিখে গুণাভিৰামক অনুৰোধ জনালে লেফ্‌টেনেণ্ট গৱৰ্ণৰে বিচৰা বিভিন্ন সংবাদ পাৰ্যমানে সংগ্ৰহ কৰি ডেপুটী কমিছনাৰক সহায় কৰিবলৈ ("...that he

will be so good as to favour the undersigned with as complete information as it is possible to procure on several points noticed by His Honor the Lt. Governor in connection with the cultivation of tobacco.)

১৮৭৩ চনৰ এপ্ৰিল মাহত মৰাপাট আয়ুক্তই (Jute Commissioner) তেঁওা মৰা আৰু তিতা মৰাৰ গুটি আৰু নগাঁৱত উৎপন্ন হোৱা মৰাপাটৰ নমুনা বিচাৰিছিল। ২৮।৪।৭৩ তাৰিখে আয়ুক্তৰ মূল চিঠিখনকে ডেপুটী কমিছনাৰে গুণাভিৰামলৈ প্ৰেৰণ কৰি অনুৰোধ জনালে যাতে আয়ুক্তই বিচৰা নমুনাকেইটা তেওঁ সংগ্ৰহ কৰে।

১৮৭২ চনত বংগ গৱৰ্ণমেণ্টে যি নতুন দণ্ডবিধি আইন প্ৰবৰ্তন কৰিলে, সেই আইনৰ (Act X of 1872) ২০ অনুচ্ছেদৰ অধীনত তেতিয়াৰ প্ৰথম শ্ৰেণীৰ হাব মেজিষ্ট্ৰেট গুণাভিৰাম বৰুৱাক দ্বিতীয় শ্ৰেণীৰ দণ্ডাধীশৰ ক্ষমতা দিয়া হ'ল (Proposed power under the new code of criminal procedure : powers of a Second Class Magistrate under Section 20)। সেই আইনৰ ২৩ আৰু ২৫ অনুচ্ছেদৰ অধীনত প্ৰস্তাৱিত অতিৰিক্ত ক্ষমতা (Proposed additional powers) তেওঁক একো দিয়া হোৱা নাছিল। অৱশ্যে তেওঁৰ সহকৰ্মী চম্পক নাৰায়ণ, অধনুৱা হাকিম জে হেৰিয়ট আৰু টমাছ হেণ্ডাৰছন আদিৰ এজনকো গুণাভিৰামক দিয়া ধৰণৰ ক্ষমতা দিয়া নহৈছিল বুলি হাকিমৰ তালিকা এখনে (List of Subordinate Magistrates) কৈছে।

১৮৭২ চনৰ জানুৱাৰী মাহৰ প্ৰথম পষেকটোৰ কেইটামান দিনত নগাঁও জিলাৰ প্ৰশাসনৰ ভাৰ অৰ্পিত হৈছিল গুণাভিৰামৰ হাতত। তাৰ প্ৰমাণ কমিছনাৰৰ ব্যক্তিগত সচিবলৈ, বংগৰ মহাগাণনিকলৈ আৰু কামৰূপ জিলাৰ ডেপুটী কমিছনাৰলৈ গুণাভি-ৰামে প্ৰশাসন সংক্ৰান্তত লিখা কেইখনমান চিঠিয়ে (৬, ৮, ১০, ১৫, জানুৱাৰীৰ) দিছে। ১০ জানুৱাৰীত কামৰূপৰ ডেপুটী কমিছনাৰলৈ লিখা চিঠিত (নং ১৭) আছে যে নগাঁও কাৰাগাৰৰ আব্দুল খান নামৰ বন্দী এজনে জনৈক গোলাম নবী খানৰ বিৰুদ্ধে অপহৰণৰ অভিযোগ এটা উত্থাপন কৰিছিল। অভিযুক্ত গোলাম নবী খানে

তেতিয়া বসবাস কৰিছিল গুৱাহাটীৰ মাছখোৱাত । তেওঁৰ সবিশেষ জনাবলৈ কামৰূপৰ ডেপুটী কমিছনাৰক গুণাভিৰামে অনুৰোধ জনাইছিল । গুণাভিৰামৰ মূল চিঠিখনত আছে : "A criminal charge of abduction having been charged by Abdul khan, a prisoner in the Jail, against Golam Nobi khan, who is said to be now residing at Machkhowa in the station of Gowhatty, I have the honour to request the favour of your informing me as to his whereabouts in order to enable me to take steps to cause his appearance before me." ১৫ জানুৱাৰীত নগাঁৱৰ পোষ্ট মাষ্টৰলৈ লিখা দুখন চিঠিৰ এখনে (নং ২০) কৈছে যে পোষ্ট মাষ্টৰে বিচৰা ঠাইডোখৰ পাব পৰা বিধৰ নহয় (·· the site applied for is not available) । অনুমান কৰিব পাৰি যে সংশ্লিষ্ট ঠাইডোখৰ নগাঁৱৰ ডাকঘৰ নিৰ্মাণৰ বাবে বিচৰা হৈছিল । কাৰণ, আনখন চিঠিত (নং ২১) গুণাভিৰামে লিখিছে যে নগাঁৱৰ পুৰণি থানাঘৰটো ডাকঘৰ ৰূপে ব্যৱহাৰ কৰিবলৈ ডাক বিভাগৰ মহা সঞ্চালকৰ ইচ্ছা নাই (···the Director General of Post Offices is disinclined to take the old Thanah for the Post Office at Nowgong.) ।

১৮৭২ চনৰ এপ্ৰিলৰ ৫ তাৰিখে ডেপুটী কমিছনাৰ শেচৰালে কমিছনাৰৰ ব্যক্তিগত সহকাৰীলৈ লিখা এখন চিঠিত গুণাভিৰাম সম্পৰ্কে ব্ৰিটিছ প্ৰশাসকজনৰ এক প্ৰকাৰৰ মিশ্ৰিত ধাৰণা প্ৰকাশ পাইছে । মাৰ্চ মাহৰ ১৮ তাৰিখে বংগ গৱৰ্ণমেণ্টে লোৱা সিদ্ধান্ত অনুযায়ী অচিহ্নিত কাৰ্যবাহী বিষয়াসকলৰ (Uncovenanted Executive Officers) অৰ্হতা সম্পৰ্কত সেই মাহৰ ২৮ তাৰিখে অসমৰ কমিছনাৰে পঠোৱা এখন বিজ্ঞপ্তিৰ উত্তৰত শেচৰালে লিখিছিল যে গুণাভিৰাম বৰুৱা খৰ্‌তকীয়া স্বভাৱৰ মানুহ নহয় । তেওঁৰ কৰ্তব্যখিনি তেওঁ ক্ষিপ্ৰতাৰে সম্পাদন কৰিব নোৱাৰে । ঘোঁৰাতযে তেওঁ উঠিব নোৱাৰেই, আনকি ৫ মাইলৰ অধিক বাট ভাগৰ নলগাকৈ খোজ কাঢ়িবও নোৱাৰে । অৱশ্যে এই কথাকেইষাৰ তেওঁ দুখেৰেহে কব লগা হৈছিল এনেকৈ : "Baboo Goonabhiram, I regret to state, is not a man of active habits

or capable of moving about rapidly in the execution of his duty. He cannot ride at all, nor could he walk more than five miles without being knocked up.)। অৱশ্যে প্ৰয়োজন-সাপেক্ষে চৰকাৰৰ অভিপ্ৰায়ৰ ক্ষেত্ৰত সহযোগ দেখুওৱাত তেওঁ যে অতি ইচ্ছুক আৰু আগ্ৰহী, সেই কথা ডেপুটী কমিছনাৰজনে দঢ়াই কৈছে (He is, however, I must add, very willing and eager to meet the views of Govt. whenever necessary.)। চৰকাৰে তেওঁৰ অশ্বাৰোহণ-দক্ষতাৰ প্ৰমাণ বিচৰাৰ লগে লগেই তেওঁ সবাতোকৈ চেঙা ঘোঁৰা এটা লৈ অশ্বাৰোহণৰ গোপন প্ৰশিক্ষণ (Private tuition on equitation) ললৈগে তেওঁৰ বন্ধু ভোলানাথ দাস ইঞ্জিনীয়াৰৰ অধীনত। পিছে গুণাভিৰামৰ শৰীৰৰ গঠন আৰু সুগোল শকত কৰঙনলৈ চাই (from his general build & round fat thighs) তেওঁ যে নির্ভয়ে ঘোঁৰা চেকুৰাব পাৰিব, সেই বিষয়ে শেচৰাৰৰ সন্দেহ আছিল। ৪ এপ্ৰিল তাৰিখে শেচৰাৰে প্ৰত্যক্ষ কৰা এটা ঘটনাৰ পৰাই তেওঁ সেই কথা কৈছিল। ভোলানাথ দাসৰ ওচৰত প্ৰশিক্ষণ লোৱাৰ কথা জনাৰ পাছত কলঙৰ পাৰৰ ষ্ট্ৰেণ্ড ৰোডত শেচৰাৰে গুণাভিৰামক ঘোঁৰাৰ পিঠিত দেখা পালে। গুণাভি-ৰামে ৰোলে শেচৰাৰক দেখুৱাব খুজিছিল যেন তেওঁ আটাইতকৈ মিছু ঘোঁৰা এটাৰ ওপৰতহে কদমত গৈ আছে। পিছে, এনে বল-কাৰক বেগত ৬ গজমান দূৰ নৌ-যাওঁতেই সমতা হেৰুৱাই তেওঁ ধুপুহকৈ পৰি থাকিল (…but had not gone half a dozen yards at this invigorating pace ere he lost his balance & fell heavily.)। গুণাভিৰামে এই অশ্বাৰোহণ-দক্ষতাৰ পৰীক্ষা দিবলগীয়া হৈছিল বাসন্তৰ চনৰ মে' মাহৰ ৪ তাৰিখে। অৱশ্যে সেই পৰীক্ষাত তেওঁৰ লগতে অৱতীৰ্ণ হবলগীয়া হৈছিল তেওঁৰ সহকৰ্মী ই. এ. চি. কৰুণাময় বেনাৰ্জী আৰু চম্পক নাৰায়ণো। সেই পৰীক্ষা-সংক্ৰান্ত জাননীখনত (Memo 258) কোৱা হৈছিল যে তিনিওজন বিষয়া উক্ত তাৰিখে ঘোঁৰাত উঠি পুৱা ৬½ বজাতে ডেপুটী কমিছনাৰৰ বঙলা পাবগৈ লাগিব। তেওঁলোকে ঘোঁৰা চেকুৰাব জানে নে নাজানে সেই কথা চৰকাৰক জনাবলগীয়া হৈছে বাবে তেওঁলোকে অন্ততঃ ৫ মাইল বাট ঘোঁৰা চেকুৰাই দেখুৱাব লাগিব।[৫]

৫. দ্ৰষ্টব্য : 'ঊনবিংশ শতিকাৰ অসম-সংবাদ', পৃ. ৯১-৯৫।

ব্ৰিটিছ প্ৰশাসনত পুণ্যাভিৰাম মকৰ্দ্দমা কৰবাৰ কোষাগাৰ (Treasury)ৰ দায়িত্বত আছিল। কোষাগাৰৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে ১৮৭২ চনৰ ২০ মে'ত ডেপুটী কমিছনাৰলৈ লিখা এখন চিঠিত (নং ১০৯) তেওঁ কোষাগাৰৰ কাৰ্যসমূহ কেনেকৈ সম্পাদন কৰিছিল, কেনেকৈ তেওঁ দেয়ক বা অন্যান্য দাবীসমূহ পৰিশোধ কৰিছিল, তাৰ এটা বিবৰণ (a report how the order of payment on bill or other claims is made) পোৱা গৈছে। চিঠিত লিখা মতে, যেতিয়াই পৰিশোধৰ বাবে দেয়ক এখন তেওঁলৈ পঠোৱা হয়, তেতিয়াই তেওঁ সেইখন পোন প্ৰথমে গাণনিকলৈ পঠিয়ায়। গাণনিকজনে পৰীক্ষা কৰি পঞ্জীবদ্ধ কৰাৰ পাছত দেয়কখনৰ লগত গাঁঠি দিয়া পৰিশোধ-হুকুমৰ প্ৰতিলিপিটোত গাণনিকজনে চহী কৰি কোষাগাৰ-বিষয়া হিচাপে পুণ্যাভিৰামলৈ পঠিয়ায়। দাবীদাৰজন বে-চৰকাৰী মানুহ হলে পৰিশোধ-হুকুমৰ প্ৰতিলিপিটোৰ সৈতে মানুহ-জনকো তেওঁৰ ওচৰলৈ পঠিয়াই দিয়ে। তেতিয়াহে তেওঁ হুকুমটোত চহী কৰে। তাৰ পাছত গাণনিকজনে পুনৰ সাৱধানে পৰীক্ষা কৰি পৰিশোধ-হুকুমটোত চহী কৰে। এটা বাক্যত পুণ্যাভিৰামৰ নিজা কথাখিনি এনেকুৱা : "When a bill etc. is tendered for payment, it is presented in the first instance to the accountant who after examining & entering the same in the Register writes out the order of payment as per fascimile annexed & having signed it himself, sends it (with the claimant if he be a private individual) to the Officer-in-charge of Treasury for signature, who again after a careful examination of it passes the same by signing the order for payment."

পিছে, কাৰ্যসম্পাদনৰ ইমান সতৰ্কতা সত্ত্বেও ভাৰপ্ৰাপ্ত কোষাগাৰ-বিষয়া পুণ্যাভিৰামৰ কাৰ্যকালত ভুল নোহোৱাকৈ নাছিল। এদিন এটা ভুল হৈছিল। ভুলটো যদিও তেওঁৰ নিজা নহয়, তেওঁৰ গাণনিকজনৰ অনৱধানতাজনিতহে, তথাপি তাৰ বাবে ভাৰপ্ৰাপ্ত কোষাগাৰ-বিষয়া হিচাপে পুণ্যাভিৰামেই ডেপুটী কমিছনাৰৰ ওচৰত দুখ প্ৰকাশ কৰিবলগীয়া হ'ল। ঘটনাটো ঘটিছিল এনেকৈ : ১৮৭৩

চনৰ ২৩ মে' তাৰিখে নগাঁৱৰ ডেপুটী কমিছনাৰে নগাঁও কোষাগাৰলৈ দুটকা ছঅনা তিনি পাই (২·৪০ টকা)ৰ চালান এখন পঠিয়ালে। চালানখন পঠোৱা হৈছিল গুৱাহাটী চৰকাৰী উকীল যশমন্ত দেৱ নামত কামৰূপ কোষাগাৰলৈ হস্তান্তৰ ৰচিদ প্ৰেৰণ কৰাৰ উদ্দেশ্যে (to issue a Remittance Transfer Receipt.)। নগাঁও কোষাগাৰৰ গাণনিকে সেই তাৰিখেই ৰচিদখন আৰু সেই ৰচিদ-সংক্ৰান্ত বাতৰি পঠিয়ালে। কিন্তু ধনখিনিয়ে কোষাগাৰলৈ পঠোৱা নহলেই, চালানখনো গাণনিক বা খাজাঞ্চীৰ বহীত জমা দেখুওৱা নহ'ল। চালানখন গাণনিকৰ কাৰ্যালয়তে ক'ৰবাত পৰি থাকিল। ধনখিনি নোপোৱাকৈয়ে ৰচিদখন পঠোৱা হ'ল যদিও সেই তাৰিখ বা পাছৰ তাৰিখকেইটাৰ নগদ-তহবিলত একো ভুল হোৱা নাছিল; কাৰণ ধনখিনি বোকৰ বহী (Cash Book)ত ভৰোৱা নহলেই। অথচ মাহেকীয়া নগদ-তহবিল মহাগাণনিকলৈ পঠোৱা হ'ল। পতিকে গুণাভিৰামে ডেপুটী কমিছনাৰক বিনম্ৰভাৱে জনালে যে ডেপুটী কমিছনাৰৰ কাৰ্যালয়ৰ পৰা ধনখিনি লবলৈ আৰু ১৮৭৩ চনৰ ২৩ মে' তাৰিখৰ হিচাপত ভৰাবলৈ যেন ডেপুটী কমিছনাৰে অনুমতি দিয়ে। তাকে কৰিলেই সেই তাৰিখ আৰু পৰৱৰ্তী দিন-কেইটাৰ লগতে মাহিলি উদ্বৃত্ত-পত্ৰ তদনুক্ৰমে সংশোধন কৰিব পৰা যায়।

বিষয়টো গুণাভিৰামে ডেপুটী কমিছনাৰৰ দৃষ্টিগোচৰ কৰাওঁতে দুখেৰে এই কথাটোও কলে যে গাণনিক আৰু তেওঁৰ সহকাৰীজন ৰৰ দক্ষ যেন নালাগে। তেওঁলোকৰ কামবোৰ ইমান যত্নসহকাৰে নিৰীক্ষণ কৰা সত্ত্বেও গাণনিকজনৰ মেজতে চালান এখন হৈ যোৱাৰ নিচিনা ঘটনা এটা নঘটাকৈ নাথাকিল। গুণাভিৰামৰ মূল চিঠিখনত আছে : "In bringing this matter to your notice, I am sorry also to state that the Accountant & his Assistant do not appear to be well up to the mark. Notwithstanding the great care I take in checking their works, it is (as in the present case when the challan was mislaid in the Accountant's desk) difficult to check them."

. . . . . গুণাভিৰামলৈ লিখা এখন চিঠিৰ পৰা জনা গৈছে যে গাণনিক-

জন আছিল কৃষ্ণৰাম দাস। কৃষ্ণৰাম দাসে অৱশ্যে তেওঁৰ চিঠিখনত সহকাৰী গাণনিকজনে সেই বিষয়ত একো নাজানে বুলিয়েই লিখিছিল (The Assistant Accountant knows nothing on the subject & cannot say when the Remittance Transfer Receipt was issued.)। কিন্তু গুণাভিৰামৰ মতে, উক্ত দুয়োজন কৰ্মচাৰীয়েই নিম্নস্থ কেৰাণী হিচাপেহে কাৰ্যনিৰ্বাহ কৰাৰ উপযুক্ত, হিচাপ-বিভাগৰ গাণনিকৰ নেখীয়া দায়িত্বশীল পদৰ বাবে নহয়। গতিকে তেওঁ সংশ্লিষ্ট বিভাগটোত নতুনকৈ বেহা লগাবলৈ ডেপুটী কমিছনাৰক পৰামৰ্শ দিলে (They may act as under-clerks but not fit in posts as responsible as that of the Accounts Department. I would therefore recommend that fresh arrangements be made in the Accounts Department.)।

গুণাভিৰামৰ পৰামৰ্শক্ৰমে ডেপুটী কমিছনাৰ শেহবাৰে নিজৰ টোকাত লিখিলে যে গুণাভিৰামে তেওঁৰ দৃষ্টি আকৰ্ষণ কৰা মতে স্থানাপন্ন গাণনিকজনৰ আচৰণ অতি অক্ষমনীয় (The conduct of the Offg Accountant as brought to notice is most inexcusable)। তেওঁ অবেক্ষাধীন (under probation), গতিকে দেখা-দেখিকৈয়ে তেওঁৰ নিযুক্তিৰ দৃঢ়ীকৰণ নহয়।

গুণাভিৰামৰ কথা মতেই গাণনিকজনক চাকৰিৰ পৰা অপসৃত কৰা হ'ল, আৰু তেওঁৰ কাৰ্যভাৰ স্থায়ী পদাধিকাৰীজনক অৰ্পণ কৰিবলৈ কোৱা হ'ল (His services are therefore dispensed with, & he will make over charge of his office at once to the permanent incumbent.)

১৮৯০ চনৰ ১৩ অক্টোবৰত ৰত্নেশ্বৰ মহন্তই হেমচন্দ্ৰ গোস্বামীলৈ লিখা এখন চিঠিত আছে যে অসমৰ মজলীয়া স্কুলবোৰত বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষা প্ৰৱৰ্তন কৰাৰ উদ্দেশ্যে মৌলবী মহিবুদ্দিন বি. এল.ৰ লগ লাগি তেওঁ নগাঁৱত এখন স্মাৰক পত্ৰ যুগুত কৰিছিল আৰু শিক্ষা বিভাগৰ সঞ্চালকলৈ সেইখন পঠিয়াইছিল। ঘনশ্যাম বৰুৱা আৰু লম্বোদৰ বৰালৈকো বিষয়টোৰ সম্পৰ্কত ৰত্নেশ্বৰে চিঠি লিখাৰ কথা। হেমচন্দ্ৰ গোস্বামীয়েও যাতে অনুৰূপ প্ৰচেষ্টা আনুষ্ঠানিকভাৱে হাতত লয়, সেই কথা ৰত্নেশ্বৰ মহন্তই

চিত্তিত লিখিছিল। কিন্তু সেই ক্ষেত্ৰত গুণাভিৰাম বৰুৱাৰ বিষয়ে ৰত্নেশ্বৰ মহন্তৰ ধাৰণা বৰ সুখ নাছিল। মহন্তৰ ধাৰণা মতে গুণাভিৰাম বৰুৱা আছিল বঙলাৰ পৰিবৰ্তে অসমীয়া ভাষা প্ৰবৰ্তনত উদাসীন। অধিকন্তু, তেওঁৰ বোলে মনৰ গতি বঙলা ভাষাৰ প্ৰতিহে চাল খোৱা। মহন্তৰ নিজৰ কথাখিনি হ'ল : "I do not expect anything from Babu Gunabhiram Barua on this subject. I know his opinion on this is highly stoic & he has a tendency towards Bengali.[৬]

ৰত্নেশ্বৰ মহন্তৰ এই অভিযোগৰ যথাৰ্থতা যে নাই, সেই কথাৰ সাক্ষ্য বহন কৰিছে ব্ৰিটিছ প্ৰশাসনত অসমৰ অন্যতম এক্‌ষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ গুণাভিৰামে সত্তৰৰ দশকতে অসমত বঙলা ভাষাৰ পৰিবৰ্তে অসমীয়া ভাষাৰ পুনৰ্বাসন-প্ৰসংগত লোৱা ভূমিকাই। ১৮৮৮ চনত কলিকতাত স্থাপিত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ প্ৰচেষ্টাবো ষোলটা বছৰৰ পূৰ্বেই ১৮৭২ চনৰ মাৰ্চ মাহত ৰেভাৰেণ্ড ড° মাইলছ ব্ৰনছনৰ নেতৃত্বত নগাঁৱত যি 'অসম ভাষা উন্নয়ন সমিতি' ('Assam Language Improvement Society' at Nowgong) গঠিত হৈছিল, তাত গুণাভিৰামৰ ভূমিকা আছিল নিঃসন্দেহে গুৰুত্বপূৰ্ণ আৰু আন্তৰিক। মন কৰিবলগীয়া যে গুণাভি-ৰাম আছিল ব্ৰিটিছ চৰকাৰৰ এজন নিৰ্ভৰযোগ্য এক্‌ষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ। চৰকাৰৰ অভিপ্ৰায়ৰ ক্ষেত্ৰত সহযোগ দেখুওৱাত গুণাভিৰাম অতি ইচ্ছুক আৰু আগ্ৰহী আছিল সঁচা। কিন্তু সেই বুলিয়েই বঙলাৰ ঠাইত অসমীয়া ভাষাৰ পুনৰ্বাসনত তেওঁ নিশ্চেষ্ট বা নিষ্ক্ৰিয় হৈ থকা নাছিল। তেওঁ আছিল 'আছাম লেংগেজ ইম্‌প্ৰ'ভমেণ্ট ছচাইটী'ৰ ২১৬ গৰাকী স্মাৰক পত্ৰ স্বাক্ষৰকাৰীৰ অন্যতম। অন্যান্য স্বাক্ষৰকাৰীসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল ড° মাইলছ ব্ৰনছনৰ[৭] উপৰি ৰেভাৰেণ্ড কে. ই. নেইবৰ, কন্দ্ৰৰাম বৰদলৈ, স্ফটিকচন্দ্ৰ বৰুৱা আদি।

---

৬. ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী, পৃ ৩৫৭।

৭. স্মাৰক পত্ৰত ড° ব্ৰনছনে চহী কৰোঁতে 'Assamese Community'ৰ যে 'Assamese Committee'ৰ 'President' হিচাপে চহী কৰিছিল, সেই বিষয়ে ড° মহেশ্বৰ নেওগ নিঃসন্দেহ হব পৰা নাই 'অৰুনোদই'ৰ ভূমিকা-লিপিত। পিছে, বংগৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰলৈ পঠাওঁতে 'আছাম লেংগেজ ইম্‌প্ৰ'ভমেণ্ট

স্মাৰক পত্ৰখনৰ কেইজনমান বিশিষ্ট স্বাক্ষৰকাৰীৰ পৰা অসমৰ কমিছনাৰে স্মাৰক পত্ৰখনৰ এটা ছেদৰ ক্ষেত্ৰত স্পষ্টীকৰণ বিচাৰোঁতে ১৮৭২ চনৰ ১ অক্টোবৰ তাৰিখৰ চিঠিত গুণাভিৰামে দিয়া কথাখিনিয়ে ৰত্নেশ্বৰ মহন্তৰ অভিযোগ খণ্ডনৰ বেলিকা বাৰুকৈয়ে সহায় কৰিব পাৰে ।[৮]

অসমৰ প্ৰাথমিক আৰু মজলীয়া স্কুলবোৰত, আৰু হাই স্কুলবো তলৰ শ্ৰেণীসমূহত অসমীয়া ভাষা প্ৰয়োগত খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈ বংগৰ লেফ্‌টেনেণ্ট গৱৰ্ণৰে অসমৰ কমিছনাৰক নিৰ্দেশ দিছিল ১৮৭৩ চনৰ ১ এপ্ৰিলত । কিন্তু উপযুক্ত পাঠ্যপুথিৰ অভাৱেই আছিল তেতিয়া সেই ক্ষেত্ৰত প্ৰধান প্ৰতিবন্ধক । সেই প্ৰতিবন্ধক আঁতৰাবৰ বাবে গুণাভিৰাম সক্ৰিয় হৈ উঠিছিল ১৮৭২ চনতে । নগাঁও জিলাৰ ডেপুটী কমিছনাৰে গৱৰ্ণৰ জেনেৰেলৰ এজেণ্টৰ ব্যক্তিগত সহকাৰী আৰু অসমৰ কমিছনাৰ ড্ৰাইবাৰ্গ চাহাবলৈ (J. J. S. Driberg, Personal Asstt. to Govr. Genl's Agent & Commissioner, Assam) লিখা ১৭।১।১৮৭৩ তাৰিখৰ এখন চিঠিয়ে (নং ৩৫৬) তাৰ সাক্ষ্য বহন কৰিছে । দুখন অসমীয়া কিতাপৰ বিষয়ে অভিমত দি গুণাভিৰামে ১৮৭২ চনতে চৰকাৰলৈ পঠিয়াইছিল অসমৰ নতুন পাঠশালা আৰু অন্যান্য স্কুলত কিতাপ দুখন চলাবৰ বাবে । গুণাভিৰামৰ অভিমত সম্বলিত মূল চিঠিখনৰ সৈতে কিতাপ দুখন নগাঁৱৰ ডেপুটী কমিছনাৰে অসমৰ কমিছনাৰলৈ পঠোৱাৰ কথা জিলা-প্ৰশাসকজনৰ উল্লিখিত তাৰিখৰ চিঠিখনত প্ৰকাশ পাইছে এনেকৈ ঃ "With reference to the accompanying original letter of my Asstt. Baboo Goonabhiram Surma, I beg to favour of your kindly submitting to the Govr. Genl's Agent & Commr. the two small books in Assamese herewith forwarded for his perusal with the view of soliciting

---

ছচাইটী'ৰ সম্পাদক ফটিকচন্দ্ৰ বৰুৱাৰ সংপ্ৰেৰক পত্ৰত স্পষ্টভাৱে লিখা আছে "Memorial from Assamese Community at Nowgong" বুলি । গতিকে কব পাৰি, ড০ বৰুৱাহে 'Assamese Community'ৰহে 'President' আছিল ।

৮. দ্ৰষ্টব্য ঃ উনবিংশ শতিকাৰ অসম-সংবাদ, পৃ. ১৮-২০ ।

his opinion as to the desirability or otherwise of introducing them into the new Pathsalas & other schools of the District in consequence of the Lieutt. Govr's recent orders as to the Assamese being taught in the primary & other schools."

গুণাভিৰামে চুপাৰিছ কৰা কিতাপ দুখনৰ নাম কি, সেই কথা এই চিঠিৰ পৰা জনা নাযায়। কিন্তু অসমৰ কমিছনাৰৰ ১৮৭৩ চনৰ ৫ জুলাই তাৰিখৰ এখন বিজ্ঞপ্তি-মৰ্মে নগাঁৱৰ ডেপুটী কমিছনাৰে কদ্ৰৰাম বৰদলৈ আৰু মনুৰাম দাসে যুগুতোৱা 'ল'ৰাই পঢ়া আদি পুথি' নামৰ দুখন কিতাপ লক্ষীমপুৰ জিলাৰ ডেপুটী কমিছনাৰজনলৈ পঠোৱাৰ সংবাদ নগাঁৱৰ ডেপুটী কমিছনাৰৰ চিঠি এখনত (নং ৫৪৭) আছে (Forwarded to the Dy. Commr. of Lukimpore the accompanying 2 books 'Lorai Pora Adee Poothee,' one prepared by Roodraram Bordoloye & the other by Monooram Das with reference to Commr's office circular No. C/81 T dated 5th July / 73.)। গুণাভিৰামৰ চুপাৰিছৰ পৰিণতি স্বৰূপেই 'ল'ৰাই পঢ়া আদি পুথি' নামৰ কিতাপ দুখন (দুটা পৃথক পৃথক খণ্ড ?) লক্ষীমপুৰ জিলাৰ স্কুলসমূহত প্ৰবৰ্তনৰ বাবে পঠোৱা হৈছিল বুলি অনুমান কৰাত অসুবিধা নাই এইবাবেই যে এই কাৰ্য গুণাভিৰামে চৰকাৰৰ ওচৰত কিতাপ দুখনৰ সম্পৰ্কত দাখিল কৰা অভিমতৰ অনুবৰ্তী ঘটনাহে।

উনবিংশ শতিকাৰ সত্তৰৰ দশকটোৰ আৰম্ভণিতে অসমত ছেভিং বেংকবোৰৰ উন্নতি হৈছিল—নগাঁৱৰ বাহিৰে আটাইকেইখন জিলাতে। নগাঁৱত ছেভিং বেংকৰ উন্নতি নোহোৱাৰ কাৰণ চিফ কমিছনাৰে জানিব খুজিলে। ১৮৭৪ চনৰ ১৯ নবেম্বৰত চিফ কমিছনাৰৰ সচিব লাটিমান জনহনলৈ নগাঁৱৰ ডেপুটী কমিছনাৰ শেচবাৰে উত্তৰ পঠিয়ালে (...why the institution does not flourish here as it does in all the other Districts of the Province.)। চিঠিত শেচবাৰে লিখিলে : "ছেভিং বেংকটো ৰাইজৰ চকুত পেলাবৰ বাবে আৰু ইয়াক আকৰ্ষণীয় আৰু জনপ্ৰিয় কৰিবৰ বাবে মোৰ নিপুণ আৰু বুদ্ধিমান সহকাৰী (my able and

intelligent Assistant) গুণাভিৰাম শৰ্মা আৰু মই অপৰিসীম যত্ন কৰিছোঁ। অসমৰ অন্যান্য জিলাবোৰত বাইজৰ কোনটো শ্ৰেণীৰ মানুহনো নিক্ষেপক (depositor), সেই কথা মই জানিব পৰা নাই। ইয়াৰ মানুহৰ বাহি ধনখিনি বেংকত থোৱাত বাধাৰ সৃষ্টি কৰিছে কেঞা সদাগৰ আৰু প্ৰধান ব্যৱসায়ীসকলে। বেংকৰ সুদ বোলে বৰ কম। অথচ ইয়াৰ বজাৰত তেওঁলোকে সদায় আদায় কৰি থকা 'নিম্নতম' সুদ হ'ল 'মাহিলি শতকৰা এভাগ' (the 'lowest' rate of Interest in the Bazar here which they can always command is 'one per cent per month')। ইয়াৰ আমোলা আৰু আঢ্যৱন্ত দেশী মানুহখিনিয়ে তেওঁলোকৰ বাহি ধনখিনি বেংকত জমা থোৱাতকৈ মাটি আৰু অন্যান্য স্থাবৰ সম্পত্তি কিনাত খটুৱায়। ধনী খেতিয়কসকলেও বাহি ধনখিনিৰে হয় মাটি কিনে, নতুবা ডিঙি, কাণ আৰু হাতত পিন্ধা সোণৰ গহনা কিনে।" চিঠিখনৰ সংশ্লিষ্ট অংশটোত শেচবাৰৰ নিজৰ কথাখিনি এনে ধৰণৰ : "The Omlah and well-to-do natives prefer investing their surplus cash in the purchase of land and immovable property to depositing it in the Bank. The better class of agriculturists too, either invariably buy land or gold ornaments, such as neckless, earrings and bracelets with their savings or surplus cash. I enclose in original my Assistant Babu Goonabhiram's views on the same subject." এই কথাখিনিয়ে শেচবাৰে তেওঁৰ "নিপুণ আৰু বুদ্ধিমান সহকাৰী" গুণাভিৰামৰ টোকাৰ গাত ভেজা দিহে কৈছিল, তাত সন্দেহৰ অৱকাশ নাই। অন্যথা, সংশ্লিষ্ট বিষয়-টোত গুণাভিৰামৰ দৃষ্টিভংগী সম্বলিত মূল টোকাটোকে ডেপুটী কমিছনাৰজনে চিফ কমিছনাৰৰ সচিবলৈ নিজৰ চিঠিৰ লগত গাঁঠি নপঠিয়ালেহেঁতেন।

১৮৭৫ চনৰ ছেপ্টেম্বৰ মাহৰ ১৩ তাৰিখে নগাঁৱৰ স্থানাপন্ন ডেপুটী কমিছনাৰ ফ্ৰিলিংচ নগাঁও জিলাৰ ভাষা আৰু দোৱানবোৰৰ বিষয়ে প্ৰতিবেদন এটা যুগুতাই অসমৰ কমিছনাৰলৈ পঠিয়াইছিল। প্ৰতিবেদনত মুঠ ১৯টা ইংৰাজী শব্দৰ যথাক্ৰমে কছাৰী, লালুং

(তিৱা), মিকিৰ (কাৰ্বি) আৰু মিৰি (মিচিং) ভাষাৰ প্ৰতিশব্দৰ এখন তালিকা সংলগ্ন আছিল। পিছে, সেই প্ৰতিবেদন নগাঁৱৰ ডেপুটী কমিছনাৰক বিচৰা হৈছিল ১৮৭৫ চনৰ জানুৱাৰী মাহতে। উক্ত প্ৰতিবেদন-সংলগ্ন তালিকাৰ শব্দবোৰৰ শুদ্ধাশুদ্ধতা নিৰ্ণয় কৰাত ডেপুটী কমিছনাৰ শেচবাৰে সহায় বিচাৰিছিল গুণাভিৰাম বৰুৱাৰ। ১৪ জানুৱাৰীত শেচবাৰে কমিছনাৰৰ সংশ্লিষ্ট নিৰ্দেশটোৰ প্ৰতিলিপি গুণাভিৰামলৈ পঠিয়ালে এই বুলি: "Copy forwarded to Babu Goonabhiram Surma Ex. Asstt. Commr. with the request he will be so good as to assist the undersigned in correcting the vocabularies of the languages appertaining to the District." অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ লগতো যে গুণাভিৰাম পৰিচিত আছিল, এই কথাই তাৰে সাক্ষ্য দিব পাৰে।

তেতিয়ালৈকে গুণাভিৰাম আছিল চতুৰ্থ খাপৰ ই. এ. চি.। ১৮৭৫ চনৰ ১০ ফেব্ৰুৱাৰীৰ পৰা তেওঁ তৃতীয় খাপৰ স্থানাপন্ন ই. এ. চি. ৰূপে কাৰ্যনিৰ্বাহ কৰিবলৈ পায়। কিন্তু তৃতীয় খাপৰ ই. এ. চি. পদ্মলোচন দাস বংগদেশলৈ বদলি হৈ যোৱা বাবে সেই বছৰৰ ১৭ ডিচেম্বৰত গুণাভিৰামে তৃতীয় খাপৰ ই. এ. চি. ৰূপে স্থায়ী নিযুক্তি লাভ কৰে।[১] এই চনতে তেওঁ নগাঁৱৰ বিশেষ বিবাহ-পঞ্জীয়কো (Special Registrar of Marriages) নিযুক্ত হৈছিল। ১৮৭৫ চনৰ অসম ৰাজপত্ৰৰ ২৯ মে' তাৰিখৰ সংখ্যাত (পৃ. ৩১১) প্ৰকাশ পোৱা মতে সেই বছৰতে গুণাভিৰামে মুন্সিফৰ ক্ষমতাও লাভ কৰে (His Excellency the Viceroy in Council has been pleased to vest the following officers with the powers of a Munsiff)। মুন্সিফৰ ক্ষমতা পোৱা আনজন বিষয়া আছিল চম্পক নাৰায়ণ।

এই বছৰৰে ১৯ আগষ্টত তেওঁ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া ল'ৰাৰ মিত্ৰ' নামৰ পুথিখন সম্পাদনা কৰি তৃতীয় সংস্কৰণটো মুদ্ৰিত কৰে। ৭৬ পিঠীয়া এই সংস্কৰণটোৰ মুদ্ৰক আৰু প্ৰকাশক আছিল গোৱালপাৰাৰ যদুনাথ ভট্টাচাৰ্য। ক্ৰাউন অক্টেভ আকাৰৰ কিতাপখনৰ প্ৰতিটো কপিৰ মূল্য আছিল ৫ অনা

১. দ্ৰষ্টব্য: The Assam Gazette, December 25, 1875, P. 675

(০'৩১ টকা), আৰু ছপোৱা হৈছিল ১০০০ কপি । বছৰটোৰ অসম ৰাজপত্ৰত সন্নিবিষ্ট 'Catalogue of Books registered during the quarter ending 30th September 1875' শিতানত প্ৰকাশিত সংবাদত এই কথা আছে । সংবাদটোৰ 'গ্ৰন্থকাৰ, অনু-বাদক বা সম্পাদক'ৰ নামৰ ঘৰত গুণাভিৰামৰ নামটোহে আছে, আনন্দৰামৰ নাম সংবাদটোৰ ক'তোৱেই নাই । প্ৰসংগক্ৰমে কব পাৰি, ৰামেশ্বৰ সেন নামৰ শিক্ষক এজনৰ 'আত্মকাহিনী' নামৰ গ্ৰন্থত (১৮৮৪ চনৰ প্ৰসংগত) 'অসমীয়া ল'ৰাৰ মিত্ৰ' পুথিৰ উল্লেখ ঘটিছে একাধিক বাৰ । সেনে গ্ৰন্থখন "ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ প্ৰণীত" বুলিয়েই উল্লেখ কৰিছে । অসমৰ তেতিয়াৰ চিফ কমিছনাৰ ছাৰ চাৰ্লছ ইলিয়টে ৰামেশ্বৰ সেনৰ ওচৰত অসমীয়া শিকিছিল 'অসমীয়া ল'ৰাৰ মিত্ৰ' কিতাপৰ পৰাই । কিতাপখনৰ বেটুপাতত আৰু প্ৰথম পৃষ্ঠাত 'ল'ৰা' আৰু ভিতৰৰ কোনো কোনো ঠাইত 'লৰা' ৰূপ মুদ্ৰিত হোৱাৰ কাৰণ বোলে ইলিয়টে ৰামেশ্বৰ সেনক সুধিছিল । ৰামেশ্বৰ সেনে গুণাভিৰামক এদিন লগ পাই কথাটো কওঁতে গুণাভিৰামে সেইটো তেওঁৰ ত্ৰুটী বুলি স্বীকাৰ কৰিছিল ।[10]

১৮৭৬ চনৰ ৮ মে' তাৰিখে ডেপুটী কমিছনাৰ ফিলিপ্স নগাঁৱৰ চাহ-বাগিচাবোৰ পৰিদৰ্শন কৰিবলৈ যাওঁতে গুণাভিৰামৰ ওপৰতে ডেপুটী কমিছনাৰৰ চলিত কৰ্তব্যসমূহৰ দায়িত্ব অৰ্পিত হৈছিল । ("I have this day made over charge of the current duties of my office to Baboo Goonabhiram Surma, Extra Asstt. Commr.") । জিলাৰ এছিষ্টেণ্ট কামছনাৰ মিচেল চাহাবো গৈছিল তেতিয়া জাল কৰা অপৰাধ এটাৰ সাক্ষ্য দিবলৈ শিৱসাগৰলৈ । গুণাভিৰামৰ হাতত সেই দায়িত্ব-ভাৰ আছিল ১৩ মে'লৈকে ।

এই চনৰ ১৫ জুলাইত (১ শাওণ শনিবাৰ) হৰকান্ত সদৰা-মীনৰ মাতৃ-বিয়োগ হোৱাত হৰকান্তই ১৪ দিনৰ ছুটী বিচাৰিলে । কিন্তু ডেপুটী কমিছনাৰে ছুটী দিব নোৱাৰে বুলি কলে । হৰকান্তৰ ছুটী চিফ কমিছনাৰে মজুৰ কৰিলে ২১ জুলাইতহে । ২২ জুলাইৰ পৰা তেওঁ ছুটী উপভোগ কৰিলে ।[11] হৰকান্ত সদৰামীন (মুন্সিফ)ৰ

---

১০. দ্রষ্টব্য: ৰামেশ্বৰ সেনৰ 'আত্মকাহিনী'; পৃ. ৩১৭, ৩১৮ ।

১১. দ্রষ্টব্য: 'সদৰামীনৰ আত্মজীৱনী', ৩য় সং, পৃ. ২০৮-৯ ।

সমস্ত দায়িত্ব গুণাভিৰামৰ ওপৰত অৰ্পিত হোৱাৰ ফলতহে হৰকান্তই ছুটী পাইছিল। এছিষ্টেণ্ট কমিছনাৰ মিচেলে ১৮ জুলাইত চিফ কমিছনাৰৰ সচিবলৈ লিখিলে এই বুলি : “Hurkant Munsiff wants fourteen days leave. Can he have it ? His mother has just died in Gauhati & he wants to start at once.” হৰকান্তৰ দায়িত্বভাৰ গুণাভিৰামৰ কান্ধত অৰ্পিত হৈছিল ২১ জুলাইত। মিচেলৰ চিঠিয়ে কৈছে : “He availed himself of his leave yesterday making over charge of his office to Baboo Goonabhiram E. A. C. before noon.” সেই বছৰত হৰকান্তৰ বহুতো কাম (গোচৰ সোধা) আধৰুৱা হৈ ৰৈছিল। সেইখিনি যদিহে গুণাভিৰামক দিয়া হয়, তেন্তে তেওঁ সেইখিনি কৰিব পাৰিবনে নোৱাৰে (Whether he thinks he is in a position to dispose of the cases pending in the file of Baboo Hurkant Borua if they are made over to him.) সুধিলে। গুণাভিৰামে কান্ধ পাতি ললে ভাৰখন।

১৮৭৭ চনৰ কথা। “গ্রিস্ম কাল প্রযুক্ত” হোৱা বাবে “বিচনি ধৰা লোক” নিয়োগ কৰিব লগা হ'ল। সেই চনৰ ১৬ এপ্রিলৰ পৰা গুণাভিৰাম বৰুৱাৰ “বিচনি ধৰা লোক” আছিল সোণাই কোচ। তেতিয়া গুণাভিৰামৰ পিয়দা আছিল “ভোআই টেকেলা”। পিছে, ডেপুটী কমিছনাৰৰ পৰা হুকুম আহিল, “ৰূপাই আৰ্দ্দালি পিড়িত প্রযুক্ত কৰ্ম্মত উপস্থিত হব পৰা নাই এতেকে যাবত্ কামত উপস্থিত হব নোআৰে তাবত্ তাৰ কামত ভোআই টেকেলাক একটিন মকৰৰ কৰা জাওক ভোআই টেকেলা এই জিলাৰ শ্রীযুত বাবু গুণাভিৰাম ৰায় বাহাদুৰ এ. এ. কমিশ্যনৰৰ অধীনস্থ দেওয়ানী আদালতত প্যাদা নিযুক্ত আচে কাৰণ প্রস্তাবিত অভিপ্রায় সম্পন্নতা হবৰ আশায় তেওঁক জনোআ যায় ইতি।”

১৮৭৮ চনৰ ১ আগষ্টত গুণাভিৰামে তেওঁৰ 'ল'ৰা পুথি' নামৰ কিতাপখনৰ দ্বিতীয়টো সংস্কৰণ ছপাই উলিয়ায় গোৱালপাৰাৰ হিতবিধায়িনী প্রেছৰ পৰা। কিতাপখনৰ মুদ্রক আছিল নৱকান্ত নাথ, প্রকাশক আছিল গ্রন্থকাৰ নিজে। ৪৮ পৃষ্ঠা সম্বলিত কিতাপখনৰ মুঠ ১০০০ কপি ছপা হৈছিল। প্রতিটো কপিৰ মূল্য আছিল

তিনি অনা (০·১৯ টকা)।

১৮৮০ চনৰ ১৬ এপ্ৰিলত প্ৰথম খাপৰ ই. এ. চি. ড্ৰাইবাৰ্গ চাহাব (J. J. S. Driberg) দ্বিতীয় খাপৰ অস্থায়ী সহকাৰী কমিছনাৰ নিযুক্ত হোৱাত গুণাভিৰাম দ্বিতীয় খাপৰ ই. এ. চি. পদলৈ উন্নীত হয়। একে ধৰণৰ পদোন্নতি হৈছিল পূৰ্ণানন্দ শৰ্মা বৰুৱাৰো। নগাঁৱত প্ৰথম খাপৰ ই. এ. চি. আছিল তেতিয়া মেট্‌কাফ চাহাব (H. H. Metcalf)। দ্বিতীয় খাপৰ ই. এ. চি. হিচাপে গুণাভিৰামে তেতিয়া দৰমহা পাইছিল মাহিলি ৫০০ টকা।

১৮৮১ চনৰ ৭ এপ্ৰিলৰ এখন জাননীৰে নগাঁৱৰ দ্বিতীয় খাপৰ ই. এ. চি. গুণাভিৰামক চিফ কমিছনাৰে প্ৰথম শ্ৰেণীৰ হাকিমৰ ক্ষমতা প্ৰদান কৰে (The Chief Commissioner has been pleased to invest Babu Gunabhiram Barua E. A. C. second grade, Nowgong, with the powers of a Magistrate of the first class.)। সংবাদটো প্ৰকাশ হৈছিল অসম ৰাজপত্ৰৰ ১৮৮১ চনৰ ৯ এপ্ৰিল সংখ্যাত (পৃ. ১৪৬)।

১৮৮৩ চনৰ ২ জুলাইৰ এটা নিৰ্দেশত অসমৰ চিফ কমিছনাৰে ১৪ জন হাকিম বিষয়াক ইংৰাজী ভাষাত সাক্ষ্য গ্ৰহণ কৰিবলৈ ক্ষমতা দিছিল। গুণাভিৰাম আছিল সেই ১৪ জনৰ অন্যতম।

১৮৮৮ চনৰ ১ মে' তাৰিখে নগাঁৱৰ পাঠ্যপুথি সমিতিখন (The Text Book Committee at Nowgong) ৯ জন ব্যক্তিক লৈ চিফ কমিছনাৰে পুনৰ গঠন কৰে। সমিতিৰ পদেন সভাপতি (Ex-Officio President) আছিল অসমৰ স্কুল-পৰিদৰ্শক। অন্যান্য ব্যক্তি কেইগৰাকী আছিল বলিনাৰায়ণ বৰা ইঞ্জিনীয়াৰ, নন্দেশ্বৰ ফুকন, ধৰ্মেশ্বৰ গোস্বামী, নৱনাথ মহন্ত মৌজাদাৰ, মুন্সী মহিবুদ্দিন আহমেদ বি. এল., ৰুদ্ৰনাথ বৰুৱা অধনুৱা হাকিম আৰু নগাঁৱৰ স্কুল উপ-পৰিদৰ্শক (পদেন সদস্য)। ৰায় গুণাভিৰাম শৰ্মা বৰুৱা বাহাদুৰ ই. এ. চি. আছিল পাঠ্যপুথি সমিতিৰ সম্পাদক।[১২] ইয়াৰ পূৰ্বে ১৮৭৮ চনত গঠিত পাঠ্য পুথি সমিতিৰ পদেন সম্পাদক আছিল অসমৰ স্কুল-পৰিদৰ্শকজনহে।[১৩]

১২. দ্ৰ: : The Assam Gazette. 1888, April 28, P. 130.

১৩. The Assam Gazette, 1878, November 23, P. 559

১৮৮৮ চনৰ ১৭ নৱেম্বৰ সংখ্যা অসম-ৰাজপত্ৰত প্ৰকাশিত এটা ৰাতবৰি মতে নগাঁও জিলাৰ মিকিৰ পাহাৰ অঞ্চলত সংঘটিত অপৰাধসমূহ বিচাৰ কৰিবলৈ চিফ কমিছনাৰে গুণাভিৰামক প্ৰথম শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতা প্ৰদান কৰে। এই ক্ষেত্ৰত হলিৰাম বৰুৱা নামৰ আন এজন বিষয়াক দিয়া হৈছিল দ্বিতীয় শ্ৰেণীৰ মেজিষ্ট্ৰেটৰ ক্ষমতা। ৰাতবিটোৰ সংশ্লিষ্ট অংশটো এনেকুৱা : "...The Chief Commissioner is pleased to invest Babu Gunabhiram Barua and Babu Holiram Barua, E. A. Comrs. Nowgong, with powers equivalent respectively to those of first and second class Magistrates as described in the Code of Criminal Procedure, for the trial of offences committed within the Mikir Hills Tract."

১৮৮৯ চনৰ ২৮ জুনত গুণাভিৰাম বৰুৱাই দুমাহ সোতৰ দিনৰ বিশেষাধিকৃত ছুটী (priviledge leave) পায়। ই. এ. চি. ৰাজমোহন দেই আজৰাই দিলেই তেওঁ ছুটী উপভোগ কৰাৰ কথা। পিছে, সেই ছুটী তেওঁ ২৮ ছেপ্টেম্বৰৰ পৰাহে উপভোগ কৰে (...reported his departure on priviledge leave on the afternoon of 28th September, 1889), বোধ হয় কিবা কাৰণত ৰাজমোহন দে তেওঁৰ স্থলাভিষিক্ত হবলৈ নহা বাবেই। কাৰণ, ছুটীৰ পাছত ডিচেম্বৰৰ প্ৰথম ভাগত তেওঁ কাৰ্যভাৰ ঘূৰাই লয়হি ই. এ. চি. প্ৰসন্ন কুমাৰ ঘোষৰ হাতৰ পৰাহে। ১৪ ডিচেম্বৰৰ পৰা গুণাভিৰামে নগাঁৱৰ সদৰ উপ-পঞ্জীয়ক (Sadar Sub-Registrar) পদত নিযুক্তি লাভ কৰে তেওঁৰ নিয়মিত বিষয়-বাবৰ উপৰি।

১৮৯০ চনৰ ২৪ জানুৱাৰীৰ পৰা গুণাভিৰামে পুনৰ আঢ়ৈ মাহৰ বিশেষাধিকৃত ছুটী লয়। তেওঁৰ ছুটীৰ কালছোৱাত নগাঁৱৰ পাঠ্য পুথি সমিতিৰ সম্পাদকৰ স্থানাপন্ন দায়িত্ব পালন কৰিবলৈ পায় নন্দেশ্বৰ ফুকনে। ১৮৯০ চনৰ ২৫ জানুৱাৰী সংখ্যা 'অসম ৰাজপত্ৰ'ত আছে : "Babu Nandeswar Phukan officiated as Secretary to the Anglo-Vernacular Text Book Committee, Nowgong, during the absence of Rai

Gunabhiram Sarma Barua Bahadur, for two and a half months on priviledge leave."

১৮৯০ চনৰ ৩১ মাৰ্চত গুণাভিৰামে ব্ৰিটিছ প্ৰশাসনৰ এক্‌ষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰ পদৰ পৰা অৱসৰ লয়। ৩১ মাৰ্চত তেওঁ ই. এ. চি. শৰৎ চন্দ্ৰ মজুমদাৰৰ হাতত নগাঁও কোষাগাৰৰ কাৰ্যবাহী দায়িত্ব অৰ্পণ কৰে। গুণাভিৰামৰ ঠাইত শৰৎ চন্দ্ৰ মজুমদাৰ এছিষ্টেণ্ট নগাঁৱৰ উপ-পঞ্জীয়ক নিযুক্ত হোৱাৰ কথা সেই চনৰ অসম ৰাজপত্ৰৰ ২৪ মে' সংখ্যাই কৈছে (Babu Sarat Chandra Majumdar is appointed as Sub-Registrar of Nowgong in addition to his other duties, with effect from 1st of April 1890, the date he assumed charge of the office from Babu Gunabhiram Barua, E. A. C.)।

সুদীৰ্ঘ ভেৰ কুৰি বছৰ কাল নিজৰ নিপুণতা আৰু বুদ্ধিমত্তাৰে ব্ৰিটিছ প্ৰশাসনৰ এক্‌ষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰৰ পদবীত থাকি গুণাভিৰামে যি সেৱা আগবঢ়ালে, তাৰ স্বীকৃতি স্বৰূপে ১৮৯০ চনৰ ৪ জুন তাৰিখে অসমৰ চিফ কমিছনাৰে গ্ৰহণ কৰা সপ্ৰশংস প্ৰস্তাৱ এটা সাধাৰণ বিভাগৰ প্ৰশাসনীয় কাৰ্যবিৱৰণিত লিপিবদ্ধ কৰা হৈছিল। কাৰ্যবিৱৰণিৰ সংশ্লিষ্ট অংশটোৰ পূৰ্ণপাঠ তলত দিয়া ধৰণৰ :—

"Recognition of Services of Rai Gunabhiram Barua, Bahadur.

Extract from the Proceedings of the Chief Commissioner of Assam in the General Department, No. 3,835½ G., dated Shillong, the 4th June, 1890.

Read :—

Letter No. 1,349, dated the 14th April 1890, from the Commissioner of the Assam Valley Districts, reporting the retirement from the Public Service of Rai Gunabhi Ram Sarma Barua, Bahadur, Extra Assistant Commissioner.

Resolution.

The Chief Commissioner cannot allow the

occasion of the retirement of Rai Gunabhi Ram Sarma Barua Bahadur, the Senior Extra Assistant Commissioner in this Province, to pass by without recording hie sense of the very valuable services rendered to the Government by that officer throughout an extended period. These services have been in every way deserving of the public recognition which is hereby accorded to them.

By order of the Chief Commissioner of Assam,

F. C. Daukes.

Offg. Secy. to the Chief Comr. of Assam."[১৭]

১৭. The Assam Gazette, 1890, June 7, P. 316